REFERENCE,
(NOT FOR ISSUE)
READING ONLY INSIDE ...

# Assam Legislative Assembly Debates

## OFFICIAL REPORT

THIRD SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE EIGHTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## AUGUST SESSION

## VOL. III
## NO. 6

The 11th August, 1986

सत्यमेव जयते

1989

PRINTED AT GUPTA PRINTERS, GUWAHATI-781006

REFERENCE,
( NOT FOR ISSUE )
READING ONLY INSIDE LIBRARY

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1986

## AUGUST SESSION

## VOLUME—III

## No—6

Dated, the 11th August, 1986

## CONTENTS


| | | PAGES |
|---|---|---|
| 1. | Questions | 1—57 |
| 2. | Miscellaneous | 58—67 |
| 3. | Calling Attention | 68—70 |
| 4. | Matter Under Rule 301 | 70—73 |
| 5. | Statement by Minister | 73—80 |
| 6. | Announcement from the Chair | 80—81 |
| 7. | Obituary Reference | 82 |
| 8. | Adjournment | 82 |

Proceedings of the August Session of the Assam Legislative Assembly assembled after the Eighth General Election under Sovereign Democratic Republican Constitution of India

The House met in the Assembly Chamber, Dispur, Guwahati On Monday, the 11th August 1986 with the Hon'ble Speaker in the Chair, 17 (Seventeen) Ministers, 13 (Thirteen) Ministers of State, and 85 (Eighty Five) Members present.

## STARRED

## QUESTIONS AND ANSWERS

Date : 11th August, 1986

---

( To which oral replies were given )

বিঃ তেল আৰু গেছ আয়োগৰ আৱৰ্জনাৰ
দ্বাৰা নামদাং নদীৰ পানী দূষিতকৰণ

শ্ৰীপ্ৰদীপ হাজৰিকাই সুধিছে ঃ

*১০১। মাননীয় বিজ্ঞান, প্ৰযুক্তি আৰু পৰিবেশ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) গেলেকীত থকা তেল আৰু প্ৰাকৃতিক গেছ আয়োগৰ তেল ঘাটৰ

আৰ্জনা নামদাং নদীত পেলাই দিয়াৰ কাৰণে নামদাং নদীৰ পানী দুষিত হোৱাৰ লগতে ইয়াৰ দুয়োপাৰৰ বাসিন্দা সকলৰ হব পৰা ক্ষতিৰ বিষয়ে চৰকাৰে জানেনে?

(খ) যদি জানে, তেন্তে দুষিতকৰণ ৰোধ কৰাৰ বাবে কি ব্যৱস্থা হাতত লোৱাৰ কথা ভাবিছে?

শ্ৰীবৃন্দাবন গোস্বামী (বিজ্ঞান, প্ৰযুক্তি আৰু পৰিবেশ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১০১। (ক)—কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ উদ্যোগ প্ৰতিষ্ঠান তেল আৰু প্ৰাকৃতিক গেছ আয়োগৰ গেলেকীত থকা তেল ঘাটৰ আৰ্জনাই পানী দুষিত কৰা আৰু তাৰ পৰা হব পৰা ক্ষতিৰ বিষয়ে অসম পানী প্ৰদুষণ আৰু নিয়ন্ত্ৰণ পৰিষদৰ দৃষ্টি গোচৰ হৈছে।

(খ)—কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ উদ্যোগ প্ৰতিষ্ঠান তেল আৰু প্ৰাকৃতিক গেছ আয়োগক তেখেত সকলৰ সকলো প্ৰতিষ্ঠান সমূহত প্ৰদূষণ নিয়ন্ত্ৰণৰ বাবে যথাবিহিত ব্যৱস্থা লবলৈ অসম পানী প্ৰদূষণ আৰু নিয়ন্ত্ৰণ পৰিষদৰ তৰফৰ পৰা সকলো সময়তে নিৰ্দেশ দি থকা হৈছে। তদুপৰি এই প্ৰতিষ্ঠানটোৰ তেল খনন কাৰ্য্যৰ দ্বাৰা পানী মাটি আদি দুষিত কৰা ঠাইবোৰ পৰিষদৰ তৰফৰ পৰা নিয়মীয়াকৈ পৰিদৰ্শন কৰা হয়। পৰিদৰ্শন কৰি যিবোৰ ঠাইত খুটি-নাটি পোৱা যায়, সেইবোৰ ঠাইৰ ওপৰত দুষিতকৰণ ৰোধ কৰিবলৈ উদ্যোগ প্ৰতিষ্ঠানটোক সকলো সময়তে লিখিতভাৱে সকিয়াই থকা হয়। প্ৰতিষ্ঠানটোৰ উৰ্দ্ধতম মহলৰ লগতো এই বিষয়ে যোগাযোগ কৰা হৈছে।

শ্ৰীপ্ৰদীপ হাজৰিকা ঃ—মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে আমি যি প্ৰশ্ন কৰিছিলো তাৰ উত্তৰত মন্ত্ৰী মহোদয়ে কৈছে যে তেখেতে মাটি, পানী, বায়ু আদি দুষিতকৰণ হোৱাৰ বিষয়ে খবৰ ৰাখিছে। কিন্তু এই উত্তৰত আমি সন্তুষ্ট হব পৰা নাই। মোৰ সমষ্টিত এনে কিছুমান এফেক্ট হৈছে যত মুগা খেতি বেছিকৈ হয় আৰু ৰাইজ আৰ্থিক ভাৱে সহায় কৰে তেনে ঠাইতো বায়ু দুষিত হোৱাৰ কাৰণে মুগা খেতি নোহোৱা হৈছে। ইয়াত চেৰিকালচাৰৰ মন্ত্ৰীও আছে তেখেতেও কিবা ব্যৱস্থা কৰিব পাৰে নেকি জনালে ভাল

হয়। সেয়ে খেতি আদিৰ কাৰণেই মাটি, পানী, বায়ু দূষিতকৰণৰ ক্ষেত্ৰত কিবা ব্যৱস্থা কৰা হৈছে নে ? মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো ?

শ্ৰীবৃন্দাবন গোস্বামী (পৰিবেশ বিভাগৰ মন্ত্ৰী) ঃ—অধ্যক্ষ মহোদয়, বায়ু, পানী, মাটি আদি প্ৰদূষণৰ সন্দৰ্ভত তেল আৰু গেচ আয়োগে যিবোৰ ব্যৱস্থা লব লাগিছিল সেইবিলাক লোৱা নাই। এই সম্পৰ্কত আমি সজাগ। মোৰ শেহতীয়া দিল্লী ভ্ৰমণৰ সময়ছোৱাত এই বিষয়ৰ প্ৰতি আমি প্ৰধানমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিছিলো। আৰু লগতে আমাৰ যে শ' শ' পুৰা মাটি যে ক্ষতিগ্ৰস্ত হৈছে আৰু প্ৰাকৃতিক তেল আৰু গেচ আযোগে ইয়াৰ যে একো ব্যৱস্থা লোৱা নাই তাৰ প্ৰতিও তেখেতৰ দৃষ্টি আকৰ্ষণ কৰা হৈছে আৰু হস্তক্ষেপ কৰিবলৈ অনুৰোধ কৰা হৈছে। তেল আৰু প্ৰাকৃতিক গেচ আয়োগৰ খনন কাৰ্য্য আৰু উৎপাদন গোট সমূহ প্ৰধানকৈ উজনি অসমৰ শিৱসাগৰ আৰু যোৰহাট জিলাৰ লাকুৱা, গেলেকী, ৰুদ্ৰসাগৰ আৰু বৰহোলাত অৱস্থিত। তেল আৰু গেছ আয়োগে তেওঁলোকৰ খনন কাৰ্য্যত নিৰ্গাত হোৱা আৱৰ্জনা সমূহ তেওঁলোকৰ এলেকাৰ ওচৰতে থকা পুখুৰীত জমা কৰি ৰাখে। এই মাটিৰ পুখুৰীবোৰ প্ৰায় বোৰতে নিৰ্মাণ ভালদৰে কৰা হোৱা নাই। আৰু প্ৰায় বোৰৰে পাৰ সমূহ চাপৰ। এনে হোৱা হেতুকে ময়লা পানী নিগৰি নিগৰি আৰু কেতিয়াবা ওপৰেদি বাগৰি ওলাই গৈ ওচৰত থকা অঞ্চলত অপকাৰ কৰে। অসম পানী প্ৰদূষণ আৰু নিয়ন্ত্ৰণ পৰিষদৰ তৰফৰ পৰা এই মাটিৰ পুখুৰী সমূহৰ ভিতৰৰ চাৰিওফালে ময়লাপানী নিজৰি ওলাই নাযাবাৰ বাবে পলিথিনৰ চামনি দিবলৈ নিৰ্দেশ দিয়া হৈছে। তাৰোপৰি এই আৱৰ্জনা জমাই থোৱা পুখুৰীৰ পাৰ সমূহ সৰ্ব্বোচ্চ বানপানীৰ সীমাতকৈ এককমিটাৰ ওখ কৰিবলৈও নিৰ্দেশ দিয়া হৈছে। আৰু পুখুৰীত জমা হোৱা তেল সমূহ খনন কাৰ্য্য শেষ হোৱাৰ আগতেই চাফা কৰিবলৈ পৰিষদৰ তৰফৰ পৰা নিৰ্দেশ দিয়া হৈছে। তেল আৰু প্ৰাকৃতিক গেচ আয়োগে পৰিষদৰ নিৰ্দেশ অনুসৰি গেলেকী তৈল ক্ষেত্ৰৰ খনন কাৰ্য্যত পলিথিনৰ চামনি কেইটামান খাদত ব্যৱহাৰ কৰা হৈছে। খনন কাৰ্য্যৰ পিছত তেলসমূহ উৎপাদন গোটলৈ নিয়ে। এই তেলৰ লগত পানী আৰু

গেচ সংযুক্ত হৈ থাকে আৰু ইয়াত এই গোট সমূহত পৃথক কৰা হয়। পৃথক কৰা তেল যুক্ত পানী আৰু গেচ বাষ্পীভৱন কক্ষত জলাই দিয়া হয়। বাষ্পীভৱন কক্ষসমূহত উচ্চ উষ্ণতা হোৱা বাবে তাত ব্যৱহাৰ হোৱা পকাৰ গাঠনি সমূহত ফাট মেলে আৰু তাৰ মাজেদি কেতিয়াবা ময়লা পানী ওলাই যায়। অসম তেল প্ৰদূষণ আৰু প্ৰাকৃতিক গেচ আয়োগৰ বাষ্পীভৱন কক্ষৰ গাঠনি সমূহ মজবুত কৰিবলৈ নিৰ্দেশ দিয়া হৈছে যাতে তাৰ পৰা ময়লা পানী ওলাই যাব নোৱাৰে। তাৰোপৰি চাৰিওফালে এছ-বেচটচৰ বেৰা দি তাপ আৰু পোহৰ বাহিৰলৈ বিকিৰণ হোৱাটো বন্ধ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। এই নিৰ্দেশৰ পৰিপ্ৰেক্ষিতত তেল আৰু প্ৰাকৃ-তিক গেচ আয়োগে তেখেতসকলৰ লাকুৱা তেল ক্ষেত্ৰৰ বাবে এই ময়লা পানী পৰিশোধন গোট স্থাপন কৰিছে আৰু এইটোৰেই সুচাৰু ৰূপে কাম কৰি আছে। ৰুদ্ৰসাগৰ আৰু বৰহোলা ক্ষেত্ৰৰ বাবে ময়লা পানী পৰি-শোধন কাম তেল আৰু প্ৰাকৃতিক গেচ আয়োগৰ ৰূপাঙ্কন কৰা অৱস্থাত আছে। অসম পানী প্ৰদূষণ আৰু নিয়ন্ত্ৰণ পৰিষদে এই ময়লা পানীৰ পৰিশোধন গোট বৰহোলা আৰু ৰুদ্ৰসাগৰৰ কাৰণেও সোনকালে স্থাপন কৰিব লাগে বুলি জোৰ দি আছে। পৰিৱেশ সম্পৰ্কে জনসাধাৰণক সজাগ কৰিবলৈও ব্যৱস্থা লব খোজা হৈছে।

( ভইচ ঃ আমাৰ চাপ্লিমেণ্টেৰী আছে )

( প্ৰশ্নটো এনেকুৱা যে উত্তৰ দীঘল হবই—হাহি )।

শ্ৰীজয়নাথ শৰ্মা ঃ আমাৰ চাপ্লিমেণ্টেৰী প্ৰশ্ন কৰিবলগীয়া আছে

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) ঃ পৰিপূৰক প্ৰশ্ন যাতে আৰু নাহে তাৰ বাবেই মই খৰচি মাৰি উত্তৰ দিব বিচাৰিছো। পৰিৱেশ সম্পৰ্কে আমি সম্পূৰ্ণ সজাগ। এই বিষয়ে ব্যৱস্থা লবলৈ আমি ইতিমধ্যে আঁচনি কৰিছো আৰু দ্ৰুতগতিত ব্যৱস্থা লৈছো। মাননীয় সদস্য সকলক জ্ঞাতাৰ্থে জনাও যে আমি পৰিৱেশ সম্পৰ্কে সম্পূৰ্ণ সজাগ।

বিঃ বিলাসীপাৰা কৃষি মহকুমা উদ্বোধন

শ্ৰীইউচুফ আলী আহমেদে সুধিছে ঃ

*১০২। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

যোৱা ১৩-৬-৮৬ ইং তাৰিখত বিলাসীপাৰাত নতুনকৈ কৃষি মহকুমা উদ্বোধন কৰিবলৈ যোৱা কাৰ্য্যসূচীটো চৰকাৰী নে বেচৰকাৰী আছিল ?

শ্ৰীনীলমনি দাস (কৃষি মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

১০২। বিলাসীপাৰা কৃষি মহকুমা উদ্বোধন কাৰ্য্যসূচীটো চৰকাৰী ভাৱে আয়োজন কৰা হৈছিল। সেই সন্দৰ্ভত এই কাৰ্য্যসূচী চৰকাৰী আছিল।

শ্ৰীইউচুফ আলী আহমেদ ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে কাৰ্য্যসূচী চৰকাৰী আছিল। মই জানিব পাৰোনে যে এই কাৰ্য্যসূচীৰ কাৰণে স্থানীয় বিধায়কক খবৰ দিয়া হৈছিলনে ?

শ্ৰীনীলমনি দাস ( কৃষি মন্ত্ৰী ) ঃ মাননীয় অধ্যক্ষ মহোদয়, উক্ত কাৰ্য্যসূচীত মাননীয় বিধায়ক শ্ৰীইউচুফ আলী আহমেদ ডাঙৰীয়াও উপস্থিত আছিল। ইয়াৰোপৰি বিভাগীয় ও প্ৰশাসনীয় বিষয়া সকলো উপস্থিত আছিল। আনহাতে স্থানীয় কৃষক ৰাইজো উপস্থিত আছিল।

বিঃ খাবলং জলসিঞ্চন আঁচনি

শ্ৰীমহেন্দ্ৰমোহন ৰায়চৌধুৰীয়ে সুধিছে ঃ

*১০৩। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) দৰং জিলাৰ কলাইগাওঁ সমষ্টিৰ অন্তৰ্গত খাবলং জলসিঞ্চন আঁচনিখন বৰ্ত্তমান কি পৰ্য্যায়ত আছে জনাবনে ?

(খ) এই আঁচনিখনৰ বাবে নিৰ্দ্ধাৰিত সময় সীমা আছিলনে ?

(গ) যদি আছিল, সেই নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত আঁচনিখন কাৰ্য্যকৰী নোহোৱাৰ কাৰণটো জনাবনে ?

শ্ৰীপবিন চন্দ্ৰ ডেকা (জলসিঞ্চন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে—

১০৩। (ক)—বৰ্ত্তমান আঁচনিখনৰ নিৰ্মাণৰ কাম চলি আছে।

(খ)—হয়, আছিল।

(গ)—তলত উল্লেখ কৰা কাৰণ সমূহৰ কাৰণে আঁচনিখন নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত সম্পূৰ্ণ নহল।

১। মুখ্য বান্ধ নিৰ্মাণ স্থানৰ ঠায়ে ঠায়ে বিশেষ কাৰিকৰী কৌশল অৱলম্বন কৰি মাটিৰ বহন ক্ষমতা বঢ়াবলগীয়া হয়।

২। নিৰ্মাণ কাৰ্য্য চলি থকা সময়ত নিৰ্মাণ স্থানত ভূগৰ্ভৰ পৰা অত্যাধিক পানী ওলোৱাৰ কাৰণে কামৰ অগ্ৰগতি ব্যাহত হয়।

৩। প্ৰাক্কলন মতে কৰিবলগীয়া নামনিৰ পকী আৱৰণী বেৰ (দাউন ষ্ট্ৰীম চেনটেইন ৱাল) খলাই চটিয়া খুটা (চিট পাইল) পুতিব লগীয়া হয়।

৪। আৱশ্যকীয় সময়ত নিৰ্মাণৰ বান্ধ বিলাতী মাটিৰ সাময়িক নাটনি হয়।

শ্ৰীমহেন্দ্ৰ মোহন ৰায়চৌধুৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে এই আঁচনিখনৰ কাৰণে কিমান ধন ধাৰ্য্য কৰা হৈছিল ?

শ্ৰীপবিন চন্দ্ৰ ডেকা (জলসিঞ্চন মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীৰ প্ৰশ্নৰ উত্তৰত মই জনাও যে দৰং জিলাৰ কলাইগাওঁ সমষ্টিৰ এই জলসিঞ্চন প্ৰকল্পটোৰ কাৰণে ১৯৮২ চনত ১৩ কোটি ৮১ হেজাৰ টকাৰ প্ৰশাসনিক অনুমোদন চৰকাৰৰ পৰা পোৱা হয়। এই আঁচনিৰ অন্তৰ্গত

মুঠ ৪৫০ হেক্টৰ মাটিত জলসিঞ্চনৰ সুবিধা দিব পৰা হব বুলি ঠাৱৰ কৰা হৈছে। বৰ্তমানলৈকে এই আঁচনিৰ প্ৰায় শতকৰা ৭০ ভাগ কাম সম্পূৰ্ণ কৰা হৈছে বাকী থকা ৩০ শতাংশ কাম ১৯৮৭ চনৰ মাজ ভাগত সম্পূৰ্ণ কৰিব পৰা হব। ১৯৮৮ চনত এই প্ৰকল্পটোৰ কাম সম্পুৰ্ণ হব বুলি ভবা হৈছে। ইয়াৰ কাৰণে ২০ লাখ ৬৬ হেজাৰ ১১১ টকা ইতিমধ্যে খৰচো কৰা হৈছে। আৰু ইয়াৰ বাবে প্ৰাক্কলন প্ৰস্তুত কৰি থকা হৈছে।

শ্ৰীমহেন্দ্ৰ মোহন ৰায়চৌধুৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাবনে কি যে এতিয়া যিহেতু এই আঁচনিৰ কাম সম্পূৰ্ণ হোৱা নাই সেয়ে তাত মীন মহল কৰিবলৈ দিয়া হৈছে নেকি?

শ্ৰীপবিন চন্দ্ৰ ডেকা (জলসিঞ্চন মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, তেনে খবৰ মোৰ হাতত বৰ্তমান নাই।

শ্ৰীজয়নাথ শৰ্মা ঃ অধ্যক্ষ মহোদয়, এই আঁচনিৰ কাম সদ্যহতে কিমান থিনি সম্পূৰ্ণ হৈছে জনাব নেকি?

শ্ৰীপবিন চন্দ্ৰ ডেকা ( জলসিঞ্চন মন্ত্ৰী ) ঃ অধ্যক্ষ মহোদয়, মই এই প্ৰশ্নৰ উত্তৰ ইতিমধ্যেই দিছো। এই আঁচনিৰ শতকৰা ৭০ ভাগ কাম সম্পূৰ্ণ হৈছে।

Re : Prevention against AIDS

Shri ARDHENDU KUMAR DEY asked :

*104. Will the Minister, Health be pleased to state—

(a) Whether any prevention has been taken in this State against AIDS ?

(b) If the answer is affirmative where and how ?

Shri CHANDRA MOHAN PATOWARY (Minister, Health & F.W. ) replied :

104. (a) Yes.

(b) An AIDS Cell has been established in the Directorate of Health Services, Assam, Hengrabari. A surveillance Centre under National AIDS Control strategy has been allotted at Guwahati Medical College by Government of India.

Dr. Ardhendu Kumar Dey : Mr. Speaker, Sir, will the Hon'ble Minister say whether there is any incident of AIDS within the State ?

Shri Chandra Mohan Patowari, (Minister) ; We have not found any specific case till date.

Dr. Ardhendu Kumar Dey : Sir, my question was whether there was any incident of AIDS. AIDS is AIDS and there cannot be any question of specific case or non-specific case.

Shri Chandra Mohan Patowari ( Minister ) ; Sir, the particular word 'specific' is being used by me because in papers and Magazines we often come across the information that some persons have become victims of AIDS but we have not any specific case afflicted with this disease.

Mr. Speaker : Next Question.

Dr. Ardhendu Kumar Dey : Sir, I have a very important supplementary question.

Mr. Speaker : Next question please.

বি ঃ দেউপাহাৰ আৰু শিৱ মন্দিৰ

শ্ৰীবলোভদ্ৰ তামুলীয়ে সুধিছে ঃ

*১০৫। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) নুমলীগড়ৰ ওচৰত থকা দেউপাহাৰ আৰু শিৱ মন্দিৰৰ পূৰাতাত্বিক গুৰুত্বৰ বিষয়ে চৰকাৰ অৱগতনে ?

(খ) এই সম্পদ সমূহ সংৰক্ষণ কৰাৰ কিবা আঁচনি চৰকাৰৰ হাতত আছেনে ?

(গ) যদি নাই সোনকালে লোৱাৰ ব্যৱস্থা হাতত লবনে ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১০৫। (ক) হয়।

(খ) আছে।

(গ) প্ৰশ্ন নুঠে।

শ্ৰীবলোভদ্ৰ তামুলী ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা মই জানিব বিচাৰিছো—নুমলিগড়ৰ ওচৰত থকা দেউপাহাৰত পোৱা পূৰণি ভগ্নাৱশেষবোৰ ওচৰ-পাজৰৰ মানুহে এটুকুৰা এটুকুৰাকৈ বুটলি নি শেষ কৰিবলৈ ওলাইছে। ইয়াৰ তত্কালীন ৰক্ষণাবেক্ষণৰ ব্যৱস্থা কৰিব নোৱাৰিনে ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, অসমত এতিয়ালৈকে আবিষ্কৃত হোৱা প্ৰচীন কীৰ্ত্তিচিন সমূহৰ সংৰক্ষণ আৰু পৰিবেশিক সৌন্দৰ্য্য বৰ্দ্ধনৰ বৃহৎ আঁচনি এই বিভাগে যুগুত কৰি থৈছে। এতিয়ালৈকে সংৰক্ষিত নোহোৱা কীৰ্ত্তিচিনবোৰ পৰ্য্যায়ক্ৰমে সংৰক্ষণৰ বাবে হাতত লোৱা হব। নুমলীগড়ত দেউপাহাৰ আৰু শিৱমন্দিৰৰ প্ৰত্নতাত্বিক এই আঁচনিৰ অন্তভূৰ্ক্ত হৈছে।

উল্লেখযোগ্য যে উক্ত শিৱমন্দিৰটো নতুন মন্দিৰ। ইয়াত থকা ধ্বংসাৱশেষ সমূহ প্ৰাচীন। গতিকে এই মন্দিৰৰ ক্ষেত্ৰত প্ৰাচীন ধ্বংসাৱশেষ সমূহৰহে যথাবিহিত সংৰক্ষণৰ ব্যৱস্থা লোৱা হব। মন্দিৰটোৰ ক্ষেত্ৰত প্ৰত্নতাত্বিক আইন অনুসৰি এই বিভাগৰ কৰিবলগীয়া একো নাই। এই ধ্বংসাৱশেষ সমূহ আনুমানিক খৃষ্টীয় দশম শতিকাৰ হব।

শ্ৰীবলোভদ্ৰ তামুলী ঃ মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে এই ধ্বংসাৱশেষৰ বহুতো অংশ তলে তলে নোহোৱা হৈ গৈছে। গতিকে আঁচনিখন আৰম্ভ কৰাৰ আগতেই ইয়াৰ বস্তুবোৰ যাতে কোনেও নিব নোৱাৰে তাৰ কাৰণে কিবা ব্যৱস্থা লবনে ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষামন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মই তেখেতক এই আশ্বাস দিছো যে ইয়াৰ বিহিত ব্যৱস্থা লম। অকল এইটোৱেই নহয় ইয়াৰ

উপৰিও মেৰঘৰ, সূৰ্য্য পাহাৰ আদি বিভিন্ন প্ৰত্নতাত্বিক ঠাই সমূহৰ যিবোৰ সম্পদ হেৰাই যাব ধৰিছে সেইবোৰ সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে। দেউপাহাৰ নুমলীগড় সম্পৰ্কত সদস্য গৰাকীয়ে যি প্ৰশ্ন কৰিছে সেই ক্ষেত্ৰত কটকটীয়া ব্যৱস্থা লোৱা হব বুলি মই আশ্বাস দিছো।

শ্ৰীবলোভদ্ৰ তামুলী : অধ্যক্ষ মহোদয়, নুমলীগড়টো ইতিমধ্যে বাগানৰ ভিতৰত পৰাৰ কাৰণে ইয়াক কাটি কাটি শেষ কৰিছে, ইয়াৰ কিবা ব্যৱস্থা কৰিবনে ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মই প্ৰথমেই উত্তৰ দিছো যে সকলোবোৰ প্ৰাচীন সম্পদৰ সংৰক্ষণৰ ব্যৱস্থা কৰা হব। নুমলীগড়, মোমাইকটা গড়, আৰু বুঢ়াবুঢ়ী গড় এইখিনি সংৰক্ষণৰ কাৰণে এখন বৃহৎ আঁচনি প্ৰস্তুত কৰি থকা হৈছে। এই আঁচনি অনুসৰিয়েই সকলো ব্যৱস্থা লোৱা হব।

শ্ৰীজয়নাল আবেদিন : মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যৰ বিভিন্ন ঠাইত থকা পুৰাতত্ব বিলাকৰ সংৰক্ষণৰ ব্যৱস্থা চৰকাৰে কৰিবনে ? মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে, ধুবুৰী জিলাৰ দক্ষিণপাৰে থকা বুঢ়াবুঢ়ী নামৰ থানখন অতি পুৰণি থান। এই থানখন ব্ৰহ্মপুত্ৰৰ গড়াখহনীয়াত নিশ্চিহ্ন হৈ যাব ধৰিছে। চৰকাৰে এই বিষয়ে কিবা খবৰ ৰাখিছে নেকি ? যদি চৰকাৰে এই সম্পৰ্কে খবৰ পাইছে তেনেহলে এই ঐতিহ্যপূৰ্ণ ঠাইখিনি ৰক্ষা কৰিবৰ কাৰণে চৰকাৰে কি ব্যৱস্থা লৈছে ?

শ্ৰীবৃন্দাবন গোস্বামী ( শিক্ষা মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে মই জানো আৰু মই অহা কালিলৈকে সেইফালে যাবৰ কাৰণে চিন্তা কৰিছো আমাৰ মহাদেউ পাহাৰ, সূৰ্য্য পাহাৰ আদিৰ কথা মই আগতেই কৈছো।

শ্ৰীৰত্নেশ্বৰ চৰকাৰ : উত্তৰ শালমৰা মহকুমাৰ অন্তৰ্গত ঘোৰামাৰাত মাটিৰ তলৰ পৰা আপোনা আপুনি এটা শিলৰ মূৰ্ত্তি উঠি আছে। এই সম্পৰ্কে মাননীয় মন্ত্ৰী মহোদয়ে চাবনে ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে

মই একো গম পোৱা নাই। আমাৰ বিভাগৰ জৰিয়তে মই খবৰ ল'ম।

কুমাৰ দীপক দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, মোমাইকটা গড়টোৰ কাৰণে কিবা ব্যৱস্থা লৈছে নেকি ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয় মোমাইকটা গড় বা অন্যান্য পুৰণি সম্পদ সমূহ ৰক্ষণা বেক্ষণ দিয়াৰ কথা মই আগতেই উল্লেখ কৰিছো।

শ্ৰীজয়নাথ শৰ্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, আজান ফকিৰৰ এটা মছজিদ শিৱসাগৰ জিলাত গড়াখহনীয়াত পৰি গৈছে। আজান ফকিৰৰ এই পূৰণি স্মৃতি চিহ্নটো ৰক্ষণা বেক্ষণ দিয়াৰ কাৰণে কিবা পৰিকল্পনা লৈছে নেকি ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে এইটো ভাল প্ৰশ্নই তুলিছে। তাত এখন দলঙৰ প্ৰয়োজন আছে। আজান ফকীৰ আমাৰ সংহতি সমন্বয়ৰ প্ৰতীক। আমি সেই ঠাই দোখৰ ৰক্ষণা-বেক্ষণ দিয়াৰ কাৰণে পৰিকল্পনা হাতত লব লাগিব।

শ্ৰীজয়নাথ শৰ্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, নদীয়ে খহাই নি আছে। মাননীয় মন্ত্ৰী মহোদয়ে কৈছে চিঠিও আহি আছে। গতিকে ব্ৰহ্মপুত্ৰৰ খহনীয়াৰ পৰা ৰক্ষা কৰিবলৈ সোনকালেই কিবা ব্যৱস্থা চৰকাৰে লব নেকি ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, গড়াখহনীয়াত কাজিৰঙাও পৰিছে। এই গড়াখহনীয়া বিলাকৰ সমস্যাৰ বিষয়ে মই বান নিয়ন্ত্ৰণ বিভাগৰ লগত যি কেইটা বিভাগ জড়িত আছে সেই কেইটা বিভাগৰ লগত যোগাযোগ কৰিম। অৱশ্যে গড়া খহনীয়া বিশ্বনাথটো হৈছে। সেয়েহে সংলিষ্ট বিভাগ সমূহক ব্যৱস্থা লবৰ কাৰণে আমি জনাম।

শ্ৰীঅমৃতলাল বসুমতাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, ডিমাপুৰ আৰু সাজপুৰৰ মাজত থকা সীমা যিহেতু সুৰক্ষিত হৈ থকা নাই সেই সীমা সুৰক্ষাৰ ব্যৱস্থা চৰকাৰে কৰিবনে ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) : এতিয়া ডিমাপুৰ খন আমাৰ ৰাজ্যৰ

ভিতৰত নপৰে। আমি ডিমাপুৰ সংৰক্ষণৰ কাৰণে সংলিষ্ট চৰকাৰৰ লগত যোগাযোগ কৰিব পাৰিম। ডিমাপুৰ, সাজপুৰ, মাইবং আদি এই গোটেই অঞ্চল সংৰক্ষণৰ কাৰণে আলোচনা-বিলোচনা কৰি বিস্তৃত আঁচনি লোৱাৰ কাৰণে বিবেচনা কৰা হব।

Starrted question No. 106 was not put and answered as the hon. questioner was absent.

Re : Lowaipowa-Konmoon Road

Shri MANILAL GOWALA asked :

*107 Will the Minister, P.W.D. be pleased to state—

(a) Whether the Lowaipowa Konmoon Road under Karimganj P.W.D. Division is taken up by the N.E.C. for black topping ?

(b) If so, when does the Government propose to start the work since the present condition of that road is very deplorable ?

(c) If not, what measures does the Government Contemplate for the improvement of that road ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১০৭। (ক) হয় লৈছে।

(খ)—প্ৰথম ১০ (দহ) কিলোমিটাৰ পথ উন্নয়নৰ কাৰণে অলপতে ঠিকাদাৰ নিৰ্বাচন কৰি কামৰ আৰম্ভন কৰা হৈছে।

(গ) এনে প্ৰশ্ন নুঠে।

Shri Manilal Gowala : May I know from the Hon'ble Minister, Irrigation what is the amount sanctioned for the scheme ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী মন্ত্ৰী) ঃ প্ৰায় ৮৭ লাখ মান হব।

বি ঃ মানকাচাৰত গভীৰ নলীনাদ

শ্ৰীআমিনুল ইছলামে সুধিছে ঃ

*১০৮। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) মানকাচাৰ সমষ্টিৰ কৃষক সকলে ব্যপক ভাবে কৃষি উৎপদান বঢ়োৱাৰ বাবে বহুদিন আগতে Shallow Tubewell পাবলৈ বিভাগীয় কৰ্তৃপক্ষৰ ওচৰত আবেদন কৰি অহা কথাটো সঁচানে ?

(খ) উক্ত আবেদন সমূহ যোৱা ৬ মাহ ধৰি চৰকাৰৰ বিবেচনাধীন হৈয়ে থকা বুলি উঠা অভিযোগটোও সঁচানে ?

(গ) যদি সচা, তেন্তে অতি সোনকালে উক্ত আবেদন সমূহ বিবেচনা কৰি কৃষক সকললৈ অগভীৰ নলীনাদ দিয়াৰ ব্যৱস্থা কৰা হবনে ?

শ্ৰীপবিন চন্দ্ৰ ডেকা (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১০৮। (ক)—১৯৮৫-৮৬ চনৰ মানকাচাৰ সমষ্টিৰ কৃষকৰ পৰা অগভীৰ নলীনাদ আৰু উত্তোলন কেন্দ্ৰৰ কাৰণে মুঠ ৩৮৩ খন আবেদন পত্ৰ পোৱা হৈছিল।

(খ)—সঁচা, কৃষকৰ পৰা পোৱা আবেদন পত্ৰ সমূহৰ সৰহ সংখ্যক (৩২৮ খন) স্থানীয় উপপ্ৰতি সমাহৰ্ত্তা (S. D. C.) Mancachar) সহকাৰী বন্দোবস্তী প্ৰাধীকাৰী (Asstt. Settlement Officer Dhubri) আৰু খন্দ উন্নয়ন বিষয়া B. D. O. Jungle Block Mancacher) ৰ কাৰ্য্যালয়ৰ পৰা প্ৰয়োজনীয় প্ৰমাণ পত্ৰৰ সৈতে উভোতাই পোৱা হোৱা নাই।

(গ)—হয়, বিধিমতে প্ৰয়োজনীয় উপৰোক্ত প্ৰমাণ পত্ৰ সমূহ পোৱাৰ পিচত আৰু গাওঁ উন্নয়ন বিভাগৰ পৰা প্ৰণগ্য ৰাজ সাহায্যৰ অনুমোদন পোৱাৰ পিচত অগভীৰ নলীনাদ সমূহ দিয়াৰ ব্যৱস্থা কৰা হব।

শ্ৰীআমিনুল ইচলাম ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে

উত্তৰত জনোৱা মতে কৃষকৰ পৰা পোৱা আবেদন পত্ৰ সমূহৰ সৰহ সংখ্যক স্থানীয় উপপ্ৰতি সমাহৰ্ত্তা সহকাৰী বন্দোৱস্তী প্ৰাধীকাৰী আৰু খণ্ড উন্নয়ন বিষয়াৰ কাৰ্য্যালয়ৰ পৰা প্ৰয়োজনীয় প্ৰমাণ পত্ৰৰ সৈতে উভোতাই পোৱা হোৱা নাই। যদি প্ৰমাণ পত্ৰ এবছৰলৈকে নাপায় তেতিয়ালৈকে অগভীৰ নলী নাদ পাব নোৱাৰেনে ?

শ্ৰীপবিন চন্দ্ৰ ডেকা (জলসিঞ্চন মন্ত্ৰী) ঃ এই ক্ষেত্ৰত যাতে আৰু পলম নহয় তাৰ কাৰণে বিহিত ব্যৱস্থা লোৱা হব।

শ্ৰীআমিনুল ইচলাম ঃ বৰ্ত্তমান খৰাং বতৰৰ পৰিপেক্ষিতাত এই নলী-নাদৰ প্ৰয়োজনতালৈ লক্ষ্য ৰাখি এই সম্পৰ্কত পৰিকল্পনা হাতত লোৱাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীপবিন চন্দ্ৰ ডেকা (জলসিঞ্চন মন্ত্ৰী) ঃ বিষয়টো বিবেচনা কৰি চাব লাগিব।

শ্ৰীজয়নাল আবেদীন ঃ মানকাচাৰ আৰু দক্ষিণ শালমাৰা অঞ্চলৰ বাইজে অগভীৰ নলীনাদ বিচাৰিছিল আৰু চৰকাৰী পক্ষৰ পৰা কিছুমান দিপ-টিউব ওৱেল আৰু চেলো টিউব ওৱেল চেংশ্যন হোৱা অৱস্থাত বা অৰ্দ্ধ চেংশ্যন হোৱা অৱস্থাত আছে বলদমাৰীত ৪ বছৰ আগতে এটা দিপ-টিউব ওৱেল বহুৱাৰ কাম আৰম্ভ কৰা হৈছিল কিন্তু সেইটো এতিয়া তেনেকৈ পৰি আছে। মাননীয় মন্ত্ৰী মহোদয়ে এই খৰাং বতৰৰ অস্বাভাবিক পৰিস্থিতিৰ কাৰণে এই সকলো বিলাক নলী-নাদ বহুৱাৰ ব্যৱস্থা কৰিব নেকি ?

শ্ৰীপবিন চন্দ্ৰ ডেকা (জলসিঞ্চন মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যখনত অকল মানকাচাৰেই নহয় সমগ্ৰ ৰাজ্যখনতেই প্ৰায় ৬ শ মান জলসিঞ্চন আঁচনি এনে ধৰণে অসম্পূৰ্ণ হৈ আছে। আৰু এই কথাটো চৰকাৰৰ বিবেচনাধীন হৈ আছে। তাৰোপৰি এই খৰাং পৰিস্থিতিৰ কাৰণে কিছুমান অতিৰিক্ত ব্যৱস্থা লবলৈ বিচৰা হৈছে। কিন্তু ৰাজ্যখনৰ এনে বিত্তিয় ব্যৱস্থা নাই, যাৰ কাৰণে ৰাজ্যখনৰ সকলো বিলাক ঠাইত এই বিলাক ব্যৱস্থা কৰিব পৰা নাই। গতিকে ৰাজ্যখনৰ পাম্প বা অন্যান্য আঁচনিৰ জৰীয়তে পানী যোগান ধৰা ব্যৱস্থা কৰিবলৈ চেষ্টা কৰি থকা হৈছে।

শ্ৰীবলোভদ্ৰ তামুলী ঃ আমি যি দেখিছো এই অগভীৰ নলী নাদ বিলাক পানী যোগানৰ কাৰণে অকাৰ্য্যকৰী হৈছে, গতিকে গভীৰ নলী-নাদ বহুৱাৰ কথা চিন্তা কৰিব নোৱাৰি নে ?

শ্ৰীপবিন চন্দ্ৰ ডেকা (জলসিঞ্চন মন্ত্ৰী) ঃ এই বিষয়ে বিভিন্ন ধৰণৰ অনুসন্ধান কাৰ্য্য চলি আছে । যেনে ক'ত ক'ত নলী নাদত পানী আছে নে নাই আৰু ২য় প্ৰশ্নটো হৈছে ক'ত দিলে ভাল হব । নতুন বছৰত যিবিলাক আঁচনি লোৱা হৈছে সেইবিলাক ক্ষেত্ৰত আটাইবিলাক দিশ পৰ্য্যালোচনা কৰি লোৱা হৈছে । তাৰোপৰি এই বিত্তিয় বছৰত যিবিলাক লোৱা হব সেই বিলাকৰ ক্ষেত্ৰত সকলো বিলাক দিশ চালি-জাৰি চোৱা হব ।

শ্ৰীজয়নাথ শৰ্মা ঃ মন্ত্ৰী মহোদয়ে উত্তৰত কৈছে যে খৰাং বতৰৰ পৰিপেক্ষিতত গোটেই অসমতে অগভীৰ নলী নাদৰ ব্যৱস্থা কৰিব আমি জনাত চৰকাৰৰ ফালৰ পৰা ৪০ টা চেলো টিউব ওৱেলৰ প্ৰস্তাৱ আছে তেনে ক্ষেত্ৰত এই নলী নাদ বিলাক কেতিয়া মাটিত বহুৱাব আৰু পানী কেতিয়া ওলাব ?

শ্ৰীপবিন চন্দ্ৰ ডেকা (জলসিঞ্চন মন্ত্ৰী) ঃ এই ক্ষেত্ৰত যিমান সোনকালে পৰা যায় সিমান সোনকালে পানী যোগান ধৰাৰ ব্যৱস্থা কৰা হব ।

Shri Abdul Rob Laskar : May I know from the Hon'ble Minister whether those deep tube wells operated in some places in the district of Cachar will soon be supplied with the transfromer ?

Shri Pabin Ch. Deka, (Minister) : Mr. Speaker Sir, if such things happened, we will definitely look into it and will try to remove this immediately.

শ্ৰীমহেন্দ্ৰ মোহন ৰায়চৌধুৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, যিহেতু অগভীৰ নলী নাদ বহুৱাত বিভিন্ন ঠাইত অকাৰ্য্যকৰী হৈছে তেনে ক্ষেত্ৰত খৰাং বতৰলৈ চাই তাত আইৰণ ফিলটাৰৰ ব্যৱস্থা কৰিলে এই নলী-নাদ বহুৱাত ভাল ফল লাভ কৰিব, গতিকে আইৰণ ফিলটাৰৰ ব্যৱস্থা কৰিব নেকি ?

শ্ৰীপবিন চন্দ্ৰ ডেকা (জলসিঞ্চন মন্ত্ৰী) ঃ এতিয়াৰ পৰা যি আঁচনি লোৱা হব সেইবিলাক যাতে পৰিকল্পিত ভাবে লোৱা হয় আৰু ক'ত কেনে ভাবে পানী ওলাব

আৰু কোন কোন ঠাইত পানী ওলোৱাৰ সম্ভাৱনা আছে আৰু ক'ত নাই ইত্যাদি সকলো দিশ পৰীক্ষা কৰি তাৰ বিহিত ব্যৱস্থা লৈহে আঁচনি বিলাক লোৱা হব বুলি আশ্বাস দিব পাৰো।

বি ঃ মঠ মন্দিৰ সংৰক্ষণ

শ্ৰীজয়নাথ শৰ্মাই সুধিছে ঃ

*১০৯। মাননীয় প্ৰতত্ত্ব বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি উত্তৰ দিবনে—

(ক) আহোম স্বৰ্গদেৱ আৰু কোচ ৰজা সকলে অসমৰ বিভিন্ন ঠাইত মঠ, মন্দিৰ, দেৱালয়, পুখুৰী আদি নিৰ্মাণ কৰি থৈ যোৱা কথা চৰকাৰে জানেনে?

(খ) এই পুৰণি গৌৰৱ পূৰ্ণ স্মৃতি চিহ্ন সমূহ সংৰক্ষণৰ বাবে চৰকাৰে কি কি ব্যৱস্থা লৈছে?

(গ) কেন্দ্ৰীয় চৰকাৰৰ অনুমতি নোলোৱাকৈ এই স্মৃতিবোৰ সংৰক্ষণৰ অৰ্থে অসম চৰকাৰে নিজাববীয়াকৈ কিবা ব্যৱস্থা লব পাৰেনে?

(ঘ) ৰংঘৰ, কাৰেংঘৰ আদিৰ চৌহদ ৰক্ষাৰ বাবে চৰকাৰে কি ব্যৱস্থা লৈছে জনাবনে?

(ঙ) কাৰেংঘৰৰ সমীপস্থ খাৱবাৰুদৰ যিটো ঘৰ আছে তাৰ সন্মুখৰ মাটি বেদখল হৈছে নেকি?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে :

১০৯। (ক)—হয়, জানে।

(খ)—(১) যিবোৰ কীৰ্তিচিন সম্পূৰ্ণ মেৰামতি কৰি আগৰ আকৃতি লৈ (অৰিজিনেল) আনিব পাৰি, সেইবোৰৰ ক্ষেত্ৰত সম্পূৰ্ণ মেৰামতি কৰা হয়।

(২) যিবোৰৰ ক্ষেত্ৰত সেয়া সম্ভৱ নহয় সেইবোৰৰ ক্ষেত্ৰত কীৰ্তিচিনবোৰ নূন্যতম মেৰামতি কৰি ভৱিষ্যতে যাতে আৰু বেছি ক্ষয় ক্ষতি নহয় তাৰ ব্যৱস্থা কৰা হয়। (৩) যিবোৰ কীৰ্তিচিন সম্পূৰ্ণৰূপে ধ্বংসপ্ৰাপ্ত হৈ সিচৰতি হৈ বা স্তূপীকৃত হৈ থাকে, সেইবোৰক যথাস্থানত ভালদৰে সজাই মুকলি সংগ্ৰহালয় (open air museum) ৰ নিচিনাকৈ ৰখা হয়। (৪) অৱস্থা বিশেষে নিৰাপত্তাৰ খাতিৰত কোনো কোনো ক্ষেত্ৰত কীৰ্তি চিনৰ গাঠনিৰ অংশ সমূহ (architectural components) বা ভাস্কৰ্য সমূহ (sculptural components) মূলস্থান (original site) ৰ পৰা আতৰাই আনি নিৰাপদ জনক ঠাইত সংৰক্ষণ কৰা হয়।

(গ)—কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা সংৰক্ষিত কীৰ্তি চিন সমূহৰ বাহিৰে আন বাকী থকা কীৰ্তি চিন সমূহ ৰাজ্যিক চৰকাৰে সংৰক্ষণ কৰাত কোনো বাধা নাই।

(ঘ)—ৰংঘৰ, কাৰেংঘৰ কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা সংৰক্ষিত।

(ঙ)—হোৱা নাই।

শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰত জনোৱা মতে আহোম স্বৰ্গদেও কোচ ৰজা সকলে অসমৰ বিভিন্ন ঠাইত মঠ, মন্দিৰ, দেৱালয়, পুখুৰী আদি পুৰণি কীৰ্ত্তি সজাই পৰাই ৰখাৰ কাৰণে ব্যৱস্থা লোৱা হব। কিন্তু মঙ্গলদৈত তেনে ৰাজবংশীয় কিছুমান কীৰ্ত্তি আছে। কেন্দ্ৰীয় চৰকাৰে এই মঠ মন্দিৰ কিছুমান নিজে সংৰক্ষণ কৰে আৰু কিছুমান ৰাজ্যিক চৰকাৰে বুলি কৈছে। সেইদৰে মঙ্গলদৈত হৈছে নে নাই? মোৰ প্ৰশ্নটো হ'ল এই পুৰণি মঠ মন্দিৰবোৰ আৰু কীৰ্ত্তি চিনবোৰ কোন কোন ঠাইত মেৰামতি কৰা হৈছে? কিয়নো যোৱা ৩৮ বছৰে এই ক্ষেত্ৰত চৰকাৰে ফাকী দি থাকিলে। এতিয়াও যদি ফাকি দি থাকে ৰাইজে বেয়া পাব। গতিকে মই জানিব বিচাৰো ইতিমধ্যে কোন কোন ঠাইত এই মেৰামতিৰ ব্যৱস্থা লোৱা হৈছে?

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী): অধ্যক্ষ মহোদয়, মেৰামতি কৰা ব্যৱস্থাৰ ক্ষেত্ৰত প্ৰথমতে আমি জানিব লাগিব ৰাজ্য চৰকাৰৰ কৰ্তৃত্ব কিমানখিনি

আছে আৰু কেন্দ্ৰীয় চৰকাৰৰ কিমানখিনি আছে আৰু সেই ক্ষেত্ৰত কি ব্যৱস্থা লোৱা হৈছে সেই বিষয়ে অৱগত হলেহে প্ৰশ্নৰ সঠিকভাবে উত্তৰ দিবলৈ সুবিধা হব। সেই কাৰণে মই কথাখিনি আগতে কৈ লব বিচাৰিছো। প্ৰাচীন কীৰ্ত্তিচিহ্ন সমূহৰ সংৰক্ষণৰ ক্ষেত্ৰত দি আসাম এনচিয়েণ্ট মনোমেণ্টচ এক্ট এণ্ড ৰেকৰ্ডচ এক্ট মতে পুৰণি পুখুৰী প্ৰাচীন কীৰ্ত্তি চিহ্নৰ ভিতৰত নপৰে যদিও সময় সাপেক্ষে এইবোৰৰ সংৰক্ষণৰ ব্যৱস্থা হাতত লোৱা হব। ইতিমধ্যে এনেবোৰ পুখুৰী বা পুখুৰীৰ পাৰত নাইবা কীৰ্ত্তিচিহ্ন থকাৰ সম্ভাৱনা থকা সমূহ ঠাইত কাকো মাটি পট্টন নিদিবলৈ চৰকাৰে পাৰপত্ৰ জাৰি কৰিছে। আন হাতে কেন্দ্ৰীয় চৰকাৰৰ লগত বুজাপৰাৰ মাজেৰে কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা সংৰক্ষিত কীৰ্ত্তিচিহ্ন সমূহৰ ৰাজ্যিক চৰকাৰে সংৰক্ষণৰ কামত সহযোগ কৰিব পাৰে। উদাহৰণ স্বৰূপে ৰঙপুৰৰ কাৰেঙ ঘৰ ভালেখিনি সংৰক্ষণৰ কাম হৈছিল। সেই অনুযায়ী কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্যিক চৰকাৰৰ দ্বাৰা সংৰক্ষিত কীৰ্ত্তি-চিহ্ন সমূহৰ দুখন পৃথক তালিকা মতে কাছাৰ জিলাত কেন্দ্ৰীয় চৰকাৰৰ সংৰক্ষিত খাজপুৰত ৭টা কীৰ্ত্তিচিহ্ন অন্তৰ্ভুক্ত কৰা হৈছে। মিকিৰ পাহাৰ জিলা আৰু উত্তৰ কাছাৰ জিলাত ৬টা, মাইৰঙ তাৰ ভিতৰত পৰে। এই-বোৰৰ ৰক্ষণাবেক্ষণৰ ব্যৱস্থা কৰা হৈছে। একেদৰে শিৱসাগৰ জিলাত শিৱ-দৌল, বিষ্ণুদৌল আৰু দেৱী দৌল, গড়গাওঁ, গৌৰী সাগৰ, জয়সাগৰ, আৰু খাড় ঘৰ ইত্যাদি অন্তভুৰ্ক্ত কৰা হৈছে। কামৰূপতো কামাখ্যা, হাজো ইত্যাদি অন্তভুৰ্ক্ত কৰা হৈছে। এই কীৰ্ত্তি চিহ্নবোৰৰ যি ধৰণে ব্যৱস্থা লব লাগিছিল, সেই ধৰণে ব্যৱস্থা লোৱা হোৱা নাই। কিয়নো ইয়াৰ বেছি ভাগে কেন্দ্ৰীয় চৰকাৰৰ সংৰক্ষণত আছে। এই ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ দায়িত্ব আছে যদিও আটাইবোৰ ব্যৱস্থা লবলৈ আইন সংগত ভাবে সম্পূৰ্ণৰূপে কেন্দ্ৰীয় চৰকাৰলৈ লগত এই বিষয়টোৰ ব্যৱস্থা লবলৈ মাননীয় সদস্য সকলে যি উৎকণ্ঠা প্ৰকাশ কৰিছে তাৰ প্ৰতি লক্ষ্য ৰাখি অসম চৰকাৰে সাধ্যানুযায়ী কাম কৰিব।

শ্ৰীজয়নাথ শৰ্মা : অধ্যক্ষ মহোদয়, খাৰবাৰুদৰ যিটো ঘৰ আছে তাৰ সন্মুখৰ যি মাটি আছে বেদখল হৈছে নেকি? কিন্তু উত্তৰত হোৱা নাই বুলি কৈছে যদিও মই আজি দৃঢ়তাৰে সদনত কব পাৰো যে খাৰ বাৰুদৰ

চাৰিওফালে মাটি বেদখল হৈছে ! অকল বেদখলেই নহয় তাত বহি থকা মানুহ বিলাকে ৰাজহ বিভাগত দৰখাস্ত দাখিল কৰিছে। এই গোটেই বিষয় তদন্ত কৰিব নেকি ? দ্বিতীয় কথা হৈছে অকল ৰংঘৰ, কাৰেং ঘৰেই নহয় অসমৰ যিবিলাক পৌৰাণিক স্মৃতি চিহ্ন আছে সেইবিলাক কেন্দ্ৰীয় চৰকাৰে হস্তক্ষেপ কৰি এটা ষড়যন্ত্ৰ কৰিছে। তাৰোপৰি এই কীৰ্ত্তিচিহ্ন সমূহ সংৰক্ষণ কৰিম বুলি কেন্দ্ৰীয় চৰকাৰে ৰাজ্যিক চৰকাৰক হস্তক্ষেপ কৰি সংৰক্ষণ নকৰাকৈ এই কীৰ্ত্তি চিহ্ন সমূহ ধ্বংস কৰাৰ ষড়যন্ত্ৰ কৰিছে। ইয়াৰ তদন্ত কৰিবনে ? কোচ ৰজা সকলে মঙ্গলদৈত পাতি যোৱা যি ৰাজ হাউলী আছে, তাত যোৱা ৩৮ বছৰে চৰকাৰে একো কৰা নাই। ইয়াৰ সংৰক্ষণৰ কি ব্যৱস্থা লব ?

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, ৰংপুৰৰ কাৰেংঘৰৰ সমীপস্থ যিটো খাববাৰুদৰ ঘৰ (গোলাঘৰ) আছে, তাৰ মাটিত কোনো বেদখল হোৱা নাই। তাৰ আশে পাশে যি মাটিত ওচৰৰ ৰাইজে খেতি বাতি কৰিছে সেই মাটি কেন্দ্ৰীয় চৰকাৰৰ মাটি নহয়, ব্যক্তি বিশেষৰ পট্টাভুক্ত মাটিহে।

উল্লেখযোগ্য যে ৰংপুৰৰ কাৰেং ঘৰৰ চাৰিও ফালে থকা গড়ৰ ভিতৰত যি মাটি আছে, সেই গোটেইখিনি মাটি কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা সংৰক্ষিত নহয়। কিন্তু গোটেই অঞ্চলটো কেন্দ্ৰীয় চৰকাৰে ১৭।৫।৮৫ তাং অধ্যাদেশ জাৰী কৰি 'নিষিদ্ধ অঞ্চল' বুলি ঘোষণা কৰা বুলি কেন্দ্ৰীয় চৰকাৰৰ গুৱাহাটীত থকা আঞ্চলিক কাৰ্য্যালয়ৰ অধীক্ষকে আমাক জানিবলৈ দিছে আৰু এই ঘোষণাত কাৰোবাৰ কিবা আপত্তি থাকিলে দাখিল কৰিবলৈ কোৱা হৈছে। কেন্দ্ৰৰ সংৰক্ষিত কীৰ্ত্তিচিহ্ন সমূহৰ সৌন্দৰ্য্য বৰ্দ্ধণৰ বাবে বৃক্ষৰোপন আৰু ফলনি সজোৱাৰ পৰিকল্পনা কেন্দ্ৰীয় চৰকাৰৰ আছে। এই কথা আমাক কেন্দ্ৰীয় প্ৰত্নতত্ব জৰীপ বিভাগৰ অতিৰিক্ত মহানিৰ্দ্দেশকে গুৱাহাটীলৈ আহোতে আমাক ব্যক্তিগত ভাবে জানিবলৈ দিছিল।

কেন্দ্ৰীয় চৰকাৰে যি দায়িত্ব পালন কৰিব লাগিছিল কৰা নাই। এই পুৰণি ঐতিহ্যবোৰ ৰক্ষণা বেক্ষণৰ ক্ষেত্ৰত মাননীয় সদস্যাই একেদৰে কৈছে।

এই বিষয়ে আমিও কেন্দ্ৰীয় চৰকাৰৰ দৃষ্টিগোচৰ কৰিম। শিৱসাগৰৰ পুখুৰীৰ পাৰত থকা কীৰ্ত্তিচিহ্নবোৰৰ বিষয়ত আনি নিজে আঁচানি প্ৰস্তুত কৰিছো। আমাৰ চৰকাৰ গঠন হোৱাৰ পাচত বিভাগীয় কৰ্ত্তৃপক্ষৰ নিৰ্দ্দেশ দিয়া হৈছে। এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে কেতবোৰ আচনি বিবেচনা কৰিবলৈ বাধ্য হব। এই ক্ষেত্ৰত মাননীয় সদস্য গৰাকীক মই আশ্বাস দিছো মাটিৰ প্ৰশ্নটোত যি কোৱা হৈছে সেই মাটি ব্যক্তিগত মালিকৰহে, কেন্দ্ৰীয় চৰকাৰৰ অন্তৰ্ভুক্ত নহয়। সেইবিলাক ৰক্ষণা বেক্ষণৰ দায়িত্ব ৰাজ্য চৰকাৰে নিজে লব। মাননীয় সদস্য গৰাকীয়ে প্ৰশ্ন কৰা সকলোবোৰ ব্যৱস্থা লম।

শ্ৰীজয়নাথ শৰ্মা ঃ অধ্যক্ষ মহোদয়, এই ৰাজ হাউলীৰ মাটিৰ এটা তদন্ত মন্ত্ৰী মহোদয়ে কৰিব লাগে। মন্ত্ৰী মহোদয়ে সদনত আশ্বাস দিয়াতকৈ ৰংঘৰ, খাৰবাৰুদৰ ঘৰ, কাৰেংঘৰ, তলাতল ঘৰ ইত্যাদিৰ যিবিলাক বেদখল হৈছে, বেদখল উচ্ছেদ কৰিবৰ কাৰণে চৰকাৰে বিতং বিবেচনা কৰিবনে? দৰঙৰ কোচ ৰজা সকলৰ ৰাজ হাউলী সংৰক্ষণ কৰা বুলি আশ্বাস দিলেই নহয়। কেতিয়াৰ পৰা এই কাম চলিব?

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মই বিতংভাবে এই বিষয়ে ব্যাখ্যা কৰিছোৱেই আৰু এইবিলাক কৰা হব বুলি তেখেতক আশ্বাস দিছো।

শ্ৰীদিলীপ শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, বৰপেটা অঞ্চলত মহাত্মা গান্ধীৰ স্তম্ভ অনা হৈছিল। তাক প্ৰতিষ্ঠা কেতিয়া কৰিব মন্ত্ৰী মহোদয়ে জনাব নে?

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এই প্ৰশ্নটো সুকীয়া প্ৰশ্ন হিচাবে আহিলে উত্তৰ দিবলৈ সুবিধা হব।

শ্ৰীভবেন নাৰ্জ্জী ঃ মাননীয় অধ্যক্ষ মহোদয়, কোকৰাঝাৰত পুৰণি স্মৃতি চিহ্ন আছে। তাত চিকিমাঝাৰত পুখুৰী আছে। তাৰ ব্যৱস্থা কেতিয়া লোৱা হব মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, পুৰণা পুখুৰী সমূহ প্ৰাচীন

কীৰ্ত্তিচিহ্নৰ ভিতৰত পৰে যদিও সেইবিলাকৰ ওপৰত গুৰুত্ব ৰাখিহে চৰকাৰে ব্যৱস্থা লৈছে। যদি ব্যৱস্থা লব পৰা হৈ আছে নিশ্চই ব্যৱস্থা লম। মই এইটো কৈছো যে ৰংপুখুৰী প্ৰাচীন কীৰ্ত্তিচিহ্ন। এই বিলাকৰ সময় সাপেক্ষে ব্যৱস্থা হাতত লোৱা হব।

শ্ৰীঅমৃতলাল বসুমতাৰী ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে কোৱা মতে তাত পুখুৰী নাই।

শ্ৰীপ্ৰদীপ হাজৰিকা ঃ অধ্যক্ষ মহোদয়, আহোম স্বৰ্গদেউ সকলৰ যিবিলাক পুৰণা কীৰ্ত্তিচিহ্ন পুখুৰীৰ পাৰত আছে সেইবিলাক কেনে ধৰণে ব্যৱস্থা লৈছে? দেওঘৰীয়াত হিন্দু পীঠ, ৰামকাপীঠ দেৱালয় ব্ৰহ্মপুত্ৰত জাহ যাব ধৰিছে। এইবিলাকৰ কি ব্যৱস্থা লব মন্ত্ৰী মহোদয়ে জনাব নে?

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এই গোটেই প্ৰশ্ন বিলাক সুকীয়া সুকীয়াকৈ আহিলে উত্তৰ দিবলৈ সুবিধা হয়। মাননীয় সদস্য সকলে যিবিলাক প্ৰশ্ন উৎথাপন কৰিছে সেইবিলাকৰ ব্যৱস্থা লোৱা হব। এই বিষয়ে আঁচনি প্ৰস্তুত কৰা হৈছে আৰু আটাইবিলাক ব্যৱস্থা লোৱা হব।

Re : Dispensary in Jhumkhaipara

Shri SHEIKH SAMAN ALI asked :

*110 Will the Minister, Health be pleased to state -

(a) Is there any State Dispensary within Gaon Panchayat area of Jhumkhaipara ?

(b) If not whether the Government will set up a 30 bedded Hospital or a PHC within the said Gaon Panchayat of Goalpara West Constituency in the current financial year?

Shri CHANDRA MOHAN PATOWARY (Minister, Health & F. W.) replied :

110. (a) – No,

(b) – No.

শ্ৰীশ্বেখ চামন আলীঃ অধ্যক্ষ মহোদয়, মন্ত্ৰীয়ে মোৰ প্ৰশ্নৰ উত্তৰত নো বুলি কৈছে, গাওঁ পঞ্চায়তৰ অন্তৰ্ভূক্ত এখন ঠাইত এখন ষ্টেট ডিচ্পেনচৰি নাই আৰু নহব বুলি কৈছে, নহব বুলি মন্ত্ৰী মহোদয়ে কিয় কলে জনাবনে ?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীৰ উত্তৰত মই কবলৈ বিচাৰিছো যে—বৰ্ত্তমান অসমৰ ৰাইজৰ দাবী আৰু 'ফিজিবিলিটি' লৈ লক্ষ্য কৰি ৩০ জনীয়া বিচনা যুক্ত ৫০ খন ৰাজ্যিক চিকিৎসালয় আৰু ১৫৬ খন পি এইচ, চি ইতিমধ্যে চিলেকচন কৰা হৈছে। গতিকে এই ক্ষেত্ৰত তেনে ধৰণৰ যিবিলাক ঠাই বিবেচনা কৰা হৈছে, তেখেতে উত্থাপন কৰা ঠাইতকৈ সেই খিনি বেছি প্ৰয়োজনীয় বুলি ভাবিছো। ইয়াৰ পিছৰ পৰ্য্যায়ত এই ঠাইখনৰ গুৰুত্ব দিয়া হব।

শ্ৰীশ্বেখ চামন আলী ঃ মন্ত্ৰী মহোদয়ে কৈছে যে ষ্টেট ডিচপেনচৰী বা পি এইচ ই কৰা নহব, যোৱা ৩৮ টা বছৰে এই গাওঁপঞ্চায়তৰ মানুহখিনিয়ে এখন ষ্টেট ডিচপেনচৰীও নাপালে। এই বাৰ এ জি পি চৰকাৰ অহাৰ পিচত এই মানুহ খিনিয়ে যি আশা কৰিছিল সেই আশা পূৰণ নহলে তেওঁলোক হতাশগ্ৰস্ত নহবনে ?

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মই ইতিমধ্যে কৈছোয়ে যে জনসাধাৰণৰ স্বাৰ্থ আৰু প্ৰয়োজনীয়তাৰ ওপৰত ভিত্তি কৰি ষ্টেট ডিচপেনচৰী বা পি এইচ ই দিয়া হয়। আৰু সেই বাবে এই বিলাক ঠাই নিৰ্ব্বাচিত কৰা হৈছে। প্ৰথম পৰ্য্যায়ত সেই গাওঁ পঞ্চায়ত খন নিৰ্ব্বাচিত নহয়, দ্বিতীয় পৰ্য্যায়ত বিবেচনা কৰা হ'ল।

শ্ৰীশ্বেখ চামন আলী ঃ এখন গাওঁ পঞ্চায়তত এখন ষ্টেট ডিচপেনচৰী পৰ্য্যন্ত নাই। এনে ক্ষেত্ৰত 'প্ৰায়ৰিটি' নাই বুলি মন্ত্ৰী মহোদয়ে কেনেকৈ কলে জনাবনে ?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ( মন্ত্ৰী ) ঃ অধ্যক্ষ মহোদয়, প্ৰায়ৰিটি নাই বুলি মই কোৱা নাই। তেখেতে এখন গাওঁ পঞ্চায়তৰ কথাহে কৈছে কিন্তু কৰবাত ২ খন গাওঁপঞ্চায়ত ভিতৰটো এটা ৰাষ্টা নাই। মানুহে দিনটোত এখন নদীকে

পাচ বাৰ মান পাৰ হৈ অহা যোৱা কৰিব লাগে। অধ্যক্ষ মহোদয়, আপুনি জানে যে অসমৰ স্বাস্থ্য মন্ত্ৰী নিজা সমষ্টিৰ নতুন দেৰৰ মৌজাত আজিলৈকে এখনো হস্পিটেল নাই।

শ্ৰীজয়নাথ শৰ্ম্মা ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাবনেকি যে স্বাধীনতাৰ পিচত এই বছৰে ৩০ খন বিচনা যুক্ত ৫০ খন হস্পিটাল আৰু ১৫৬ পি এইচ ই হোৱাৰ নজীৰ হব নে ? দ্বিতীয়তে তুনী বুলি এডোখৰ ঠাই ৫০ হাজাৰ মানুহৰ বসতী থকা অঞ্চলত স্বাধীনতাৰ পিচত আজিলৈকে এখনো স্বাস্থ্য সেৱা নাই মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীৰ প্ৰথম প্ৰশ্ন উত্তৰত কৈছো যে কোনো চৰকাৰে ৩০ খন বিচনা যুক্ত ৫০ খন হস্পিটেল আৰু ১৫৬ খন পি এইচ ই খুলিম বুলি ঘোষনা কৰিব পৰা নাছিল।

শ্ৰীজয়নাথ শৰ্ম্মা ঃ কিয় ?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ কিয়, মই উত্তৰ দিব নোৱাৰিম। তেখেতে বিচাৰে যদি আগৰ চৰকাৰৰ লগত যোগাযোগ কৰিলে ভাল হয়।

২ নং প্ৰশ্ন উত্তৰত মই কওঁ যে তুনী অঞ্চল সম্পৰ্কে ভৌগলীক জ্ঞান মোৰো আছে। সেই অঞ্চলৰ যাতায়তৰ ব্যৱস্থা বৰ বেয়া আৰু মানুহ যি কোনো কাৰণত মঙ্গলদৈলৈ আহিব লগা হয়। তাৰ পৰা মানুহে মোৰ ওচৰলৈ আহিছে, এই পিছপৰা অঞ্চলটো চৰকাৰে জানিবলৈ পাইছে আৰু তুনী অঞ্চলত এখন হস্পিটেল কৰাৰ কথা চৰকাৰে বিবেচনা কৰিব।

শ্ৰীমুক্তাৰ হুচেইন ঃ অধ্যক্ষ মহোদয়, কিমান জন জনসংখ্যাৰ ভিত্তীত এখন মেডিকেল কলেজ আৰু এখন চাব-চেণ্টাৰ কৰা হয় দ্বিতীয়তে এখন গাওঁপঞ্চায়তত যত এখন পি এইচ চি আৰু এখন ষ্টেট ডিচপেনচৰি আছে তাত জন সংখ্যাত কোনো সামঞ্জস্য নাই। এই চৰকাৰৰ দায়িত্ব কালৰ ভিতৰতে চৰকাৰী নমৰ্চ, নীতি মতে সামঞ্জস্যতা তুৰ কৰি জন সংখ্যাৰ ভিত্তীত মেডিকেল কলেজ চাব চেণ্টাৰ, পি এইচ চি খোলাৰ ব্যৱস্থা কৰিব এই আস্বাস দিবনে ?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ ইয়াৰ উত্তৰ মই দিব পাৰো কিন্তু নিদিওঁ। নিদিও এই কাৰণে ষ্টেট ডিস্পেনচেৰীলৈ পৰিপুৰক প্ৰশ্ন আহিব নোৱাৰে। ইয়াৰ বাবে বেলেগ প্ৰশ্ন দিলে ভাল হয়।

দ্বিতীয়তে কও যে ডিস্পেনচৰী খোলাৰ ক্ষেত্ৰত আগৰ যিটো নৰ্মচ সেইটো বৰ্ত্তমানৰ চৰকাৰে বিবেচনা কৰিব আৰু আমি কোনেও কোনো বৰ্ড খুলি, ব্যক্তিগত মানুহৰ স্বাৰ্থৰ কাৰণে কাম নকৰো। ৰাইজৰ প্ৰয়োজনীয়তা আৰু লাগতীয়াল বুলি বিবেচনা কৰিহে কাম কৰিম। তেখেতে যিটো অ-সামঞ্জস্যৰ কথা কৈছে অৰ্থাত এ জি পি চৰকাৰৰ দিনত ৰাইজ যিমান বিছাৰিছিল সিমান নাপালে বুলি সেইটো নহয় কৰবাত এ জি পি এম, এল, এ সমষ্টিতে এখনো পৰা নাই আৰু কৰবাত কংগ্ৰেছী এম, এল এ সমষ্টিতে ৫ খন কৈ পৰিছে। এইটো কেবল প্ৰয়োজনীয়তাৰ ভিত্তীতে হৈছে।

শ্ৰীজয়নাথ শৰ্ম্মা ঃ অসমত জনসংখ্যাৰ পিয়ল হোৱাই নাই। আগৰ ১ লাখৰ যিটো পিয়লৰ হিচাব সেইটো সংশোধন কৰিব লাগিব। তুনীতে এতিয়া প্ৰায় ১ লাখৰ ওপৰ।

Shri Ardhendu Kumar Dey:— Sir, it is found that Morigaon Sub-division is a buffer area so far as medical facilities are concerned. But it is seen that in comparison to Hojai Sub-Division allocation of fund for Medical Department to Morigaon Sub-Division is much more higher. Will the hon'ble Minister state what is the reason behind it ?

Shri Chandra Mohan Patowari (Minister):— It is a matter with the Planning Committee The hon'ble member may like to take up the matter with the Planning Committee.

Mr. Speaker:— Time for Starred Question is over. Now Short Notice Question.

Undisposed Starred Question dtd. 11. 8. 86.

বিঃ অবৈধভাবে কয়লাখনা কাৰ্য্য

শ্ৰীকুশ্বৰ টাই ৰাই (গগৈ) য়ে সুধিছে ঃ

* ১১১। মাননীয় খনি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) যোৱা মাৰ্চ্চ মাহত জয়পুৰ কলিয়াৰীৰ মেনেজাৰৰ তত্বাৱধানত নামৰূপৰ দিল্লী দলঙৰ তলত অবৈধভাৱে কয়লা খনা কথাটো চৰকাৰে জনাবনে ?

(খ) যদি জানে, কিমান হাজাৰ মেট্ৰিকটন আৰু ইয়াৰ মূল্য কিমান হব ?

(গ) উক্ত কয়লা খান্দিবলৈ চৰকাৰৰ পৰা অনুমতি লৈছিলনে ? কয়লা খন্দা ঠাইডোখৰ লিজত 'কল ইণ্ডিয়াই' অসম চৰকাৰৰ পৰা লৈছিল, অনুগ্ৰহ কৰি জনাবনে ?

(ঘ) উক্ত কাৰ্য্য ৰাইজে ধৰা পেলাই বন্ধ কৰিবৰ বাবে বিৰাট জনমত গঠন কৰি চৰকাৰক নীতিগত ভাৱে দৃষ্টি গোচৰ কৰিছিল নে ?

(ঙ) যদি কৰিছিল, এই সংক্ৰান্তত চৰকাৰে কি শাস্তি মূলক ব্যৱস্থা গ্ৰহণ কৰিলে অনুগ্ৰহ কৰি জনাবনে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (খনি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১১১। (ক)— নাজানে।

(খ)— নাজানে।

(গ)— অনুমতি লোৱা, নাই কয়লা খন্দা ঠাই ডোখৰ 'কল ইন্দিয়াৰ' নিজৰ ভিতৰত নে বাহিৰত জনা নাযায়।

(ঘ)— এই ক্ষেত্ৰত সংশ্লিষ্ট শক্তি আৰু খনি বিভাগক দৃষ্টি গোচৰ কৰা হোৱা নাই।

(ঙ)— কৰা নাই।

বিঃ চৰকাৰী নিগমৰ বাছৰ লোকচান

শ্ৰীদুৰ্গা দাস বড়োয়ে সুধিছে :

* ১১২। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) বৃহত্তৰ গুৱাহাটীত চলি থকা চৰকাৰী নিগমৰ বাছ সমূহত দৈনিক ২৫ হাজাৰ টকা লোকচান হোৱা কথাটো সচা নেকি ?

(খ) যদি সচা, চৰকাৰে ইয়াৰ বিহীত ব্যৱস্থা কি লৈছে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (পৰিবহন মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১১২। (ক)— ২৫ হাজাৰ টকাকৈ দৈনিক লোকচান হোৱা কথাটো সচা নহয়।

(খ) গুৱাহাটী মহানগৰীত ৰাজ্যিক পৰিবহন নিগমৰ চিটিবাছ সমূহত দৈনিক যি লোকচান হৈ আছে সেই সমূহ সীমিত কৰণৰ অৰ্থে নিগমে ইতি-মধ্যে ব্যৱস্থা গ্ৰহণ কৰিছে। এই ব্যৱস্থা অনুযায়ী নিগমৰ চিটি বাছত প্ৰতি কিলোমিটাৰ পথৰ বাবে হোৱা ব্যয় হ্ৰাস কৰি আয়ৰ হাৰ বৃদ্ধি কৰা হৈছে।

বিঃ স্বাস্থ্য পৰিবহন উপসঞ্চালক

শ্ৰীনৰেন তাঁতীয়ে সুধিছে ঃ

* ১১৩। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী অনুগ্ৰহ কৰি জনাবনে—

(ক) অসম চৰকাৰৰ স্বাস্থ্য পৰিবহন বিভাগৰ উপ সঞ্চালক পদটো ১৯৮৪ চনত সৃষ্টি কৰা হয় নে ?

(খ) যোৰহাট আঞ্চলিক কাৰখানাটোৰ বাহিৰে অসমৰ বাকী দুটা আঞ্চলিক কাৰখানা যথাক্ৰমে তেজপুৰ আৰু শিলচৰত উপ-সঞ্চালক পদটো আছে নে ?

(গ) যদি নাই, তেন্তে যোৰহাট কাৰখানাৰ বাবেহে এই পদটো সৃষ্টি কৰাৰ কাৰণ কি জনাবনে ?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (স্বাস্থ্য বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

১১৩ । (ক)—নহয় ।

(খ)—নাই ।

(গ)—স্বাস্থ্য পৰিবহন বিভাগটো উন্নতি বিস্তৃতকৰণ ব্যৱস্থাৰ প্ৰথম পদক্ষেপ ।

বিঃ বৰগোলাইত বিদ্যুত প্ৰকল্প

শ্ৰীঅমিয়া গগৈয়ে সুধিছে ঃ

* ১১৪। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসম বিদ্যুৎ পৰিষদে উজনি অসমৰ বৰগোলাইত এটা তাপবিদ্যুৎ প্ৰকল্প নিৰ্মাণৰ আঁচনি লোৱাৰ কথা চৰকাৰে জানেনে ?

(খ) যদি জানে, তেন্তে উক্ত প্ৰকল্পৰ কাম কি পৰ্য্যায়ত আছে ?

(গ) প্ৰকল্পটোৰ কাম ইতিমধ্যে আৰম্ভ হৈছে নেকি ?

(ঘ) বৰ্ত্তমান ৰাজ্যখনত বিদ্যুৎ শক্তিৰ নাটনিৰ কাৰণটো জনাবনে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (শক্তি বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

১১৪। (ক) হয়, জানে ।

(খ) কেন্দ্ৰীয় বিদ্যুৎ প্ৰাধিকৰণক (Central Electricity Authority) পৰিষদৰ পৰা পৰামৰ্শদাতা হিচাবে নিয়োগ কৰি প্ৰকল্পৰ প্ৰয়োজনীয় নক্সা নিবিদা তালিকা তৈয়াৰ কৰাৰ কাম দিয়া হৈছে। কিন্তু প্ৰয়োজনীয় নক্সা আদি এতিয়ালৈ পোৱা নাই, গতিকে কাম আৰম্ভ হোৱা নাই ।

(গ) প্ৰকল্পটোৰ সজাৰ কাম আৰম্ভ হোৱা নাই ।

(ঘ) এই বছৰৰ আৰম্ভনিতে ৰাজ্যখনত বিদ্যুৎৰ কিছু নাটনিয়ে দেখা দিছিল যদিও বৰ্ত্তমান এই পৰিস্থিতিৰ উন্নতি হৈছে আৰু জুলাই মাহৰ পৰা বিদ্যুৎ কৰ্তন উঠাই লোৱা হৈছে ।

বিদ্যুৎ নাটনিৰ মূল কাৰণ সমূহ আছিল—

১। চন্দ্ৰপুৰ তাপ বিদ্যুৎ কেন্দ্ৰৰ বাবে তেলৰ নাটনি।

২। নামৰূপ তাপবিদ্যুৎ কেন্দ্ৰৰ দুটাগোটৰ কেবুল (cable)ৰ বিজুতি।

৩। বঙ্গাইগাওঁৰ তিনিটা গোটৰ ভিতৰত দুটা গোটৰ অচলাৱস্থা আৰু ৩য় গোটৰ সঘনাই ঘটা বিজুতি।

৪। মেঘালয়, লোকটাক আৰু কপিলি জলবিদ্যুৎ কেন্দ্ৰ সমূহৰ পৰা বিদ্যুৎ আমদানিৰ হ্ৰাস।

বিঃ জনসংখ্যা ভিত্তিত নিযুক্তি

শ্ৰীমুক্তাৰ হুচেইনে সুধিছে :

* ১১৫। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) চৰকাৰে প্ৰাথমিক আৰু মজলীয়া বিদ্যালয়ৰ শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত অনুসূচীত জাতি, জনজাতি আৰু অন্যান্য সম্প্ৰদায়ৰ প্ৰাৰ্থীসকলক জনসংখ্যাৰ ভিত্তিত চাকৰিত নিযুক্তি দিব নে ?

(খ) যদি হয়, তেন্তে কোন সম্প্ৰদায়ক শতকৰা কিমান চাকৰি দিব অনুগ্ৰহ কৰি জনাবনে ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী)য়ে উত্তৰ দিছে :

১১৫। (ক) নিৰ্দ্ধাৰিত সংৰক্ষিত হাৰৰ ভিত্তিতে নিযুক্তিৰ নীতি অনুসৰণ কৰা হৈছে-জনসংখ্যাৰ ভিত্তিত নহয়।

(খ) প্ৰশ্ন নুঠে।

Re : Occupation of Circuit House

Shri SHIO SAMBHU OJAH asked :

★ 116. Will the Chief Minister be pleased to State—

(a) Who are the authorised persons who occupied the Circuit House at North Lakhimpur during the month of June, 1986 ?

(b) Is it a fact that two Ministers who visited North Lakhimpur during the month of June, 1986 could not be accommodated though the rooms were vacant ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মূখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে :

১১৬। (ক) ১৯৮৬ চনৰ জুন মাহত উত্তৰ লক্ষীমপুৰ আৱৰ্ত্ত ভৱনত থাকিবলৈ দিয়া ব্যক্তি সকলৰ নাম তলত দিয়া হ'ল ।

(১) শ্ৰীউৎপল দত্ত, ক্ৰীড়া আৰু যুব কল্যান বিভাগৰ ৰাজ্যিক মন্ত্ৰী,

(২) শ্ৰীভৰত নৰহ, বান বিভাগৰ প্ৰাক্তন মন্ত্ৰী,

(৩) শ্ৰীয়ে, চি, পেগু, এ, চি, এচ, অতিৰিক্ত আয়ুক্ত, নগাওঁ,

(৪) উপায়ুক্ত, পাচিঘাট, অৰুণাচল প্ৰদেশ ।

(৫) শ্ৰীএইচ. এম, বৰকাকটি, সহকাৰী ৰাজ্যিক আৰু দণ্ডসত্ৰ ন্যায়াধীন, বৰপেটা,

(৬) শ্ৰীযে, এন গগৈ, চিকিৎসা বিষয়া, উত্তৰ লক্ষীমপুৰ । অসামৰিক চিকিৎসালয় ।

(৭) শ্ৰীঅভিজিত শৰ্ম্মা, চিকিৎসা বিভাগৰ ৰাজ্যিক মন্ত্ৰী,

(৮) শ্ৰীএন, চি, শৰ্ম্মা, পৰিকল্পনা সঞ্চালক, আই, টি ডি পি ।

(খ) উত্তৰ লক্ষীমপুৰ আৱৰ্ত্ত ভৱনৰ ১নং আৰু ২নং কোঠালি দুটা ৰাজ্যিক কৃষি মন্ত্ৰী আৰু ক্ৰীড়া বিভাগৰ মন্ত্ৰী মহোদয়ৰ কাৰণে নিৰ্দ্দিষ্ট কৰা হৈছিল । কিন্তু কোঠালি দুটা লোকসভাৰ সদস্য শ্ৰীগকুল শইকীয়াৰ অনধিকাৰ দখলত থকা বাবে মাননীয় মন্ত্ৰী দুজনক আবৰ্ত্ত ভৱনত থাকিবলৈ কোঠালি দিব পৰা নহল ।

Re : Provincialisation of Homoeopathic College

Shri DINABONDHU CHOUDHURY asked :

★ 117. Will the Minister, Health be pleased to state—

(a) Whether the Homoeopathic Colleges of Assam are provincialised ?

(b) If not, whether the Government proposed to provincialise them in near future ?

(c) The number of Doctors so far produced by these Colleges ?

(d) Whether Government have any proposal to open Homoeopathic Dispensaries or Homoeopthic Sections in the Hospitals and Health Centres in Assam ?

Shri CHANDRA MOHAN PATOWARY (Minister, Health) replied :

117 (a) No.

(b) The matter is under consideration.

(c) 166 Nos. of D.H.M.S.

(d) Yes.

Re : Subdivisional Development Board for SC/ST & OBC

Shri DIGENDRA PURKAYASTHA asked :

★ 118. Will the Minister, Welfare of Plain Tribes & Backward Classes be pleased to state—

(a) How the Subdivisional Development Boards for SC/ST & OBC are formed ?

(b) The members of the Subdivisional SC Development Board for Silchar Subdivision ?

(The name of the members with postal addresses & name of the constituency to which they belongs may please be stated).

Shri BHARAT NARAH (Minister, WPT & BC.) replied :

118. (a) The Subdivisional Development Boards for SC/ST

& OBC are formed with a view to represent the Subdivisional interests for these classes.

(b) The list of members of SC Development Board for Silchar is placed on the Table of the House with postal addresses shown against each. However, the name of constituency could not be given as the members are not selected on constituency basis

বি: বিহপুৰীয়া উদ্যোগ পাম

শ্ৰীজগত হাজৰিকাই সুধিছে :

★ ১১৯। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) উদ্যোগ বিভাগৰ অধীনস্থ বিহপুৰীয়া উদ্যোগ পাম কেতিয়া প্ৰতিষ্ঠা কৰা হৈছিল ?

(খ) ইয়াত কিমানটা কাৰখানা গৃহ নিৰ্ম্মাণ কৰা হৈছিল আৰু সেইবোৰৰ কিমানটা কাৰখানা চলন্ত অৱস্থাত আছে ?

(গ) এই উদ্যোগ পামৰ কাম কাজবোৰ চোৱাৰ বাবে কি কি পৰ্য্যায়ৰ বিষয়া নিয়োগ কৰা হৈছে ?

শ্ৰীদ্বিগেন বৰা (উদ্যোগ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

১১৯। (ক) বিহপুৰীয়া উদ্যোগ পামখন ১৯৮৪-৮৫ ইং চনত আৰম্ভ কৰা হৈছে।

(খ) দুটাকৈ কোঠা থকা তিনিটা ঘৰ নিৰ্ম্মাণ কৰা হৈছে। বৰ্ত্তমান এটাও চলন্ত অৱস্থাত নাই।

(গ) উদ্যোগ পামৰ নিৰ্ম্মাণ কাম চাবৰ বাবে এজন মহৰী আৰু এজন কণিষ্ঠ অভিযন্তা আছে।

Re : Dibrugarh University

Shri KESHAB CHANDRA GOGOI : asked.

* 120. Will the Minister, Education be pleased to state—

(a) The present financial position of Dibrugarh University ?

(b) Do the Government contemplate to help this University to come out of its present difficulties ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১২০। (ক)—চৰকাৰে জনাত বেয়া নহয়।

(খ)—প্ৰশ্ন নুঠে। চৰকাৰে এই বছৰ বাজেটত ডিব্ৰুগড় বিশ্ববিদ্যালয়ক দিবৰ বাবে ১২০ লাখ টকা (নন-প্লেন) অনুদান হিচাবে ধাৰ্য্য কৰিছে।

বি ঃ পৌৰ কৰ্ম্মচাৰী সমিটিৰ সম্পাদক বৰ্খাস্ত

শ্ৰীৰমেন্দ্ৰ দেই সুধিছে ঃ

*১২১। মাননীয় পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) আসাম রাজ্যে পৌর কর্মচারী সমিটির সম্পাদককে সাময়িক বরখাস্ত করা হয়েছে কি ?

(খ) যদি হয়ে থাকে তবে তার বিরুদ্ধে অভিযোগ সমূহ কি ?

শ্ৰীচহিদুল আলম চৌধুৰী (পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১২১। (ক)—হাঁ, হয়েছে।

(খ)—অনুশালীনতার অভাব কর্ত্তব্যের প্রতি অবহেলা বিনা অনুমতিতে কর্ম্মে অনুপস্থিতি ইত্যাদি।

বি ঃ কুশতলিত উত্তোলিত আঁচনি

শ্ৰীআব্দুল জলিলে সুধিছে ঃ

*১২২। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) মৰিগাওঁ মহকুমাৰ কুশতলি লিফ্‌ট ইৰিগেচন স্কীমটো বৰ্ত্তমান কি অৱস্থাত আছে ?

(খ) যদি চলা অৱস্থাত নাই কেতিয়াৰ পৰা চলাব পৰা অৱস্থা হব ?

শ্ৰীপবিন চন্দ্ৰ ডেকা (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১২২। (ক)—মৰিগাওঁ মহকুমাৰ কুশতলি উত্তোলিত আঁচনি নামৰ কোনো আঁচনি নাই। সোণতোৰা উত্তোলিত জলসিঞ্চন আঁচনি নামৰ এটা আঁচনি কুশতলি অঞ্চলত আছে। এই আঁচনিত বৰ্ত্তমান ৯৩ শতাংশ কাম সম্পূৰ্ণ কৰা হয় আৰু আংশিক ভাবে উপকাৰ দিছে। বৰ্ত্তমানলৈকে ৫৫০ হেক্টৰ মাটিত পানীৰ যোগান ধৰাৰ ব্যৱস্থা কৰা হৈছে।

(খ)—প্ৰশ্ন নুঠে।

বি ঃ নকোনীয়া অগভীৰ নলীনাদ

শ্ৰীস্বৰূপ উপাধ্যায়ে সুধিছে ঃ

*১২৩। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) বিহালী সমষ্টিৰ নকোনীয়া অগভীৰ নলীনাদ জলসিঞ্চন প্ৰকল্প সম্পূৰ্ণ হৈছেনে ?

(খ) যদি হৈছে, আজি পৰ্য্যন্ত উক্ত আঁচনিৰ যোগেদি নকোনীয়া, বাহবাৰী পথাৰৰ কৃষি অঞ্চলত কিয় পানী দিব পৰা হোৱা নাই ?

শ্ৰীপবিন চন্দ্ৰ ডেকা (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১২৩। (ক)—বিহালী বিধান সভাৰ সমষ্টিৰ অন্তৰ্গত নকোনীয়া গভীৰ নলীনাদ আঁচনিৰ মুঠ ১০টা পইণ্টৰ ভিতৰত ৫টা সম্পূৰ্ণ হৈছে।

(খ)—সম্পূৰ্ণ হোৱা ৫টা পইণ্ট যোগে নকোনীয়া আৰু বাহবাৰী পথাৰত বৰ্ত্তমান পানী যোগান ধৰা হৈছে।

Re : Hospital at Goalpara

Shri MAZIRUDDIN AHMED asked :

* 124. Will the Minister, Health be pleased to state—

(a) Is there any proposal for a 200 bedded hospital at Goalpara ?

(b) If so, the present position of it and by what date it will be completed ?

Shri CHANDRA MOHAN PATOWARY(Minister, Health)replied :

121. (a)—No.

(b)—Does not arise.

Re : Encroachment of Assam's territory

Sri SHEIKH ABDUL HAMID asked :

*125 Will the Chief Minister be pleased to state—

(a) Is it a fact that encroachment of Assam territory by Arunachal Administration is going on unabated ?

(b) If so how much area has been encroached till now by the said administration ?

(c) Whether Government has taken any step to protect Assam territory from the encroachment by Arunachal Administration ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১২৫। (ক+খ)—অসমৰ প্ৰায় ২৬০.৩৭ বৰ্গ কিলোমিটাৰ মাটি অৰুণাচলী আৰু অৰুণাচল প্ৰদেশ চৰকাৰৰ বেদখলত আছে।

(গ)—এনেকুৱা বেদখল বন্ধ কৰিবলৈ আৰু অসম আৰু অৰুণাচল ৰাজ্যৰ সীমা চিনাক্তকৰণৰ বাবে চৰকাৰী পৰ্য্যায়ত অৰুণাচল চৰকাৰৰ লগত যোগাযোগ কৰা হৈছে।

বি ঃ মীন মহাবিদ্যালয়

শ্ৰীসুৰেণ স্বৰ্গীয়াৰীয়ে সুধিছে ঃ

*১২৬। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) প্ৰস্তাৱিত মীন মহাবিদ্যালয়খন বৰপেটা জিলাত স্থাপন কৰাৰ

চুৰান্ত সিদ্ধান্ত লোৱা হৈছে নেকি ?

(খ) যদি লৈছে, তেতিয়াহলে কেতিয়াৰ পৰা ইয়াৰ বাস্তৱ ৰূপায়ন কৰা হ'ব জনাবনে ?

শ্ৰীনগেন শৰ্মা (মীন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১২৬। (ক) বৰপেটা জিলাত অসমত স্থাপন কৰিবলগীয়া মীন মহাবিদ্যলয় খন স্থাপন কৰাৰ সিদ্ধান্ত লোৱা হোৱা নাই। বিশেষজ্ঞ দলৰ প্ৰতিবেদনমতে মীন মহাবিদ্যালয়খন নগাওঁ জিলাৰ ৰহাত স্থাপন কৰাৰ সিদ্ধান্ত লোৱা হৈছে।

(খ) অসমৰ কৃষি বিশ্ববিদ্যালয়ে ১৯৮৬ চনৰ শেষৰ ফালে নবেম্বৰ-ডিচেম্বৰ মাহৰ পৰা প্ৰাৰম্ভিকভাৱে পাঠ্যক্ৰম আৰম্ভ কৰিবলৈ বিবেচনা কৰি আছে।

Re : Harina State Dispensary

Shri DIGENDRA PURKAYASTHA asked :

*127. Will the Minister, Health be pleased to state—

(a) Is there any Pharmacist in the Harina State Dispensary in the District of Cachar ?

(b) If so, the name of the Pharmacist and when he was posted there ?

(c) If not, why not ?

Shri CHANDRA MOHAN PATOWARY ( Minister, Health ) replied :

127. (a) No.

(b) Does not arise.

(c) Acute shortage of qualified Pharmacists.

Re : Eviction Operation

Shri ARDHENDU KUMAR DEY asked :

*128. Will the Minister, Revenue be pleased to state—

(a) Whether it is a fact that the eviction operations carried out in the State particularly in the minority dominated areas were planned by previous Government and the A.G.P. Government only executing the same ?

(b) If so, whether the Government will apprise the House about the orders of the previous Government ?

Shri THANESWAR BORO (Minister, Revenue) replied :

128. (a)—As per provisions of settlement Rules of A.L.R.R., 1886 and in pursuance of the Assam Accord, eviction operation is carried out throughout the State and not in a particular area inhabited by minorities.

There is no question of planning by previous Government and executing by present Government, eviction has been carried out according to law.

(b)—Does not arise.

Re : Services of Panchayat Employees

Shri ABDUL JALIL asked :

★129. Will the Minister, Panchayat be pleased to state—

(a) Whether the demand of the Panchayat employees for converting their services to Government Service have been met by the Government ?

(b) If it is in affirmative, how many employees will be benefited by this conversion ?

(c) If it is in negative, whether Government will reconsider their demand sympathically ?

(d) Whether the outstanding pay and allowances of the Panchayat employees have been paid ?

(e) If not, when it will be paid ?

Shri CHANDRA ARANDHARA (Minister, Panchayat & R. D.) replied :

129. (a)—No, but the Assam Panchayat Raj Bill 1986, provides that the Secretary of the Gaon Panchayat will be a Government employee.

(b)—Exact number of Gaon Panchayat Secretaries under the proposed Act is not known at this stage. This will be known after the determination of Gaon Panchayats under the proposed Act, is finalised.

(c)—Government will consider the case of Panchayat employees other than Gaon Panchayat Secretaries in due course.

(d)—Most of the Mohkuma Parishads have not been able to pay.

(e)—It is the responsibility of the Mohkuma Parishads to pay for its staff. Government only extends assistance to the extent possible.

বি ঃ মানকাচাৰ থানাত অভিযোগ

শ্ৰীআমিনুল ইছলামে সুধিছে ঃ

*১৩০। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ১৯৮৬ চনৰ ১ জানুৱাৰীৰ পৰা জুলাই মাহৰ ৭ তাৰিখৰ ভিতৰত মানকাচাৰ আৰু দক্ষিণ শালমৰা থানা দুখনে গৰু চুৰি, অন্যান্য চুৰি আৰু ডকাইতিৰ কিমান সংখ্যক অভিযোগ পাইছে ?

(খ) চুৰি হোৱা গৰুবোৰৰ সংখ্যা কোন থানাত কিমান ?

(গ) চুৰি হোৱা গৰু আৰু অন্যান্য বয়-বস্তুৰ উদ্ধাৰৰ কোনো খবৰ চৰকাৰৰ ওচৰত আছেনে ?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১৩০। (ক)—১৯৮৬ চনৰ ১ জানুৱাৰীৰ পৰা জুলাই মাহৰ ৭ তাৰিখৰ ভিতৰত মানকাচাৰ আৰু দক্ষিণ শালমৰা থানা ছুখনত গৰু চুৰি, অন্যান্য চুৰি, আৰু ডকাইতিৰ সংখ্যা এনে ধৰণৰ ঃ—

(১) দক্ষিণ শালমৰা থানা ঃ

গৰু চুৰি ১, চুৰি—১৩, সিন্ধিকটা চুৰি—৫, আৰু ডকাইতি ১টা।

(২) মানকাচাৰ থানা ঃ—

গৰু চুৰি—১২, চুৰি ৮, সিন্ধিকটা চুৰি—৮, আৰু ডকাইতি—১টা।

(খ)—চুৰি হোৱা গৰুবোৰৰ সংখ্যা—

(১) দক্ষিণ শালমৰা থানা—২টা। (২) মানকাচাৰ থানা—৩৯টা।

(গ)—চৰকাৰৰ ওচৰত আছে।

Re : Transfer and posting policy.

Shri MUKTAR HUSSAIN asked :

*131. Will the Chief Minister be pleased to state—

Is there policy laid down by the Government in respect of transfer and posting of officers ?

Shri PRAFULLA KUMAR MAHANTA (Chief Minister) replied :

131.—Yes.

Re : Foreigners in Assam

Shri SEIKH ABDUL HAMID asked :

★132. Will the Chief Minister be pleased to state—

(a) The number of foreigners residing in Assam at present ?

(b) Sources of information the Government has arrived at such calculation ?

(c) Will the Government give the number of foreigners in Assam in district-wise ?

Shri PRAFULLA KUMAR MAHANTA (Chief Minister) replied :

132. (a)—There is no definite information as regards the exact number of foreigners residing in Assam.

(b)—Does not arise.

(c)—Does not arise.

বি ঃ তৃতীয় বিশ্ববিদ্যালয়

শ্ৰীৰামেন্দ্ৰ দেই সুধিছে ঃ

*১৩৩। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) আসাম ৰাজ্যে তৃতীয় বিশ্ববিদ্যালয় দক্ষিণ আসামে বিশেষ কৰে বৰাক উপত্যকায় স্থাপন কৰা কোন পৰিকল্পনা সৰকাৰেৰ আছে কি?

(খ) যদি থাকে তবে কোথায় হবে ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১৩৩। (ক)—হয়। আছে।

(খ)—তৃতীয় বিশ্ববিদ্যালয় স্থাপনৰ নিমিত্তে ৰাজ্যিক পৰ্য্যায়ৰ এখন স্থান নিৰ্ণয়ৰ সমিতি পাতি দিয়া হৈছে। উক্ত সমিতিয়ে কাছাৰ আৰু কৰিমগঞ্জৰ জিলাৰ উপায়ুক্তৰ পৰা স্থান সম্পৰ্কে প্ৰস্তাৱ আদি পৰীক্ষা কৰি আছে। উক্ত বিষয়ত চৰ জমিন তদন্ত কৰিবলৈ সমিতিৰ সভ্যসকল অলপতে বৰাক উপত্যকালৈ যাব।

Re: Amount for development of sports

Shri SHIO SHAMBHU OJHA asked:

* 134. Will the Minister, Sports be Pleased to state—

(a) The total budget sanction during this financial year to be spent for development of Sports ?

(b) The total amount that will be spent for the establishment pay and other allowances for the staff of this Department ?

শ্ৰীপ্ৰবিন কুমাৰ গগৈ (ক্ৰীড়া বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১৩৪। (ক)—পৰিকল্পনাভুক্ত আৰু পৰিকল্পনা বৰ্হিভূক্ত "২৭৭ শিক্ষা" শিতানত ক্ৰীড়া আৰু যুৱ কল্যাণৰ বাবে ১৯৮৬-৮৭ চনত বাজেটত ধৰা ধনৰ পৰিমাণ এনে ধৰণৰ—

পৰিকল্পনাভূক্ত—

সাধাৰণ এলেকাৰ বাবে—৮৭ লাখ টকা।

পাৰ্ব্বত্য এলেকাৰ বাবে— ৩ লাখ টকা।

পৰিকল্পনা বৰ্হিভূক্ত—

সাধাৰণ এলেকা— ২৪৬ লাখ ৮৫ হাজাৰ টকা।

পাৰ্ব্বত্য এলেকাৰ— ১ লাখ ৫৮ হাজাৰ টকা।

(খ)— পৰিকল্পনাভূক্ত— ১২ লাখ ৫৫ হাজাৰ টকা।

পৰিকল্পনা বহিৰ্ভুক্ত— ১৫১ লাখ টকা।

Re : Junior Technical School

Shri MAZIRUDDIN AHMED asked :

* 135. Will the Minister, Education be pleased to state—

(a) Is there any building meant for opening a Junior Technical School at Goalpara ?

(b) If so, when the construction of the said School building has been completed ?

(c) The reason for not starting the said Junior Technical School as yet and when the school is expected to be started ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১৩৫। (ক)— হয়, আছে।

(খ)— ১৯৬৭-৬৮ চনত।

(গ)— গোৱালপাৰা নিম্ন কাৰিকৰী বিদ্যালয় ১৯৭৯ চনৰ পৰা নিয়মীয়া-ভাৱে চলি আছে।

বিঃ কাহিবাৰী ৰাজ্যিক পশু চিকিৎসালয়

শ্ৰীগোপীনাথ দাসে সুধিছে ঃ

* ১৩৬। মাননীয় পশু চিকিৎসা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) কামৰূপ জিলাৰ কাহিবাৰী ৰাজ্যিক পশু চিকিৎসালয়টো কিমান চনত স্থাপন কৰা হৈছে ?

(খ) উক্ত চিকিৎসালয়ত কৰ্মচাৰী নিয়োগ কৰা হৈছেনে ?

(গ) যদি হোৱা নাই, ইয়াৰ কাৰণ কি ?

(ঘ) উক্ত চিকিৎসালয়ত কেতিয়ালৈ কৰ্মচাৰী নিয়োগ কৰা হব ?

শ্ৰীনগেন শৰ্ম্মা (পশু চিকিৎসা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১৩৬। (ক) কামৰূপ জিলাৰ কাহিবাৰী ৰাজ্যিক পশু চিকিৎসালয়টো ১৯৭৯-৮০ চনত অনুমোদিত হৈছিল আৰু ১৯৮০-৮১ চনত ঘৰ সজা কাম সম্পূৰ্ণ হৈছিল।

(খ) কাহিবাৰী ৰাজ্যিক চিকিৎসালয়টোত ১৯৮১-৮২ চনত দুজন ৪ৰ্থ শ্ৰেণীৰ আৰু এজন ক্ষেত্ৰ সহায়ক নিয়োগ কৰা হৈছিল।

(গ) যদিও দুজন ৪ৰ্থ শ্ৰেণীৰ আৰু এজন ক্ষেত্ৰ সহায়ক ১৯৮১-৮২ চনত নিয়োগ কৰা হৈছিল, বিদেশী নাগৰিকৰ বহিস্কাৰ আন্দোলনৰ সময়ত চমৰীয়াত যি গন্দোগোল হৈছিল তেতিয়া কিছুমান দুৰ্বৃত্তই চিকিৎসালয়ৰ ঘৰ দুৱাৰ ভাঙিছিল আৰু জুই লগাই দিছিল আৰু একেবাৰে মানুহ থকাৰ অনুপযোগী কৰিছিল ফলত উক্ত কৰ্মচাৰী কেইজন অইন ঠাইলৈ ভয় খাই পলাই যাব লগা হয়। কিন্তু চমৰীয়াৰ পৰা এজন ক্ষেত্ৰ সহায়কে কাম কৰি আছে। বৰ্ত্তমান ক্ষেত্ৰ সহায়কজন আৰু ৪ৰ্থ শ্ৰেণীৰ কৰ্মচাৰী এজনক কাহিবাৰীত থাকি কাম চলাবলৈ দিহা কৰা হৈছিল।

(ঘ) চিকিৎসালয়ৰ ঘৰ কেইটা মেৰামতি কৰি পুনৰ কৰ্মচাৰী নিয়োগ কৰিবলৈ ব্যৱস্থা হাতত লোৱা হৈছে।

বিঃ চৰ এলেকা উন্নয়ণ কেন্দ্ৰ

শ্ৰীশেখ ছামাণ আলীয়ে সুধিছে ঃ

* ১৩৭। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত কেইখন চৰ এলেকা উন্নয়ণ সেৱা কেন্দ্ৰ আছে ?

(খ) এই সেৱা কেন্দ্ৰবোৰৰ কাৰ্য্যালয় স্থাপন কৰা হৈছে নে ?

(গ) যদি হোৱা নাই, চৰ উন্নয়ণৰ কামবোৰ কি কি কাৰ্য্যালয়ৰ অধীনত চলি আছে ?

(ঘ) তাৰ বাবে চৰ উন্নয়ণৰ কামত ব্যাঘাত হোৱা নাই নে ?

(ঙ) যদি হৈছে, ইয়াক কেতিয়া আতৰোৱা হব ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) যে উত্তৰ দিছে ঃ

১৩৭। (ক)— অসমত বৰ্ত্তমানলৈকে চাৰিখন চৰ এলেকা উন্নয়ণ সেৱা প্ৰতিষ্ঠা কৰাৰ ব্যৱস্থা কৰা হৈছে।

(খ) — এতিয়াও চৰ জমিনত কাৰ্য্যালয় স্থাপন কৰা হোৱা নাই।

(গ) — চৰ উন্নয়ণৰ কামবোৰ ৰাজ্যিক পৰ্য্যায়ত অসম চৰ উন্নয়ণ কৰ্তৃপক্ষৰ জৰিয়তে আৰু এলেকা ভিত্তিক সংশ্লিষ্ট খণ্ড উন্নয়ণ বিষয়াৰ মাধ্যমত চলি আছে।

(ঘ)—কিছু কিছু ক্ষেত্ৰত ব্যাঘাত হৈছে। যেনে-খণ্ড উন্নয়ণ বিষয়াসকল আন আন কামত ব্যস্ত থকাত চৰ উন্নয়ণৰ কামত বিশেষ মনোযোগ দিব নোৱাৰে।

(ঙ)— অতি সোনকালে কামৰ ব্যাঘাতবোৰ আতৰোৱাৰ কাৰণে বিভিন্ন ব্যৱস্থা হাতত লোৱা হৈছে।

বিঃ ১৯৮৩ চনত হোৱা শ্বহীদৰ সংখ্যা

1/8/86.

শ্ৰীমুক্তাৰ হুছেইনে সুধিছে :

* ১৩৮। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) যোৱা ১৯৮৩ চনৰ নিৰ্ব্বাচনত নগাওঁ জিলাৰ নেলী আৰু বৰবৰি গাওঁত মুঠ কিমান জন শ্বহীদ হৈছিল ?

(খ) উক্ত শ্বহীদ সকলৰ ভিতৰত কিমান জনে চৰকাৰে ঘোষিত ৩০,০০০ (ত্ৰিশ হাজাৰ) টকা সাহাৰ্য্য হিচাবে পাইছে জনাবনে ?

(গ) যি সকলে উক্ত সাহায্য পোৱা নাই, তাৰ কাৰণ জনাবনে ?

(ঘ) উক্ত সাহায্য সকলো শ্বহীদৰ পৰিয়ালক অনতি পলমে দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

* ১৩৮। (ক)— শ্বহীদ হিচাবে গণ্য হোৱা এজনো নাছিল।

(খ)— প্ৰশ্ন নুঠে।

(গ)— চৰকাৰে শ্বহীদ বুলি ঘোষণা কৰা লোকসকলৰ ভিতৰত যি সকলৰ নাম নাই সেইসকল ব্যক্তিৰ পৰিয়ালক ৩০,০০০ (ত্ৰিশ হেজাৰ) টকা মঞ্জুৰী দিয়া হোৱা নাই।

(ঘ)--শ্বহীদৰ তালিকাত ভুক্ত হলে চৰকাৰে শ্বহীদৰ পৰিয়ালক ৩০ ০০০ (ত্ৰিশ হেজাৰ) টকাকৈ সাহায্য দিয়াৰ বাবে ব্যৱস্থা ৰাখিছে।

বি ঃ মিজো নেচনেল ফ্ৰণ্টৰ দাবী

শ্ৰীৰামেন্দ্ৰ দে জিজ্ঞাসা কৰিতেছেন ঃ

* ১৩৯। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জানাইবনেকি—

(ক) মিজো নেচনেল ফ্ৰণ্ট নেতা বৃহত মিজোৰামেৰ দাবী কৰছেন এ কথা আসাম সৰকাৰ জানেনকি ?

(খ) যদি জানেন, তবে আসাম ৰাজ্যেৰ কোন জিলাৰ কোন এলাকা তাৰা দাবী কৰছেন ?

(গ) এই ব্যাপাৰে আসামেৰ দৃষ্টি ভঙ্গী কি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১৩৯। (ক, খ আৰু গ)— বাতৰি কাকতত প্ৰকাশিত বাতৰিৰ বাহিৰে চৰকাৰৰ হাতত এই বিষয়ে অন্য তথ্য নাই।

Re : Transfer of Assam's area to Mizoram

Shri DIGENDRA PURKAYASTHA asked :

* 140. Will the Minister Home be pleased to state—

(a) Whether any portion of land from Assam will be transferred to Mizoram, as a result of the recent accord between Government of India and the MNF ?

(b) If so, the areas that are proposed to be transferred ?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১৪০। (ক)— নহয়।

(খ) — ওপৰৰ প্ৰশ্নোত্তৰৰ (ক) পৰিপ্ৰেক্ষিতত প্ৰশ্ন নুঠে।

বি ঃ বন আইন সংশোধন

শ্ৰীদেবেশ্বৰ বৰাই সুধিছে ঃ

* ১৪১। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসম চৰকাৰে ১৮৫১ চনৰ বন আইনখন সংশোধন কৰিব নেকি ?

(খ) যদি কৰে কেতিয়া কৰিব আৰু কি কি ধাৰা আৰু উপ বিধি সংশোধন কৰিব ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (বন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১৪১। (ক)—হয়।

(খ)— অতি সোনকালে সংশোধন কৰা হব। তলত উল্লেখিত বিষয় কেইটিৰ লগত জৰিত থকা ধাৰা আৰু উপধাৰা খিনি সংশোধন কৰা হব।

(১) "The Crown" শব্দ কেইটাৰ ঠাইত The Provincial Govt." শব্দ কেইটা বহুৱা হব।

(২) অসংলগ্ন হৈ পৰা সংজ্ঞা আৰু ধাৰা খিনি আতৰাই দিয়া হব।

(৩) খানাতালাচী ও জব্দ কৰাৰ ক্ষমতা সংশোধন কৰা হব।

(৪) জৰিমানা আৰু শাস্তি অধিক কঠোৰ কৰা হব।

(৫) বেদখল ইত্যাদি কেতবোৰ বিষয়ত ফৌজদাৰি আদালতৰ কোনো কৰ্ত্তৃত্ত নাথাকিব।

(৬) অপৰাধ বিলাক ধৰ্ত্তব্য অপৰাধ বুলি গ্ৰহন কৰা হব।

(৭) প্ৰদেশৰ বাহিৰলৈ কাঠ নিয়াত বাধা নিষেধ কৰা হব।

(৮) কাঠ ভিত্তিত থকা উদ্যোগ বিলাক বন বিভাগৰ দ্বাৰা নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰা হব।

(৯) নতুনকৈ "Tree Authority" আৰু "Tree Officer" সৃষ্টি কৰা হব।

## SHORT NOTICE
## QUESTIONS AND ANSWERS

Re : Fire Service facilities

Shri DEBA KUMAR BORA asked :

3. Will the Minister, Home be pleased to state—

(a) That whether Govt. is considering any new proposals for extension of fire service facilities to any more areas ?

(b) If so, the places under consideration ?

(c) Whether any time-schedule is finalised to start and complete such expansion ?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৩। (ক) হয়।

(খ) অগ্নি নিৰ্ব্বাপক উপ-কেন্দ্ৰ খোলা চৰকাৰে পোৱা প্ৰস্তাৱ কেইটা তলত দিয়া হল ঃ—

(১) গুৱালকুছি (২) কলিয়াবৰ (৩) ধেমাজি (৪) বাঙ্গিৰখাবি (চিলচৰ) (৫) পাঠশালা (৬) টংলা (৭) জামুগুৰিহাট (৮) বৰহামপুৰ (৯) মুকালমুৱা (১০) তিতাবৰ (১১) মাৰ্ঘেৰিটা (১২) বিশ্বনাথ চাৰিআলি (১৩) লংকা (১৪) ধিং (১৫) অভয়াপুৰি (উত্তৰ শালমাৰা) (১৬) কমলাবাৰী (মাজুলি) (১৭) হামৰেণ (১৮) জনাই (১৯) হাতী শিঙ্গিমাৰী (দক্ষিণ শালমাৰা) (২০) ওডালগুৰি (২১) চাপাখোৱা (শদিয়া) (২২) গোসাইগাওঁ (২৩) দুধনৈ (২৪) বোকাখাট (২৫) বিজনী (২৬) বদৰপুৰ (২৭) বিলাসীপাৰা (২৮) সোনাৰী (চৰাইদেউ)

(গ) এই বছৰ পৰিকল্পনা শিতানত ৪টা কেন্দ্ৰৰ কাৰণে আৰু নৰ্মেল বাজেটত চাৰিটা কেন্দ্ৰৰ কথা আছে। সাধাৰণতে বছৰি পৰিকল্পনা কৰা হয়।

বি ঃ নতুন দিল্লীৰ অসম ভৱন

শ্ৰীদেবেশ্বৰ বৰাই সুধিছে ঃ

৪। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৮৩-৮৫ চনলৈকে অসম চৰকাৰে নতুন দিল্লীৰ অসম ভৱনৰ

(Assam House) বাবে বিভিন্ন শিতানত কিমান টকা মঞ্জুৰ কৰিছিল ?

(খ) নতুন ভৱনটো নিৰ্মাণ কৰাৰ কাৰণে চৰকাৰে কিমান টকা মঞ্জুৰ কৰিছিল আৰু ভৱনটো প্ৰকৃত আকৃতিত নিৰ্মাণ হৈছেনে ?

(গ) নতুন দিল্লীত থকা অসম ভৱনৰ কৰ্ম্মী সকলক কোনে মকৰল কৰে আৰু কি কি ভিত্তিত কৰা হয় ?

(ঘ) অসম ভৱনত স্থানীয় অসমৰ কিমান জন কৰ্ম্মী আছে আৰু অন্য ৰাজ্যৰ কিমান জন আছে ?

(ঙ) অসমৰ ৰাইজ নতুন দিল্লীলৈ গলে থকাৰ ক্ষেত্ৰত বঞ্চিত হোৱাৰ কথাটো সচানে ? যদি সচা চৰকাৰে ইয়াৰ বাবে কি ভূমিকা গ্ৰহণ কৰিছে ?

(চ) অসম ভৱনত থকা চৰকাৰী গাড়ীবোৰ ১৯৮৩-৮৫ চনলৈকে কোনে কোনে গ্ৰহণ কৰিছিল তাক জনাবনে ?

(ছ) অসম বিধান সভাৰ সদস্য আৰু লোক সভাৰ সদস্য সকলৰ বাবে অসম ভৱনত কি সুবিধা আছে ? এই সুবিধাৰ পৰা কেতিয়াবা এই সদস্য বৃন্দ বঞ্চিত হয়নেকি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪। (ক) নতুন দিল্লীৰ অসম ভৱনৰ বাবে বিভিন্ন শিতানত দিয়া বাজেট মঞ্জুৰী তলত দিয়া হল।

| | ১৯৮৩-৮৪ | ১৯৮৪-৮৫ |
|---|---|---|
| ১—দৰ্ম্মহা | ৪,৪৬০০০/- | ৪,০৬,০০০/- |
| ২—ভ্ৰমণ বানচ | ৬০০০/- | ১০,০০০/- |
| ৪—অফিচৰ খৰচ | ৬,৪২০০০/- | ১২,০৫,০০০/- |
| ৬—ভাড়া কৰ, আদি | ৭৮,০০০/- | ৭৮,০০০/- |
| মুঠ | ১১,৭২০০০/- | ১৬,৯৯,০০০/- |

(খ) নতুন দিল্লীৰ নতুন অসম ভৱনটো নিৰ্ম্মাণৰ বাবে মুঠ ১,৪৭,৬০,৫২৩/- টকাৰ বিভাগীয় অনুমোদন দিয়া হৈছে। নতুন দিল্লীৰ নতুন অসম ভৱনটো কেন্দ্ৰীয় চৰকাৰৰ গড়কাপ্তানী বিভাগৰ পৰামৰ্শ সেৱাই বনোৱা নক্সা

দিল্লী পৌৰ নিগমৰ অনুমোদনক্ৰমে নিৰ্মাণ কৰা হৈছে।

(গ) ৰাজপত্ৰিত বিষয়া সকলৰ নিযুক্তিৰ ক্ষমতা হল চৰকাৰৰ প্ৰশাসনীয় বিভাগৰ আৰু তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ চাকৰিয়ালৰ বাবে নিযুক্তিৰ ক্ষমতা হল অসম চৰকাৰৰ দিল্লীত থকা ৰেচিডেণ্ট কমিচনাৰৰ। নিযুক্তিবিলাক চৰকাৰৰ অনুমোদিত নিয়ম অনুসাৰে দিয়া হয়।

(ঘ) অসম ভৱনৰ চৰকাৰী চাকৰিয়ালৰ মুঠ সংখ্যা ৫৬ জন। তাৰে অসমৰ ৩৪ জন আৰু অন্য ৰাজ্যৰ ২২ জন।

(ঙ) সচা নহয়। কিন্তু অসম ভৱনৰ সীমিত কোঠালী থকা হেতু কেতিয়াবা অসুবিধা হব পাৰে। এই সীমিত ব্যৱস্থা বিবেচনা কৰি নতুন দিল্লীত এটা অতিৰিক্ত ভৱন নিৰ্মাণ কৰা হৈছে।

(চ) অসম ভৱনত থকা চৰকাৰী গাড়ীবোৰ সাধাৰণতে ৰাজ্যপাল, মুখ্য মন্ত্ৰী, মূখ্যনীয়াধীশ, জেষ্ঠ বিষয়া আদিক চৰকাৰী কামত গলে দিয়া হয়।

(ছ) অসম বিধান সভাৰ সদস্য আৰু অসমৰ পৰা নিৰ্ব্বাচিত হোৱা লোকসভা আৰু ৰাজ্য সভাৰ সদস্য সকলৰ বাবে অসম ভৱনত স্থান থকা সাপেক্ষে থকা খোৱাৰ বন্দোৱস্ত আছে। ইয়াৰ উপৰিও অসম বিধান সভাৰ বিভিন্ন কমিটিৰ চেয়াৰমেন আৰু সদস্যসকলক ৰাজহুৱা কাৰ্য্যত ভ্ৰমণৰ বাবে গাড়ী যোগান ধৰা হয়। এই সুবিধাৰ পৰা এই সদস্যবৃন্দ বঞ্চিত হোৱাৰ কোনো দৃষ্টান্ত চৰকাৰৰ দৃষ্টি গোচৰ হোৱা নাই।

শ্ৰীদেবেশ্বৰ বৰা ঃ অধ্যক্ষ মহোদয়, এটা নতুন ভৱন নিৰ্মাণ কৰা বুলি মন্ত্ৰী মহোদয়ে কৈছে। হয়তো অসমৰ পৰা যোৱা মানুহ বঞ্চিত হয় এই কথাটো মুখ্যমন্ত্ৰীৰ দৃষ্টি গোচৰ হৈছে নে? অসমৰ বাহিৰৰ পৰা অহা ব্যৱসায়ী বা অন্য মানুহক অগ্ৰাধিকাৰ দিয়া হয়, অসমৰ মানুহক দিয়া নহয় মুখ্যমন্ত্ৰীয়ে জানেনে?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) ঃ অধ্যক্ষ মহোদয় তাত যদি কোঠা থাকে দিয়াত আপত্তি নাথাকে আৰু সেইমতে যোগান ধৰা হয়। অসমৰ মানুহক উপযুক্ত সুবিধা দিয়াৰ কাৰণে ইতিমধ্যে তাৰ কৰ্তৃপক্ষক কোৱা হৈছে।

শ্ৰীদেবেশ্বৰ বৰা ঃ অধ্যক্ষ মহোদয়, অলপ দিনৰ আগতে আমাৰ বিধায়ক শ্ৰীনৰেণ তাঁতী দিল্লীলৈ যাওঁতে অসম ভৱনৰ তলৰ মহলাত কোঠা এটা বিচাৰিছিল কিন্তু তেখেতৰ আবেদন গ্ৰহণ নকৰিলে। শাৰীৰিক ভাবে অসুস্থ এই মানুহজনৰ আবেদন কি যুক্তিত গ্ৰহণ নকৰিলে এই কথা মুখ্যমন্ত্ৰীৰ দৃষ্টি গোচৰ হৈছে নে?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) ঃ তেনে কোনো এটা লিখিত অভিযোগ মোৰ হাতত পৰা নাই।

বিঃ কৰ্কট ৰোগ।

কুমাৰ দীপক দাসে সুধিছে ঃ

৫। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰপেটা জিলাত ভাৰতবৰ্ষৰ ভিতৰত আটাইতকৈ বেছি কৰ্কট ৰোগত আক্ৰান্ত ব্যক্তি থকাটো জানেনে?

(খ) যদি জানে, ইয়াৰ নিৰাময়ৰ কাৰণে কি কি ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰিছে?

(গ) বৰপেটাত এই ৰোগ চিকিৎসা সংক্ৰান্তিয় ব্যৱস্থা লবলৈ এটা বিশেষ চিকিৎসাগোট বিশেষভাবে শিক্ষিত চিকিৎসকৰ দ্বাৰা সৃষ্টি কৰা ব্যৱস্থা কৰিব পাৰিবনে?

(ঘ) এই ৰোগ বিয়পাৰ কাৰণ সমূহ বিশ্লেষণ কৰিবলৈ এক বিশেষ তদন্তৰ ব্যৱস্থা কৰিব নোৱাৰিনে?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (স্বাস্থ্য বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৫। (ক) তেনে খবৰ চৰকাৰৰ হাতত নাই। এই সংক্ৰান্তত খবৰ পোৱা মতে বৰপেটা জিলাত ১৯৮২, ১৯৮৩ আৰু ১৯৮৪ চনত কৰ্কট ৰোগত ভোগা ৰোগীৰ সংখ্যা ক্ৰমে ২২, ১৯ আৰু ৩৭ জন। আন আন জিলাৰ ক্ষেত্ৰত প্ৰয়োজনীয় পৰিসংখ্যা চৰকাৰৰ হাতত নাই।

(খ) যোৱা ৭-৮-৮৬ তাৰিখে ডঃ ভুৱনেশ্বৰ বৰুৱা চিকিৎসালয় খন চৰকাৰে

নিজৰ হাতলৈ আনিছে। এই ব্যৱস্থাৰ পৰিপ্ৰেক্ষিতত উক্ত চিকিৎসালয়খন আধুনিক সা-সৰঞ্জামেৰে কৰ্কট ৰোগৰ চিকিৎসাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা লোৱা হব। তদুপৰি অসমৰ তিনিখন চিকিৎসা মহাবিদ্যালয়ত কৰ্কট ৰোগ চিনাক্তকৰণৰ ব্যৱস্থা আছে।

(গ) আৰু (ঘ)—ওপৰোক্ত উত্তৰৰ পৰিপ্ৰেক্ষিতত প্ৰশ্ন নুঠে।

কুমাৰ দীপক দাস ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যিটো উত্তৰ দিছে সেই সম্পৰ্কে মই সুধিব বিচাৰিছো যে—গোটেই ভাৰতবৰ্ষৰ ভিতৰত অসমতে আটাইতকৈ বেছি কৰ্কট ৰোগী আছে। তাৰ ভিতৰত বৰপেটাত বেছি। এই সম্পৰ্কে ইয়াৰ আগতে যিটো পৰিসংক্ষিক ৰিপৰ্ট আছিল সেই মতে আমাৰ মন্ত্ৰী মহোদয়ে ইতিমধ্যে কেন্সাৰ অনুষ্ঠানটো চৰকাৰী কৰণ কৰা বুলি কৈছে এইটো এটা সু খবৰ। কিন্তু বৰ্ত্তমান বৰপেটাত যিটো অৱস্থা চলি আছে সেইটো দুৰ কৰাৰ কাৰণে আৰু কৰ্কট ৰোগ বিয়পিব নোৱাৰাৰ কাৰণে এক বিশেষ ব্যৱস্থা লব লাগে আৰু গুৰুত্ব সহকাৰে তদন্ত কৰাৰ ব্যৱস্থা লব লাগে। এই গুৰুত্বপুৰ্ণ বিষয়টোৰ প্ৰতি চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, আজি মই সদনক জনাবলৈ পাই সুখী হৈছো যে এই ৰোগৰ বাবে ৰোগী বাহিৰলৈ যাব লগা হোৱাৰ বাবে আৰ্থিকভাৱে ক্ষতিগ্ৰস্ত হয়। সেই কাৰণে বহুকষ্ট কৰি এইবাৰ কেন্সাৰ ইন্টিটিউটটো চৰকাৰী কৰণ কৰা হৈছে আৰু বিষয়টো কেবিনেটতো পাচ হৈছে। এই অনুস্থানটো আধুনীক সা-সৰঞ্জামেৰে গঢ়ি তোলাৰ কথা চৰকাৰে চিন্তা কৰিছে যাতে ভাৰতবৰ্ষৰ অন্যান্য ঠাইলৈ যাব নালাগে ইয়াতে মানুহে ভাল চিকিৎসা পায়। অসমৰ সকলো ঠাইতে কেন্সাৰ ৰোগী তদন্ত কৰাৰ ব্যৱস্থা কৰা হৈছে। অকল বৰপেটাতে নহয়। মই আশা কৰিছো সকলো সদস্য আমাৰ লগত এক মত হব।

শ্ৰীজয়নাথ শৰ্ম্মা ঃ— গোটেই ভাৰতবৰ্ষৰ ভিতৰতে অসমৰ কৰ্কট ৰোগী আটাইতকৈ বেছি ভেলোৰলৈ যায় বুলি এটা অভিযোগ আছে। এই পৰিপ্ৰেক্ষিতত অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰ বা বিশ্ব স্বাস্থ্য সংস্থাৰ লগত যোগাযোগ কৰি এটা গৱেষণা কেন্দ্ৰ স্থাপন কৰাৰ কাৰণে ব্যৱস্থা লব নে আৰু কেন্সাৰ ৰোগ যাতে হব নোৱাৰে তাৰ আগতীয়া ব্যৱস্থা লোৱাৰ কাৰণে

এই গৱেষণা কেন্দ্ৰৰ ওপৰত গুৰুত্বআৰোপ কৰিবনে ? অসম চৰকাৰে ভাৰত চৰকাৰৰ লগত আৰু ভাৰত চৰকাৰৰ- দ্বাৰা বিশ্ব স্বাস্থ্য সংস্থাৰ লগত যোগা-যোগ কৰি অসমৰ পৰা মাষ্টাৰ প্লান এখন তৈয়াৰ কৰাৰ ব্যৱস্থা কৰিব নে ?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (স্বাস্থ্য মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, মই ইতিমধ্যে কৈছো যে হস্পিটালখন চৰকাৰে হাতলৈ অনা হৈছে। এতিয়া মাষ্টাৰ প্লান হয় নে মিনি প্লান হয় সেইটো ইয়াত আলোচনা কৰি আৰু বাইজক সুবিধাৰ কাৰণে কৰা হব।

কুমাৰ দীপক দাস :— গৱেষণা কেন্দ্ৰ আৰু মাষ্টাৰ প্লান এই দুয়োটা পৃথক বস্তু।

শ্ৰীজয়নাথ শৰ্ম্মা :— অসমত দুৰৰ কথা গোটেই পৃথিবীতে কেন্সাৰ ৰোগ ভাল কৰিব পৰা হোৱা এতিয়াও হোৱা নাই। গতিকে বেমাৰটো হোৱাৰ আগতে ব্যৱস্থা লব পৰাকৈ উপায় উদ্ভাৱন কৰাৰ কাৰণে গৱেষণা কেন্দ্ৰ এটা কৰাৰ কাৰণে অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰলৈ লিখক আৰু কেন্দ্ৰীয় চৰকাৰে বিশ্ব স্বাস্থ্য সংস্থালৈ লিখক এই ধৰণৰ যোগাযোগ কৰাৰ এটা প্ৰতিশ্ৰুতি মন্ত্ৰী মহোদয়ৰ পৰা বিচাৰিছো।

Dr. Ardhendu Kumar Dey : Point of order Sir, Hon. member has quoted that cancer can not be cured. If it is early detected, it can be cured.

শ্ৰীজয়নাথ শৰ্ম্মা :— ডিটেকশ্যনৰ কথাটো আৰ্লিয়েই হওক বা লেটলি-য়েই হওক পিচত আহিব। বেমাৰটো হোৱাৰ আগতে প্ৰতিষেধমূলক ব্যৱস্থাৰ উপায় উদ্ভাৱনৰ কথাহে কৈছো। তাৰ কাৰণেহে গৱেষণাকেন্দ্ৰৰ দৰকাৰ।

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (স্বাস্থ্য মন্ত্ৰী) :— Research centre will be there.

এই যিটো গৱেষণা কেন্দ্ৰৰ কথা কৈছে এইটো কেন্সাৰ ইন্‌ষ্টিটিউট টো সম্পুৰ্ণ হলে তাত গৱেষণা কেন্দ্ৰ নিশ্চয় থাকিব। প্ৰশ্ন কৰিব লাগে কাৰণেই কৰিছে যেন পাইছো কিয়নো কেন্সাৰ ইন্‌ষ্টিটিউট পূৰ্ণাঙ্গ হলে তাত গৱে-ষণাকেন্দ্ৰ থাকিব।

শ্ৰীজয়নাথ শৰ্ম্মা ঃ— গৱেষণাকেন্দ্ৰ থাকিবই লাগিব বুলি কিবা কোড আছে নেকি ? এইটো হাউচে তৈয়াৰ কৰিব লাগিব বা কেবিনেটে কৰিব লাগিব অথবা কেন্সাৰ ইন্‌ষ্টিটিউট যদি ষ্টেটুৰি বডিক দিয়া হয় তেতিয়াহলে সেই বডিয়ে কৰিব। কিন্তু আমি বিচাৰিছো কেন্সাৰ ইন্‌ষ্টিটিউটৰ লগত গৱেষণা কেন্দ্ৰ এটাও সংযুক্ত কৰি থকা হব নে নহয় সেইটোহে। মাননীয় মন্ত্ৰী মহোদয়ে কেন্সাৰ ইন্‌ষ্টিটিউট সম্পুৰ্ণ হলেই যে গৱেষণা কেন্দ্ৰ থাকিব বুলি কৈছে সেইটো ভূল কৈছে। গাৱষণা কেন্দ্ৰ হব নে নহয় সেইটোহে জানিব বিচাৰিছো।

মাননীয় অধ্যক্ষ ঃ— এই বিষয়ত আৰু বেছি কবলৈ দিয়া নহয়।

শ্ৰীজয়নাথ শৰ্ম্মা ঃ— প্ৰশ্নটো মই বুজাই দিব বিচাৰিছো।

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (স্বাস্থ্য মন্ত্ৰী)ঃ—গৱেষণা কেন্দ্ৰ থাকিব নে নেথাকিব সেইটো প্ৰতিশ্ৰুতি কিয় লাগে ? পূৰ্ণাঙ্গ হলে থাকিবই।

কুমাৰ দীপক দাস ঃ— গৱেষণা কেন্দ্ৰ থাকিব বুলি মন্ত্ৰী মহোদয়ে কৈছে কিন্তু গুৱাহাটী মেডিকেল কলেজ হস্পিটাল আছে তাৰ লগত তেনে গৱেষণা কেন্দ্ৰ নাই ?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (স্বাস্থ্য মন্ত্ৰী) ঃ—কেন্সাৰ ইন্‌ষ্টিটিউটটো হাতত লোৱাৰ মাত্ৰ কেইদিন মানহে হৈছে। যোৱা সাত তাৰিখে লোৱা হৈছে। তাত গৱেষণা কেন্দ্ৰ থাকিব।

Shri Joii Nath Sarma— Research Centre must be there.

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (স্বাস্থ্য মন্ত্ৰী) ঃ— মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্মা ডাঙৰীয়াই যিটো প্ৰশ্ন তুলিছে সেই সম্পৰ্কত বিশেষজ্ঞই সিদ্ধান্ত লব আমি নকৰো।

(কইবাজনো মাননীয় সদস্য একেলগে থিয় হয়)

মাননীয় অধ্যক্ষ ঃ— আৰু নহব। ইয়াত ডিবেট কৰিব দিব নোৱাৰো।

শ্ৰীজয়নাথ শৰ্ম্মা ঃ— পইণ্ট অব অৰ্ডাৰ। পলিচি ডিচাইড আমি কৰিম। বিশেষজ্ঞই বেমাৰ কেনে ধৰণে ভাল হয় নে নহয় সেই বিলাক কথা চাব। পলিচি আমিহে ডিচাইড কৰিম। এইটো মন্ত্ৰী মহোদয়ে উইড্ৰ কৰিলে ভাল হয় যদিও মই সেইটো কৰিবলৈ প্ৰেচ নকৰো ভৱিষ্যতে এনেভাবে নকৰবলৈ অনুৰোধ কৰিলো।

বি ঃ যুৱ শক্তিৰ কল্যাণ

শ্ৰীদেবকুমাৰ বৰাই সুধিছে ঃ

৬। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ যুব শক্তি কল্যাণৰ বাবে চৰকাৰে কিছু আধুনিক আৰু ব্যাপক পৰিকল্পনা লোৱাৰ কথা ভাবিছে নেকি ?

(খ) বৰ্ত্তমান যুৱক-যুৱতী সকলৰ বাবে নিয়োগৰ কেনে পৰিকল্পনাৰ কথা চৰকাৰে চিন্তা কৰিছে বা কৰিব ?

(গ) অনাগত ভৱিষ্যতৰ আশাৰ শক্তি অসমৰ যুৱক-যুৱতী সকলৰ বিস্তৃত ভাবে কিবা আঁচনিৰ কথা যদি চৰকাৰে ভাবিছে সেইবোৰৰ কিছু আভাষ দিব নেকি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৬। (ক) হয়, ভাবিছে।

(খ) অসমৰ থলুৱা শিক্ষিত নিবনুৱা যুৱক-যুৱতী সকলৰ বাবে নিয়োগৰ সম্ভাৱনা বৃদ্ধি কৰিবলৈ চৰকাৰে বিবেচনা কৰি আছে। চাকৰিত নিযুক্তি আৰু আত্মসংস্থাপনৰ সুবিধা—উভয় ক্ষেত্ৰতে গুৰুত্ব দিয়াৰ কথা ভৱা হৈছে।

(গ) বিবৃতিৰ প্ৰতিলিপি সদনৰ মেজত ৰখা হৈছে আৰু ইয়াৰ একোটাকৈ প্ৰতিলিপি সকলো সদস্যকে দিয়া হব।

শ্ৰীদেৱকুমাৰ বৰা ঃ— মাননীয় অধ্যক্ষ মহোদয়ে, অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা উত্তৰ বিচাৰি কেইটামান প্ৰশ্ন ইয়াত উত্থাপন কৰিব বিচাৰিছো। সেই কেইটা হ'ল অসমৰ যুৱ কল্যাণ, নিবনুৱা সমস্যা আৰু ইয়াৰ লগত

জড়িত লবলগীয়া ব্যৱস্থা সমূহৰ ওপৰত এই প্ৰশ্ন কেইটা উত্থাপন কৰিম।

ক) অসমৰ যুৱ শক্তিৰ কল্যাণৰ বাবে চৰকাৰে কিছু আধুনিক আৰু ব্যাপক পৰিকল্পনাৰ লোৱাৰ কথা ভাবিছে নেকি ? (খ) বৰ্ত্তমান যুৱক-যুৱতী সকলৰ নিয়োগৰ কেনে পৰিকল্পনাৰ কথা চৰকাৰে চিন্তা কৰিছে বা কৰিব ? আৰু গ) অনাগত ভৱিষ্যতৰ আশাৰ শক্তি অসমৰ যুৱক-যুৱতী সকলৰ বাবে বিস্তৃত ভাবে কিবা আঁচনিৰ কথা যদি চৰকাৰে ভাবিছে, সেইবোৰৰ কিছু আভাষ দিব নেকি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য বৰা ডাঙৰীয়াই কোৱা (ক) প্ৰশ্নৰ উত্তৰ হৈছে ঃ হয় ভাবিছে। (খ) প্ৰশ্নৰ উত্তৰ হৈছে ঃ অসমৰ থলুৱা শিক্ষিত নিৱনুৱা যুৱক-যুৱতী সকলৰ বাবে নিয়োগৰ সম্ভাৱনা বৃদ্ধি কৰিবলৈ চৰকাৰে বিবেচনা কৰি আছে। চাকৰিত নিযুক্তি আৰু আত্মসংস্থাপনৰ সুবিধা উভয় ক্ষেত্ৰতে গুৰুত্ব দিয়াৰ কথা ভৱা হৈছে। (গ) প্ৰশ্নৰ উত্তৰত দিয়া বিবৃতি লিখিত ভাবে সদনৰ মেজত মাননীয় সদস্য তথা সদনৰ জ্ঞাতাৰ্থে ৰখা হৈছে।

শ্ৰীজয়নাথ শৰ্ম্মা ঃ—এই বিবৃতিটো পঢ়ি দিলে ভাল হয়। অসমৰ নিবনুৱা যুৱক- সকল হতাশাত ডুব গৈ আছে। অসম গণ পৰিষদ চৰকাৰ অহাৰ লগে লগে কৰ্ম্ম ক্ষেত্ৰত কিবা আশাৰ সঞ্চাৰ কৰিছিল যদিও ৰাতিপুৱাৰে পৰা গধূলীলৈকে মন্ত্ৰী আৰু শাসক দলৰ বিধায়ক সকলৰ ওচৰলৈ চাকৰি প্ৰাৰ্থী নিবনুৱা যুৱক-যুৱতী সকলৰ ভীৰ আৰু হতাশাগ্ৰস্ত মুখ দেখিবলৈ পাইছো। সেই কাৰণে এই ক্ষেত্ৰত কি ধৰণৰ আশাৰ আঁচনি লোৱা হৈছে সেইটো দহ মিনিট সময় লৈ হলেও মুখ্যমন্ত্ৰী মহোদয়ে ইয়াত পঢ়ি শুনালে ভাল হয়।

কুমাৰ দীপক দাস ঃ— এইটো এটা গুৰুত্বপূৰ্ণ বিষয়। সেই কাৰণে—

মাননীয় অধ্যক্ষ ঃ— এই বিবৃতি মাননীয় সদস্য সকলৰ জ্ঞাতাৰ্থে সদনৰ মেজত ৰখা হৈছে। এইটো আকৌ পঢ়ি দিয়াৰ আৱশ্যক নাই। এতিয়া প্ৰশ্নোত্তৰ সময়ৰ পিচত জিৰো আয়াৰৰ কেইখনমান জাননী পাইছো। প্ৰথমতে মই মাননীয় সদস্য শ্ৰীপ্ৰদীপ হাজৰিকাক বিষয়টো উত্থাপন কৰিবলৈ অনুৰোধ কৰিছো।

## UNSTARRED

## QUESTIONS AND ANSWERS

Re : Creation of new Division and Sub-Division of P. H. E.

Shri G. C LANGTHASA asked :

9. Will the Minister, Public Health Engineering be pleased to state :

(a) Whether the Govt. have sanctioned the creation of New Division and Sub-Division of Public Health Engineering Department in Hill District during 1984-85 and 1985-86,

(b) If so. the number of such Divisions and Sub-Divisions sanctioned and established by the Govt. during 1984-85 and 1985-86 in Hill Districts of Assam,

(c) Whether Officers and Staff have since been posted to the newly created Sub-Divisional and Divisional Offices in Hill District of Assam,

(d) If not, why,

Shri DIGEN CHANDRA BORA (Minister, P. H. E.) replied :

9. (a) Yes, in 1984-85.

(b) Divisions 3 Nos., Sub-Divisions 5 Nos.

(c) Officers have been posted, posting of Staff is under process.

(d) Does not arise.

বি ঃ অনুসূচীত জাতিৰ চাকৰি

শ্ৰীৰত্নেশ্বৰ সৰকাৰে সুধিছে ঃ

১০। মাননীয় ভৈয়াম জনজাতি আৰু অনুসূচীত জাতি কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) উত্তৰ শালমাৰা মহকুমা স্থাপিত হোৱাৰ পিচত উক্ত মহকুমাত স্থানীয় কিমানজন অনুসূচীত জাতিৰ লৰাই চাকৰি পালে অনুগ্ৰহ কৰি জনাবনে ?

(খ) ইয়াৰ ভিতৰত ১ম শ্ৰেণী, ২য় শ্ৰেণী ৩য় শ্ৰেণী আৰু ৪ৰ্থ শ্ৰেণীৰ কেইজন অনুগ্ৰহ কৰি জনাবনে ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (ভৈয়াম জনজাতি আৰু অনুসূচীত জাতিৰ কল্যাণ দপ্তৰৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ;

১০। (ক) মুঠ ৫৯ জন।

(খ) ১ম আৰু ২য় শ্ৰেণীৰ নাই। ৩য় শ্ৰেণীৰ ৪৪ জন আৰু ৪ৰ্থ শ্ৰেণীৰ ১৫ জন।

বি ঃ জলসিঞ্চন আঁচনি।

শ্ৰীমতী অমিয়া গগৈয়ে সুধিছে ঃ

১১। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) তুলীয়াজান বিধান সভা সমষ্টিৰ অন্তৰ্গত সৰু মজলীয়া বা বৃহৎ আকাৰৰ কিমান জলসিঞ্চন আচনি চৰকাৰৰ হাতত আছে ?

(খ) এই আচনিৰ অধীনত কিমান হেক্টৰ খেতিৰ উপযোগী মাটি আৰু খেতিয়কক সামৰি লোৱা হব ?

(গ) বৰ্ত্তমান এই আচনি সমূহ কি পৰ্য্যায়ত আছে জনাবনে ?

শ্ৰীপবিন চন্দ্ৰ ডেকা (জলসিঞ্চন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

১১। (ক) ক্ষুদ্ৰ ৮ টা। মজলীয়া নাই। বৃহৎ নাই।

(খ) ক্ষুদ্ৰ ২,৪৬৬ হেক্টৰ। মজলীয়া নাই। বৃহৎ নাই। আচনিৰ অন্তৰ্গত মাটিৰ সকলো খেতিয়কক সামৰি লোৱাৰ চেষ্টা কৰা হৈছে।

(গ) ক্ষুদ্ৰ ৪টা সম্পূৰ্ণ হোৱা আচনি ( Completed ) ৪টা চলিত অৱস্থাত থকা আচনি ( on going ) মজলীয়া নাই। বৃহত নাই।

বি ঃ সমাজ কল্যাণ বিভাগৰ অনুদান।

শ্ৰীৰত্নেশ্বৰ সৰকাৰে সুধিছে ঃ

১২। মাননীয় ভৈয়াম জনজাতি আৰু অনুসূচীত জাতিৰ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) উত্তৰ শালমাৰা মহকুমাৰ অনুসূচীত জাতিৰ উন্নয়ন বোৰ্ডৰ মাধ্যমত ১৯৮৪-৮৫ চনত কিমানজন মানুহক উত্তৰ শালমাৰা মহকুমাৰ সমাজ কল্যাণ কাৰ্য্যালয়ৰ পৰা অনুদান দিয়া হৈছে জনাবনে ?

(খ) ইয়াৰ বিতং হিতাধীকাৰীৰ তালিকাখন অনুগ্ৰহ কৰি দাখিল কৰে যেন ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (ভৈয়াম জনজাতি আৰু অনুসূচীত জাতিৰ কল্যাণ দপ্তৰৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

১২। (ক) ১৯৮৪-৮৫ চনৰ অনুসূচীত জাতিৰ অনুদান ৭৯ জন ব্যক্তিক অনুদান বণ্টন কৰা হয়।

(খ) বিতং হিতাধীকাৰীৰ তালিকা সমূহ সদনৰ মেজত দিয়া হৈছে।

শ্ৰীপ্ৰদীপ হাজৰিকা ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আজি সদনত এটি গুৰুত্বপূৰ্ণ বিষয় ডাঙি ধৰিব বিচাৰিছো আৰু সকলোৰে দৃষ্টি গোচৰ কৰিব বিচাৰিছো। এই বিষয়টো এই কাৰণেই গুৰুত্বপূৰ্ণ বিষয় যে অসমৰ এখন আগশাৰীৰ বাতৰি কাকত 'অগ্ৰদূত'ত যোৱা ১০ আগষ্টত প্ৰকাশ পাইছে। সেইটো হৈছে আমাৰ বৰ্ত্তমান চৰকাৰৰ অতি প্ৰিয় আৰু সকলোৰে চিনাকী শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত দেৱক হত্যা কৰাৰ কথা জৰিত হৈ আছে। বাংলা দেশত ভাৰতবৰ্ষৰ পৰা গৈ বহুত মানুহ ভাৰতবৰ্ষত অশান্তি কৰিবৰ কাৰণে প্ৰশিক্ষণ লৈ থকাৰ কথা ইয়াত উল্লেখ আছে। তাৰোপৰি ১৫ আগষ্টত যেতিয়া ভাৰতবৰ্ষ স্বাধীন হৈছিল আৰু স্বাধীনতাৰ দিনত আৰু ৯ আগষ্টত ৰাষ্ট্ৰীয় সংহতি দিবস পালন কৰিবলৈ লোৱা সেই সময়ছোৱাত ইয়াত পৰিকল্পিত ভাৱে এটি অশান্তি সৃষ্টি কৰাৰ কথা ইয়াত প্ৰকাশ পাইছে। ইয়াৰোপৰি আগতে অসমৰ অশান্তিৰ কথা ইয়াৰ লগত জৰিত কৰিব পাৰি। এইটো অসমৰ জন-গণক অৱমাননা কৰি বাংলাদেশত পতাকা উকৱা এসময়ত কাকতত প্ৰকাশ পোৱা ধৰণে হেলিকপ্টাৰে অস্ত্ৰশস্ত্ৰ যোগান ধৰাৰ ক্ষেত্ৰত আৰু জয়-বাংলা ধ্বনী দিয়া ইয়াৰ কাগজত যিটো দিছে তাৰ মাজত বিশেষকৈ কেইটামান বাক্য ডাঙি ধৰি সদনৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। আৰু এই সম্পৰ্কত মাননীয় গৃহমন্ত্ৰী মহোদয়ৰ এটি মনোগ্ৰাহী ব্যাখ্যা বিচাৰিছো।

পেপাৰখনত এনেধৰণে প্ৰকাশ পাইছে যে ১৫ আগষ্টত কৰিমগঞ্জত ব্যাপক অশান্তি প্ৰস্তুতি আৰু হেড্‌লাইনৰ লগতে বাংলা দেশ আৰু ত্ৰিপুৰাত প্ৰশিক্ষণ লোৱাটো সত্য। প্ৰতিবেদনত মুখ্যমন্ত্ৰীক হত্যাৰ চেষ্টাকে ধৰি কৰিমগঞ্জৰ হিংসাত্মক ঘটনা সংঘটিত কৰিবলৈ কেতবোৰ সৰ্ব্বভাৰতীয় দলৰ গোপন যৌথ সভাৰ স্থান, সময় আৰু তাত মিলিত হোৱা নেতা সকলৰ নাম উল্লেখ কৰা আছে।

এই প্ৰতিবেদনত উল্লেখ কৰা আটাইতকৈ গুৰুত্বপূৰ্ণ দিশটো হ'ল ষড়-যন্ত্ৰকাৰী সকলে পুলিচৰ ভয়ত পলাই যোৱাৰ পিছত তেওঁলোকে বাংলা দেশৰ জ্যোকিগঞ্জত মিলিত হৈছে আৰু তেওঁলোকে তাত শিবিৰ পাতিছিল। বাংলা-দেশৰ জ্যোকিগঞ্জৰ উপৰিও ছয়বাগ নামৰ আন এখন গাওঁতো শিবিৰ পাতিছে বুলি কৈছে। কৰিমগঞ্জৰ পৰা পলাই যোৱা ষড়যন্ত্ৰকাৰী সকলে ত্ৰিপুৰাৰ

কৈলাশ নগৰতো শিবিৰ পাতি আছে বুলি প্ৰতিবেদনত উল্লেখ কৰিছে।

মাননীয় অধ্যক্ষ মহোদয়, তাতোতকৈ আচৰিত কথা যে সংৰক্ষিত আৰক্ষী বিষয়া হিচাবে কাৰ্য্য নিৰ্ব্বাহ কৰি থকা শ্ৰীধীৰেণ নাথ নামৰ এজন অসম আৰক্ষী বিভাগৰ পৰিদৰ্শকে গোপনে বাংলা দেশৰ শিবিৰটোলৈ খাদ্য সামগ্ৰী প্ৰেৰণ কৰি আছে বুলিও অভিযোগ তোলা হৈছে। বাংলা দেশ আৰু ত্ৰিপুৰাৰ এই শিবিৰ দুটাৰ পৰা অত্যাধুনিক অস্ত্ৰ-শস্ত্ৰেৰে কৰিমগঞ্জৰ গণপৰিষদৰ স্থানীয় বিধায়ক ছিৰাজুল হককে ধৰি কেইবাজনো গণপৰিষদৰ নেতাক হত্যা কৰিবলৈ চলোৱা প্ৰচেষ্টাও প্ৰতিবেদনত প্ৰকাশ পাইছে। কৰিম-গঞ্জত মুখ্যমন্ত্ৰী উপস্থিত হোৱাৰ লগে লগে আৰক্ষীভৱনৰ সন্মুখত বিক্ষোভ প্ৰদৰ্শন কৰা সমদলৰ নেতৃত্ব লোৱা নেতাসকলৰ নামো উল্লেখ কৰা হৈছে। তাৰ ভিতৰত প্ৰধান হৈছে কংগ্ৰেছ দলৰ সৰ্ব্বশ্ৰী কেতেকী প্ৰসাদ দত্ত, সতুৰায়, উত্তম মজুমদাৰ, সত্যেন্দ্ৰ কুমাৰ দেৱ, মানবেন্দ্ৰ দত্ত চৌধুৰী, ডি ভট্ট, সঞ্জয় বিশ্বাস, ভাৰতীয় জনতাৰ ৰথীন্দ্ৰ ভট্টাচাৰ্য্য, জনতাদলৰ হিমাংশু চৰকাৰ দাস, সংযুক্ত সংখ্যালঘু মৰ্চাৰ অধ্যাপক কামালুদ্দিন আহমেদ, ফৰোৱাৰ্ড ব্লকৰ ভি ৰায়।

তাৰোপৰি জনোৱা হৈছে যে ২০ জুলাইৰ ৰাতি কৰিমগঞ্জৰ ভাষা শিক্ষা সংগ্ৰাম কমিটিৰ কাৰ্য্যালয়ত ভাৰতীয় জনতাৰ শ্ৰীহৰিপদ দেৱ, আৰ, এছ, এছ মিছন দাস ওৰফে মন্তু, ভাৰতীয় যুৱমঞ্চৰ অজয় ভট্টাচাৰ্য্যও এক গোপন সভাত মিলিত হৈছিল বুলি কোৱা হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ আজি এইটো অতি গুৰুত্বপূৰ্ণ বিষয় আৰু মই আমাৰ সকলো মাননীয় সদস্যকে গুৰুত্ব সহকাৰে চিন্তা কৰিবৰ কাৰণে অনুৰোধ জনাইছো। যিহেতু এইটো ভালধৰণে আলোচনা বিলোচনা হব লাগে আৰু ইয়াৰ এটি স্পষ্টিকৰণ ডাঙি ধৰিবলৈ মাননীয় গৃহ মন্ত্ৰীক অনুৰোধ জনায় মোৰ বক্তব্য সামৰণি মাৰিলো।

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহ মন্ত্ৰী): অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে উত্থাপন কৰা অগ্ৰদূত বাতৰি কাকতৰ বাতৰিটো আমাৰ দৃষ্টি গোচৰ হৈছে। এই সম্পৰ্কত চৰকাৰে বিশেষ শাখাক তদন্ত কৰিবৰ কাৰণে নিৰ্দ্দেশ দিছে আৰু কৰিমগঞ্জৰ গোটেই ঘটনাটোৰ ওপৰত বৰ্ত্তমান এটা প্ৰশাসনীয়

তদন্ত চলি আছে। গতিকে বিশেষ শাখাৰ সেই তদন্তৰ ওপৰত নিৰ্ভৰ কৰি প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিম।

শ্ৰীদেৱান জয়নাল আবেদিন ঃ এই বিষয়টোৰ ওপৰত বিভিন্ন ধৰণৰ কথা উঠিছে। মই ভাবো যিহেতু ষড়যন্ত্ৰৰ কথা ওলাইছে আৰু মুখ্যমন্ত্ৰী মহোদয়ৰ প্ৰাণ নাশৰ গুৰুত্ব পূৰ্ণ কথা ওলাইছে, গণতন্ত্ৰ ধ্বংস কৰিবৰ কাৰণে ৰাজনৈতিক দলৰ পৰা চেষ্টা কৰা কথা ওলাইছে গতিকে ন্যায় তদন্তৰ ব্যৱস্থা কৰিব লাগে।

শ্ৰীজয় নাথ শৰ্মা ঃ অধ্যক্ষ মহোদয়, এটা বিশেষ গুৰুত্ব পূৰ্ণ কথা সদনৰ মজীয়াত এগৰাকী সৰ্ব্বভাৰতীয় ৰাজনৈতিক দলৰ প্ৰবীন সংসদী অভিজ্ঞতাৰে পৰিপুষ্ঠ সদস্য শ্ৰীহেমেন দাসে কৈছে যে কৰিমগঞ্জৰ ঘটনাৰ লগত কেতবোৰ বাংলা দেশৰত্ত মানুহ গৈ আছে। আন্তঃৰাষ্ট্ৰীয় ষড়যন্ত্ৰ কৰিমগঞ্জৰ ঘটনাৰ লগত জৰীত। বিষয়টো গুৰুত্বপূৰ্ণ ধৰণৰ। কাৰণ ইয়াত আন্তৰাষ্ট্ৰীয় ষড়যন্ত্ৰ চৰকাৰ ওফৰাবলৈ কৰিমগঞ্জত আৰম্ভ হৈছে। চৰকাৰে কঠোৰ ব্যৱস্থা নলৈ কিয় বহি আছে? কঠোৰ ব্যৱস্থা লব লাগিব। যি সকল বাংলা দেশী লোক এই ঘটনাত জড়িত আছে, যি সকল লোক বাংলা দেশলৈ পলাই গৈছে তেওঁলোকৰ সকলো সম্পত্তি বাজেয়াপ্ত কৰিব লাগে। যি সকল আচামিক ধৰিব পৰা নাই, যিসকলে অসমীয়া বিষয়া সকলৰ ঘৰত গৈ লৰা ছোৱালীক অত্যাচাৰ কৰিছে, মহিলাৰ ওপৰত অমানুশিক অত্যাচাৰ কৰিছে সেই সকলৰ ওপৰত কঠোৰ ব্যৱস্থা গণপৰিষদ চৰকাৰে নোৱাৰাৰ ফলত ৰাজ্যত কৰিমগঞ্জৰ দৰে কেতবোৰ সমাজ বিৰোধী লোকে বাংলা দেশৰ মানুহ লৈ সমগ্ৰ ৰাজ্যত যিবিলাকত অসমীয়া খিলঞ্জীয়া মানুহৰ সংখ্যা কম সেইবোৰ ঠাইত এনে ধৰণৰ দুস্কাৰ্য্য কৰিবলৈ সুবিধা পাব। সেই কাৰণে মই অনুৰোধ কৰিছো ন্যায়ক তদন্ত প্ৰশাসনিক তদন্ত এই তদন্তৰ অন্ত নাই। উদাহৰণ স্বৰূপে ১৯৮৩ চনৰ নিৰ্ব্বাচনত এটা সাংঘাতিক তদন্ত হল কিন্তু তাৰ অন্ত নহল। গতিকে তদন্তৰ কথাটো বাদ দিয়ক। একচনৰ কথা হাতত লওক।

শ্ৰীদেৱান জয়নাল আবেদিন ঃ অধ্যক্ষ মহোদয় এই ষড়যন্ত্ৰত কোন কোন লিপ্ত আছে তাক জানিবৰ বাবে ন্যায় তদন্ত অত্যন্ত জৰুৰী। কোন জড়িত আছে

আৰু তেওঁৰ বিৰোদ্ধে কি ব্যৱস্থা লব পৰা যায় জানিব পৰা হব। এই সমস্ত বিষয়ৰ ওপৰত চৰকাৰৰ পৰা আশ্বাস বিচাৰো। এই ন্যায়িক তদন্ত ঘটনা এৰাই যাবৰ কাৰণে নহয়। সঠিক বিচাৰৰ কাৰণে এই ন্যায়িক তদন্তৰ ব্যৱস্থা কৰিব পাৰে নে নোৱাৰে সদনক জনাব লাগে।

মাননীয় অধ্যক্ষ ঃ গৃহ মন্ত্ৰীয়ে প্ৰশাসনিক পৰ্য্যায়ৰ তদন্ত চলি থকা বুলি কৈছে। গতিকে ইয়াৰ ওপৰত কিবা কব নেকি ?

শ্ৰীভৃগুকুমাৰ ফুকন (মন্ত্ৰী) ঃ মই ইতিমধ্যে কৈছো প্ৰশাসনিক তদন্ত চলি আছে আৰু এই তদন্ত শেষ নোহোৱা পৰ্য্যন্ত আমি ন্যায়িক তদন্ত কৰিব পাৰি নে নোৱাৰি আশ্বাস দিয়াটো টান হব। যি সকল অপৰাধী জড়িত আছে সেই সকলৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা লব লাগিলে আইনৰ গণ্ডিত অন্য ব্যৱস্থা লব লাগিব।

শ্ৰীঅতুল বৰা (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, বাংলা দেশীৰ সম্পত্তি বাজেয়াপ্ত কৰা হব বুলি কওতে সদনত আপত্তি কৰা নাই। গতিকে তেওঁলোকৰ সম্পত্তি বাজেয়াপ্ত কৰা সম্পৰ্কত ব্যৱস্থা লব লাগে।

মাননীয় অধ্যক্ষ ঃ গৃহ মন্ত্ৰীয়ে ইতিমধ্যে বিবৃতি দিছে।

শ্ৰীজয় নাথ শৰ্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, মই সমগ্ৰ ৰাজ্যৰ কৃষক ৰাইজৰ জলন্ত সমস্যাৰ বিষয়ে উত্থাপন কৰিব বিচাৰিছো। গোটেই অসমৰ লগতে সমগ্ৰ দৰং জিলাত অস্বাভাবিক খৰাং বতৰ হৈছে। এই খৰাং বতৰৰ সম্পৰ্কত খৰাং পীড়িত অঞ্চল হিচাবে দৰং জিলা ঘোষণা কৰিবৰ কাৰণে ৰাইজে চৰকাৰৰ ওচৰত বাৰে বাৰে দাবী তুলিছে। যোৱা ১০ তাৰিখৰ দিনা সামগ্ৰীক ভাবে দৰং জিলাৰ কেইটামান মৌজা মই নিজে পৰিদৰ্শন কৰি আহিছো। তাত দেখিছো প্ৰায় প্ৰতি খন গাওঁৰ শতকৰা ১০ ভাগ মানুহে খাব পোৱা নাই। আনকি তেওঁলোকে আগষ্ট চেপ্তেম্বৰ মাহত যি আহু খেতি হয় তাৰ দ্বাৰা জীবিকা নিৰ্ব্বাহ কৰিছিল। যিহেতু এইবাৰ আহু খেতি কৰিব নোৱাৰিলে আৰু বৰ্ত্তমান শালী খেতি খৰাং বতৰৰ কাৰণে কৰিব নোৱাৰে তেওঁলোকৰ আৰ্থিক অৱস্থা পানীত হাহ নচৰা অৱস্থা হৈছে। দুখৰ

বিষয় শুক্রবাৰে মঙ্গলদৈত ডাঙৰ বজাৰ হয়। সেই বজাৰত গাওঁৰ কৃষক ৰাইজে হাহ কুকুৰাকে আদি কৰি যি অস্থায়ী সম্পত্তি আছিল কম দামত বিক্রি কৰিছে। ঠিক সেই দৰে অন্যান্য সাপ্তাহিক বজাবত কৃষক ৰাইজে এক মুঠি আহাৰৰ তাৰণাত তেওঁলোকৰ অস্থায়ী সম্পত্তি বিলাক কম দামত বিক্রি কৰিব বিচাৰিছে। চৰকাবৰ পূণৰ সংস্থাপন বিভাগে চৰজমিনে তলত উল্লেখ কৰা মৌজা কেইটাত অধিবেষণ শেষ হোৱাৰ লগে লগে তদন্ত কৰিব লাগে। মৰাবাৰী মৌজা, বনমজা মৌজা, দিপীলা মৌজা, লোক্রাই মৌজা, ছিপাঝাৰ অঞ্চল, ৰইনাকুচি মৌজা, বৰদলগুৰি মৌজা, হিন্দু ঘোপা ! মুছলিম ঘোপা অঞ্চল ৰঙামাটি মৌজা চিনাচোনো মৌজা, শিলপোতা মৌজা, দেওমৰনৈ. পাথৰিঘাট দুনী, আন্ধেৰীঘাট, কাহিতলি, হাজৰীকা পাৰা, বামনাপথাৰ, কুৰুৱা, সানোৱা, গৰুখুটি, দলংঘাট, কতৰা, শান্তি পুখুৰী, পিছসৰাবাৰী, বুঢ়াখাট, মহলিয়া পাৰা, বৰমপুৰ, বুঢ়ী নগৰ, খাৰখোৱা পাৰা, সোনাপুৰ, খাচ সোনাপুৰ, বুঢ়া হালধা, মেজালী, ৰটাবাৰী, মাহৰিপাৰা। এই অঞ্চল বিলাকত মানুহে খাব পোৱা নাই। এতিয়া গোটেই দৰং জিলাৰ দুৰ্ভিক্ষ প্ৰপীড়িত লোক সকলক সাহাৰ্য্য দিয়াৰ ব্যৱস্থা কৰিব লাগে। কেন্দ্ৰীয় চৰকাৰৰ ওচৰত ৰাজহ বিভাগৰ পৰা এখন স্মাৰক পত্ৰ তয়াতয়াকৈ দিয়াৰ ব্যৱস্থা কৰিব লাগে। মূখ্যমন্ত্ৰী, গৃহমন্ত্ৰী, পুনৰ সংস্থাপন আৰু সাহাৰ্য্য মন্ত্ৰী নিজে গৈ দৰং জিলাৰ দুখীয়া কৃষক লোক সকলক তৎকালীন সাহাৰ্য্য দিয়াৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ জনালো। বৰ্ত্তমান যি অৱস্থা বিৰাজ কৰিছে ইয়াৰ যদি ব্যৱস্থা লোৱা নহয় তেনেহলে মানুহে খাবলৈ নাপায় মৃত্যুৰ মুখত পৰিব। কাৰণ দৰং জিলাৰ এই মানুহ বিলাকৰ খেতি কৰিবলৈ পানী নাই খাবলৈ ধান চাউল নাই। গতিকে এই অঞ্চলটো দুৰ্ভিক্ষ প্ৰপীড়িত অঞ্চল বুলি ঘোষণা কৰিব লাগে।

শ্ৰীদেৱান জয়নাল আবেদিন : এই গুৰুত্বপূৰ্ণ বিষয়টো ২ ঘণ্টা আলোচনা কৰিবৰ কাৰণে সুবিধা দিব লাগে।

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, মাননীয় সদস্য সকলে যিটো কথা উত্থাপন কৰিছে, সেইটো এটা গুৰুত্বপূৰ্ণ কথা। এই বিষয়টোৰ সম্পৰ্কত মই দুটামান কথা ব্যক্ত কৰিব বিচাৰিছো। এই বছৰ অসমত এটা খৰাং-পীড়িত অঞ্চল হিচাবে পৰিগনিত হোৱাৰ পৰিস্থিতি হৈছে।

এতিয়ালৈকে অসমত সম্পূৰ্ণ ভাবে খৰাং অৱস্থা হোৱা নাই। এই খৰাং অৱস্থাটো খণ্ড খণ্ড হিচাবে হৈছে। বনাঞ্চলত যিবিলাক গছ-গছনি আছিল সেইবিলাক নাই হোৱা হোৱাৰ কাৰণেও হয়তো এইটো হব পাৰে। তাৰ ওপৰিও এই বছৰ জুন মাহৰ ৩১ তাৰিখলৈ যিমান খিনি বৰষুণ হৈছে, যোৱা তিনি বছৰৰ তুলনাত মাত্ৰ ১/৩ অংশহে হৈছে। কিছুমান দ অঞ্চলত যত জলসিঞ্চনৰ ব্যৱস্থা আছে তাত খৰাং হৈছে যদিও খেতি বাতি হৈছে। কিন্তু দৰঙৰ বিশেষকৈ মঙ্গলদৈ আৰু ওদালগুৰি অঞ্চলত বেল্টৰ নিচিনাকৈ খৰাংৰ অৱস্থা হৈছে। উত্তৰ ফালে বৰষুণ দিলে দক্ষিণ ফালে নাপায় আৰু পূৱ ফালে বৰষুণ দিলে পশ্চিম ফালে নাপায়। এই অৱস্থা চলি থকা কাৰণে আজি খৰাং অৱস্থাৰ সৃষ্টি হৈছে। গোটেই অসমৰ বিভিন্ন জিলাত কম বেচি পৰিমানে এই অৱস্থা হৈ আছে। এতিয়া কথা হৈছে যে গোটেই অসমত তেনেকুৱা খৰাং পিড়িত অঞ্চল বুলি আমি ঘোষণা কৰাতো ৰেভেনিউ মেনোৱেল বা ৰিলিফ মেনোৱেলত ব্যৱস্থা নাই। মহকুমা অধিপতি উপায়ুক্ত সকলে যদি তেনে ৰিপোৰ্ট দিয়ে চৰকাৰৰ ফালৰ পৰা সাহাৰ্য্যৰ ব্যৱস্থা লোৱা হয়। জলসিঞ্চনৰ ক্ষেত্ৰত বিগত চৰকাৰৰ দিনত যিমান ব্যৱস্থা লব লাগিছিল সেই ব্যৱস্থা কৰিব নোৱাৰাৰ ফলত আমাৰ এনে এটা ভয়াবহ অৱস্থা হৈছে। কৃষি বিভাগক ৩০ লাখ, জলসিঞ্চন বিভাগক ১০ লাখ, ভেটেনাৰী বিভাগক ২ লাখ টকা দিয়া হৈছে। জিলা উপায়ুক্ত আৰু মহকুমা অধিপতিক এক ডেৰ লাখ টকা দিয়া হৈছে। যদি প্ৰয়োজন হয় ৰাজহ বিভাগৰ ফালৰ পৰা চেষ্টা চলাম। দৰং আৰু ওদালগুৰিৰ ৰাইজে সাহাৰ্য্য আগ বঢ়াবলৈ দৰ্খাস্ত লৈ মোৰ ওচৰলৈ আহিছে। তাৰ ওপৰি উপায়ুক্তও আহি সময়ে সময়ে মোক দেখা কৰি আছে। এই ক্ষেত্ৰত ব্যৱস্থা লোৱাৰ কাৰণে আমি বিবেচনা কৰি আছো। অহা কালি বিধান সভা শেষ হলে সেই ঠাই বিলাকলৈ মই নিজে যোৱাৰ কথাটো ঠিক কৰিছো। এনে ক্ষেত্ৰত সহায় আগ বঢাবলৈ মই মূখ্য মন্ত্ৰীৰ লগত আলোচনা কৰিছো আৰু মুখ্য মন্ত্ৰী ডাঙৰীয়াই তিনি কোটি টকাৰ সাহাৰ্য্যৰ কাৰণে কেন্দ্ৰীয় চৰকাৰক লিখিছে। ৰাজহ বিভাগৰ মন্ত্ৰীৰ লগতো যোগা যোগ কৰি আছে। গতিকে এই ক্ষেত্ৰত মই এই খিনি কথাকে অবগত কৰিলো।

শ্ৰীকুমাৰ দীপক দাস:—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে মঙ্গলদৈ

অঞ্চলৰ পৰা ৰাইজ আহি আছে । কিন্তু মই সেই ঠাইৰ বিধায়ক মই জানো যে ৰাইজ আহি আছে মন্ত্ৰী মহোদয়ক লগ কৰিবলৈ কিন্তু মই লগ কৰিব দিয়া নাই । এতিয়া মন্ত্ৰী মহোদয়ে কব নে যে ৰাইজ আহিবনে মন্ত্ৰী মহোদয়ক লগ কৰিবলৈ নে মন্ত্ৰী যাব ৰাইজৰ ওচৰলৈ ? অৰ্থাত ববপেটালৈ ?

শ্ৰীহেমেন দাস ঃ— মাননীয় সদস্য সকলে বিষয় টো আলোচনা কৰাৰ কাৰণে নিয়মাবলীৰ ৫০ ধাৰা মতে আপোনাৰ ওচৰত আবেদন কৰিছে । আশা কৰো আপুনি বিষটো ইয়াতে সামৰণি নেপেলাই আৰু কিছু সময় আলোচনা কৰিবলৈ দিব লাগে ।

অধ্যক্ষ ঃ— এই বিষয়টো পিচত লোৱা হব ।

Shri Charan Narzary : Sir, the drought situation in the State is of general nature.

Mr. Speaker : Next, Hon'ble Member Dr. Ardhendu Kumar Dey.

Shri Ardhendu Kumar Dey : Mr. Speaker Sir. A very very grave situation is prevailing in the city of Guwahati. Sir, it has become a very prestigeous issue so far as the PWD Minister is concerned. PWD Minister told in the Assembly that if he cannot divert the broadgauge line he will resign, of course, he did not mention the time. Sir, for this prestigeous issue thousands of people cannot suffer. We have found in the history that for any such prestigeous issue the emperor cannot put the subjects into troubles. Sir, in the name of broadgauge line diversion the people of 35 villages are going to be affected. Sir, thus a delegation came to the Chief Minister where our Revenue Minister and other Hon'ble members were also present. There it was discussed that the tribal people will not be affected but the other people will be afftected. Why the tribal people will not be affected and if the tribal people are affected there will be alternative arrangement for them. But if other people are affected Government is keeping the intention completely

reserved. Sir, it is a matter of great disappointment. When the people both tribals and non-tribals are residńg to-gether for years together why the Government has taken such a discriminatory policy ?

(Noise) ( ঐক্য, শান্তি, প্ৰগতি )

Mr. Speaker : You must be brief.

Shri Ardhendu Kr. Dey : I am making it brief. Why this discrimination is there. Sir, in the Assam Tribune it has been published like this. "Revenue Minister's Appeal to the Tribal people. The Assam Revenue Minister, Sri Thaneswar Boro has re-assured the tribal people of south Guwahati that they will not be affected much as they think because of the propsed shifting of the broad gauge railway line from the heart of the city." Sir, this is a contradiction. The statement of the Revenue Minister has been challenged by the Tribal Students Unions. I am quoting from Assam Tribune. "The All Assam Tribal Students Union and the All Rabha Students Union has charged the Assam Revenue Minister, Shri Thaneswar Boro of misleading the people on the issue of shifting the railway broad-gauge line beside the National High-way. In a joint statement, the AATSU President, Sri Ranoj Pegu and its Adviser Sri Sabyasachi Rabha and ARSU Vice President Sri Babul Rabha & General Secretary, Shri Gangaraj Rabha have said the land in 35 villages proposed to be acquired as per the recent Government order do not fall within 250-300 feet of the National Highway as stated by the Revenue Minister."

Sir, just for a prestigeous issue, thousands of people cannot suffer. Thousands of people suffered in the past, in the hundreds of years ago, during the time of Taimurlong but in the 20th century, this cannot happen. This is my submission Sir.

শ্ৰীথানেশ্বৰ বড়োঃ—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যই বিবিলাক প্ৰশ্ন

উত্থাপন কৰিছে, তাৰ পৰিপ্ৰেক্ষিতত কওঁ যে জনজাতীয় লোক সকলক ৰক্ষনা বেক্ষন দিয়া হব, উচ্ছেদ কৰা নহব। ট্ৰাইবেল সকলক উচ্ছেদ কৰা হব বুলি তেনেকুৱা কোনো বক্তব্য দিয়া হোৱা নাই। বিশেষকৈ আমি ট্ৰাইবেল সকলক নানা ভাবে সা-সুবিধা দিয়াৰ কথাহে ভাবি আছিছো। এই অঞ্চলতে জনজাতীয় লোক বেচি আছিল ইয়াত দুটা ট্ৰাইবেল বেল্ট আৰু ব্লক আছে। এটা হৈছে দক্ষিন কামৰূপ, গুৱাহাটী ট্ৰাইবেল বেল্ট আৰু আনটো হৈছে দক্ষিণ কামৰূপ ছয়গাওঁ ট্ৰাইবেল বেল্ট। এতিয়া ৰাজধানী যত হৈছে ইয়াত আগতে ৩৫ খন গাওঁ ট্ৰাইবেল বেল্টৰ ভিতৰত আছিল। ১৯৭০ চনত এইটো উঠাই দিয়া হৈছে। লক্ষীমপুৰতো তেনেকুৱা হুঠাইত হৈছে। এতিয়া জনজাতীয় সকলৰ বেল্ট আৰু ব্লক উঠাই দিয়াৰ কাৰণে তেওঁলোকৰ কাৰণে যি মাটি বাৰীৰ ব্যৱস্থা কৰিবলগীয়া হৈছে সেইটো কৰি থকা হৈছে। এতিয়া এই ঠাই কৰপৰেচনৰ ভিতৰত সোমাই পৰাৰ কাৰণে মাটি বাৰীৰ ব্যৱস্থা কৰি দিয়া হৈছে। আচলতে দেখা গৈছে যে কিছুমান কাৰণত জনজাতীয় লোক সকল বেচিকৈ ভুগিবলগীয়া হৈছে। আমি এই সকলো বিলাক আলাপ আলোচনাৰ দ্বাৰা ব্যৱস্থা লৈছো। আমি বাৰে বাৰে আশ্বাস দি আছিছো যে জনজাতীয় লোক সকলক উচ্ছেদ কৰা নহয়। তেওঁলোকৰ মাটি বাৰীৰ কোনো ক্ষতি নহয়। এই ক্ষেত্ৰত চৰকাৰৰ তৰফৰ পৰা যিবিলাক আশ্বাস বিচাৰিছিল সেই বিলাক দিয়া হৈছে। মাননীয় সদস্য গৰাকীয়ে কোৱাৰ দৰে আলোচনা তেনে হোৱা নাছিল।

শ্ৰীমুক্তাৰ হুচেইন :— মাননীয় অধ্যক্ষ মহোদয়, মই অলপতে 'চেন্টিনেল' কাকতত প্ৰকাশিত বাতৰিৰ সম্পৰ্কত গৃহ মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। আজি কিছু দিন ধৰি অসমত ধৰ্ষণৰ প্ৰতিযোগীতা চলাৰ নিচিনা ঘটনা হৈছে। বাতৰি কাকতত এই বিলাক কথা প্ৰকাশ পাই আছিছে। আৰু অসমৰ পুলিচ বিষয়া সকলো যেন এই বিষয়ত নমনীয় ভাব লোৱা দেখা গৈছে। যোৱা ২৮ তাৰিখে শ্ৰীমতী ভাৰতী বৰা নামৰ এজনী তেনেই কম বয়সীয়া ছোৱালি আবেলী ৫ বজাত ভোলাজান ষ্টেচনলৈ গৈছিল। ছোৱালী জনী অহা দেৰি হোৱাৰ কাৰণে বাচ নাপালে। তাৰ পাচত ৮০ টকা দি এখন টেক্সি ললে। টেক্সিখনৰ নং হৈছে এ এম এম ৭৭৯। ছোৱালী জনী টেক্সিলৈ কিছুদূৰ

যোৱাৰ পিছত আন এখন টেক্সি নং এ এচ ডি ৬৩২৩ এ আগব টেক্সিখন অভাৰটেক কৰি ছোৱালীজনী যোৱা টেক্সিখন আগচি ধৰে। তাত ৫ জন মানুহ আছিল। তেতিয়া সেই ছোৱালীজনী আগৰ টেক্সিখনৰ পৰা নমাই তেওঁলোকৰ টেক্সিত তুলি নিৰ্জন ঠাইলৈ লৈ গৈ ধৰ্ষণ কৰে। পিচত ছোৱালীজনী অচেটন অৱস্থাত পোৱা হয়। এই সম্পৰ্কত আজিলৈকে কাকো ধৰা পেলাই এৰেষ্ট কৰিব পৰা নাই। এই বিলাক ক্ষেত্ৰত পুলিচ নমনীয় হোৱাৰ কাৰণে দুস্কৃতিকাৰীয়ে এনে ধৰ্ষণৰ ঘটনা বৃদ্ধি কৰিবলৈ সুবিধা পাইছে। এই সম্পৰ্কত মই গৃহমন্ত্ৰী ডাঙৰীয়াৰ পৰা এটা বিবৃতি বিচাৰিছো।

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহ মন্ত্ৰী) ঃ— মাননীয় সদস্যই যিটো কথা কৈছে যে পুলিচে এই বিলাক ঘটনাৰ সম্পৰ্কত নমনীয় ভাব গ্ৰহণ কৰিছে, আচলতে সেইটো নহয়। আমাৰ পুলিচ বিভাগে এই বিলাকৰ সংক্ৰান্তত ব্যৱস্থা লৈ আহিছে। মাননীয় সদস্যই যিটো ঘটনা উল্লেখ কৰিছে এই সম্পৰ্কত মই বিতং তথ্যপাতি লৈ পিচত বিবৃতি দিব পাৰিম।

মাননীয় অধ্যক্ষ ঃ— এতিয়া ২ নং বিষয় বস্তুলৈ যোৱা হৈছে।

শ্ৰীজগত হাজৰিকা ঃ— মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ৫৪ নং নিয়মৰ অধীনত ১৯৮৬ চনৰ ৫ আগষ্ট তাৰিখৰ 'দৈনিক অসম' কাকতত প্ৰকাশিত এনকেফেলাইটিচত ১৭ জনৰ মৃত্যু শীৰ্ষক বাতৰিটোৰ প্ৰতি স্বাস্থ্য বিভাগৰ মন্ত্ৰীৰ মনযোগ আকৰ্ষণ কৰিছো। এই ক্ষেত্ৰত মই কব বিচাৰিছো যে সমগ্ৰ লক্ষীমপুৰ জিলাতেই এই ৰোগ বিয়পি পৰিছে। যোৱা ৫ আগষ্টলৈকে চৰকাৰী ভাবে ১৭ জনৰ মৃত্যু হোৱা বুলি কোৱা হৈছে। কিন্তু মই পোৱা খবৰ মতে এতিয়ালৈকে ২৫ জনৰ মৃত্যু হৈছে। তেনেকৈ ধেমাজি, জোনাইলৈকে এই ৰোগ বিয়পিছে।

মাননীয় অধ্যক্ষ ঃ চমু কৰক।

শ্ৰীজগত হাজৰীকা ঃ— গতিকে এই ক্ষেত্ৰত বিশেষ ভাবে ব্যৱস্থা লৈ ৰোগৰ নিৰাময় ঘটাব লাগে।

মাননীয় অধ্যক্ষ মহোদয়,

যোৱা ৫।৮।৮৬ তাৰিখ "দৈনিক অসম" বাতৰি কাকতত প্ৰকাশিত এনকেফেলাইটিছত ১৭ জনৰ মৃত্যু" শীৰ্ষক সংবাদটো চৰকাৰৰ দৃষ্টিগোচৰ হৈছে।

এনকেফেলাইটিছত আক্ৰান্ত হোৱাৰ দৃষ্টিগোচৰ হোৱাৰ পাছত তিনিওখন মেডিকেল কলেজ আৰু জিলাৰ মুখ্যস্বাস্থ্য বিষয়া সকলক প্ৰয়োজনীয় ব্যৱস্থা লবলৈ নিৰ্দ্দেশ দিয়া হৈছিল।

এই সংক্ৰান্তত সদনক জনাওঁ যে ১৭।৭।৮৬ ৰ পৰা ৬।৮।৮৬ লৈকে ৪৯ জন এই এনকেফেলাইটিছত আক্ৰান্ত হৈছিল। বাতৰিত প্ৰকাশ পোৱা মতেই ১৭ জনৰ মৃত্যু হৈছে। এই মৃত্যুৰ কাৰণ এনকেফেলাইটিছ বুলিয়েই সন্দেহ কৰা হৈছে।

উত্তৰ লক্ষীমপুৰ অসামৰিক হাস্পাতালৰ ১২ জন ডাক্তৰৰ ভিতৰত ১১জন ডাক্তৰ আছে। ২জন ডাক্তৰ সাময়িকভাবে নিলম্বিত হলেও তাৰ ঠাইত ডাক্তৰ দিয়া হৈছে। এনেভাৱে জনসাধাৰণ আক্ৰান্ত হোৱা বাবে প্ৰতিশেধক ব্যৱস্থা লোৱা হৈছে। উল্লেখিত প্ৰতিশেধক ব্যৱস্থাৰ ভিতৰত গাওঁবিলাকত ফকেল ডি. ডি টি. (Focal D.D T.) স্প্ৰে (Spray) কৰাৰ ব্যৱস্থা কৰা হৈছে। ডিব্ৰুগড়ৰ অসম মেডিকেল কলেজৰ পৰা বিশেষজ্ঞ দল এটাক ইতিমধ্যে পঠোৱা হৈছে। সকলো মেডিকেল আৰু পাৰা মেডিকেল ষ্টাফক বিশেষভাৱে সতৰ্ক কৰি দিয়া হৈছে।

Dr. Ardhendu Dey : Mr. Speaker, Sir, for encephalities, D.D.T. will not serve the entire purpose. There are some sort of vaccine which is to be imported from Japan for preventing and treatment of encephalities. This is for information.

শ্ৰীজগত হাজৰিকা : অসম মেডিকেল কলেজৰ অধ্যক্ষৰ পৰা তেখেতে খবৰ পোৱা বুলি কৈছে, কি খবৰ পাইছিল আমাক জনাবনেকি ?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (স্বাস্থ্য মন্ত্ৰী) : অধ্যক্ষ মহোদয়, অধ্যক্ষৰ পৰা মই টেলিফোনত খবৰ পাইছো যে ডঃ ভূঞা আৰু হাজৰিকাই ৰিৰ্পোট দিছে যে পৰিস্থিতি নিয়ন্ত্ৰনাধীন।

শ্ৰীজগত হাজৰিকা ঃ কথাটো সচা নহয়, ডাক্তৰ গৈ ঘূৰি আহিছে একো কৰা নাই আৰু যিমান পৰিমাণৰ দিদিটি স্প্ৰে কৰিব লাগিছিল সিমান কৰা নাই। লক্ষীমপুৰক এনেকৈ অৱহেলা কৰাৰ কাৰণ কি ?

শ্ৰীদিলীপ শইকীয়া ঃ অধ্যক্ষ মহোদয়, পৰিস্থিতি এতিয়াও নিয়ন্ত্ৰনাধীন হোৱা নাই। মেডিকেল কলেজৰ ডাক্তৰ সকল গৈ ঘূৰি আহিছে কাম কৰা নাই। পৰিস্থিতি লাহে লাহে তামুলপুৰৰ নিচিনা হব ধৰিছে। তেখেতে নিজে গৈ এবাৰ পৰিদৰ্শন কৰি আহিব লাগে।

শ্ৰীজগত হাজৰিকা ঃ ইয়াৰ লগতে মই আৰু এটা কথা যোগ দিব বিছাৰিছো লক্ষীমপুৰ অসামৰিক চিকিৎসালয়ত যি সকল ৰোগী আছে তেখেত সকলৰ অৱস্থা কি পৰ্য্যায় পাইছে তাক ভাষাৰে প্ৰকাশ কৰিব নোৱাৰি। গতিকে স্বাস্থ্যমন্ত্ৰী মহোদয় নিজে গৈ পৰিস্থিতি অধ্যয়ন কৰি আহিব লাগে।

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মই কৈছোৱেই যে চৰকাৰৰ তৰফৰ পৰা যি ব্যৱস্থা গ্ৰহণ কৰিব লাগে সকলো ব্যৱস্থাই গ্ৰহণ কৰা হৈছে। মাননীয় সদস্য সকলে পুণৰ দাবী উত্থাপন কৰিছে যেতিয়া আমাৰ ফালৰ পৰা ডাক্তৰৰ দল এটি পঠিয়াই দিয়া হব।

(সদনত হুলস্থুল পৰিবেশ)।

Shri Binai Khungur Basumatary : Sir, in the last House, I have raised this question, that this vaccine should be imported. Now, whether the Government will assure that this vaccine will be imported.

শ্ৰীজয়নাথ শৰ্ম্মা ঃ অধ্যক্ষ মহোদয়, ৰুল ৫৪ ৰ বিষয়টো ক্লজ হুইত আছে দেখা গৈছে যে এতিয়া দিবেট আৰম্ভ হৈছে। বিষয়টো যদি ইমানেই দৰ্কাৰ ৰুল ৪৯ ত আধাঘণ্টাৰ আলোচনা আগবঢ়াব পাৰে।

মাননীয় অধ্যক্ষ ঃ স্বাস্থ্য মন্ত্ৰীয়ে আৰু কিবা কব নেকি ?

Shri Chandra Mohan Patowari (Minister) : Mr. Speaker, Sir, as has been stated by the Hon'ble Members about the encephalities,

if it is necessary, after getting the opinion from the expert those who visited, definitely Government will consider and import vaccines.

মই কৈছোৱেই যে ডাক্তৰৰ দল এটা তালৈ যাব। তেখেতসকলে মোক যোৱাৰ কথা কৈছে যদি মই গলেই বেমাৰ ভাল হয় তেতিয়াহলে মই যাম।

শ্ৰীদিলীপ শইকীয়া : অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে আমাক ইতিকিং কৰি কথা কৈছে। তেখেতে আমাক ইতিকিং কৰাৰ অধিকাৰ নাই। আমি কৈছো তামুলপুৰলৈ যদি কুৰিবাৰ যাব পাৰে লক্ষীমপুৰলৈ কিয় এবাৰ যাব নোৱাৰে? মাননীয় সদস্যক ইতিকিং কৰাৰ অধিকাৰ মন্ত্ৰীৰ নাই। লক্ষীমপুৰক অৱহেলা কৰা হৈছে।

মাননীয় অধ্যক্ষ : এতিয়া তিনি নম্বৰ বিষয়লৈ আহিছো।

## MATTER UNDER RULE 301

শ্ৰীদেবেশ্বৰ বৰা : মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীৰ ৩০১ নং নিয়মৰ অধীনত নগালেণ্ডৰ বেদখল কাৰ্য্যত অসম নিমাত কিয়? এই সম্পৰ্কত এটি বিষয় উত্থাপনৰ জৰিয়তে মুখ্যমন্ত্ৰীৰ মনোযোগ আকৰ্ষণ কৰিব খুজিছো। অধ্যক্ষ মহোদয়, ইতিমধ্যে অসমৰ কেবাখনো বাতৰি কাকতত আমি দেখিবলৈ পাইছো তেওঁলোকে পৰিবেশন কৰিছে যে অসমৰ মাটিত নগালেণ্ডে বেদখল কৰিছে আৰু অসমে নিমাতে আছে। প্ৰহৰি বুলি এখন বাতৰি কাকতত এনে ধৰণে লিখিছে মই পঢ়ি দিছো আৰু চৰকাৰে কি বিহিত ব্যৱস্থা লব তাৰ ব্যাখ্যা বিচাৰিছো। অসম চৰকাৰৰ দুৰ্ব্বল নীতিৰ সুযোগ লৈ নগালেণ্ড চৰকাৰ আৰু নগাবাজ উভয়ে সংগঠিত ভাবে অসমৰ বনাঞ্চলত ব্যাপকভাবে বেদখল কৰিবলৈ আৰম্ভ কৰিছে। নগালেণ্ড চৰকাৰে কেইদিনমানৰ আগতে হটাভিত এটা খণ্ড উন্নয়ন বিষয়াৰ কাৰ্য্যালয় উন্মোচন কৰে জাকজমকতা আৰু উলহ মালহৰে কৰা অনুষ্ঠানত ভালেমান লোক উপস্থিত আছিল আৰু উন্মোচন কৰিছিল নগালেণ্ডৰ এজন মন্ত্ৰীয়ে। হটভিত সৰুপথাৰৰ এ চেক্টৰত পৰে। এই ঠাই চুঙাজানৰ পৰা ৯ কিলোমিটাৰ আঁতৰত। আৰু অসম নগালেণ্ড সীমান্তৰ পৰা ছয় কিলোমিটাৰ অসমত। অধ্যক্ষ মহোদয় নগালেণ্ড চৰকাৰে ১৯৭২ চনৰ অন্তৰ্বৰ্ত্তী চুক্তি ভঙ্গ

কৰিছে। নগালেণ্ডৰ বেদখলকাৰী সকলে অসমৰ ৰেংমা নামৰ ডিফু আদি ঠাইত বেদখল কৰিছে। তেওঁলোকে অসমৰ মাটিত পিএইটই বি ডি অ' অফিচ বনাইছে। কাৰ্বি আংলং জিলাৰ খট খটিৰ লহৰিজান অঞ্চলত বনাঞ্চল ধ্বংস কৰি বেদখল আৰম্ভ কৰিছে। ১৯৮৫ চনৰ চৰকাৰৰ নিষ্ক্ৰিয়তাৰ কাৰণে মেৰাপনীত যি ঘটনা সংঘটিত হ'ল সেয়া সকলোৰে জ্ঞাত। এতিয়া বহুতে তাৰ পৰা ঘৰ বাৰি এৰি পলাই আহিছে। পলাই আহিয়েই আছে। সেয়েহে বাতৰি কাকতত প্ৰকাশ পাইছে যে ইমানৰ পিচতো অসমৰ চৰকাৰ নিমাত কিয়? গতিকে আমাৰ নতুন চৰকাৰে যাতে এইবিলাক বাতৰিয়ে ৰাইজৰ ওচৰত ভাৱমূৰ্ত্তি নষ্ট কৰিব নোৱাৰে তাৰ বাবে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ এই বিষয়টো উত্থাপন কৰিছো। আমাৰ গৃহমন্ত্ৰী যোৰহাটলৈ যাওঁতে তাৰ সাংবাদিক শ্ৰীবদন বৰুৱাই শোধা প্ৰশ্নৰ উত্তৰত কৈছিল যে এই সম্পৰ্কে নগালেণ্ড চৰকাৰৰ লগত যোগাযোগ কৰা হৈছে। এটা বুজিব নোৱাৰা কথা। গতিকে এই বিষয়ে মই মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিলো।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী)ঃ মাননীয় সদস্য গৰাকীয়ে বিশেষ আলোচনাৰ কাৰণে বিষয়টো উত্থাপন কৰিছে যদিও নিৰ্দ্দিষ্ট ঘটনা বা বাতৰিৰ প্ৰসঙ্গত উল্লেখ নকৰাত আমাৰ ফালৰ পৰাও সাধাৰণ ভাবে বিবৃতি দিব লগা হল।

অসম ৰাজ্যৰ নগালেণ্ডৰ লগত সীমা প্ৰায় ৪৩৪ কিলোমিটাৰ আৰু নগালেণ্ডৰ লগত অসমৰ কেইবাখনো জিলাৰ সীমা আছে। নগালেণ্ড প্ৰতিস্থা হোৱাৰ পিচৰ পৰাই এই ৰাজ্যৰ লগত অসমৰ সীমা সম্বন্ধে কিছু বিবাদৰ সৃষ্টি হয় আৰু যদিও সাংবিধানিক ভাবে আৰু নীতিগত ভাবে অসম আৰু নগালেণ্ডৰ সীমান্ত নিৰ্দ্দিষ্ট ভাবে দিয়া আছে তথাপি ইয়াৰ বহুত অংশত নগালেণ্ডে বিবাদমান বুলি দাবী কৰে আৰু বহুদিন ধৰি ক্ৰমে অনুপ্ৰবেশ কৰে আৰু বেদখল কৰে। লগতে সীমামুৰীয়া অঞ্চলৰ সংৰক্ষিত বন কাটি মুকলি কৰাৰ কথাও সকলোৱে জানে আৰু এইকথা আমাৰ চৰকাৰেও অস্বীকাৰ কৰিব নোখোজে। অতীতত অসম চৰকাৰে সকলো সময়তে নিজৰ দখল সাব্যস্ত কৰিব নোৱাৰাৰ কাৰণে কেইবাটাও দুৰ্ভাগ্যজনক ঘটনাৰ সন্মুখীন হব লগা হোৱাটো অতি স্বীকৃত সত্য। ১৯৭৯ চনৰ জানুৱাৰী মাহত চুণ্ডাজান

অঞ্চলৰ ঘটনা আৰু ১৯৮৫ চনৰ জুন মাহত মেৰাপানীত অপ্ৰৰোচিত ভাবে নগালেণ্ডৰ ফালৰ পৰা অসমৰ পুলিচৰ ওপৰত আক্ৰমণ আৰু লগতে সীমান্তবৰ্ত্তী ৰাইজৰ ওপৰত অভাবনীয় অত্যাচাৰৰ কথা সকলোৰে জনাজাত। এই বিষয়টো বৰ্ত্তমানে ভাৰত চৰকাৰে গঠন কৰি দিয়া এটা তদন্ত আয়োগে অনুসন্ধান কৰি আছে কাৰণে এই বিষয়ত আমি আৰু এতিয়া মন্তব্য কৰিব খোজা নাই।

অসম গণ পৰিষদ চৰকাৰ গঠন হোৱাৰ পিচৰ পৰা আৰু দুটা দিশত জোৰ দিছে। এটা হল ওচৰ চুবুৰীয়া ৰাজ্য সমূহৰ লগত সদ্ভাব আৰু সম্প্ৰীতিৰে বিবাদমান বিষয় সমূহ মিমাংসা কৰা আৰু তাৰ লগতে দৃঢ়ভাবে আমাৰ নিজৰ দাবী আৰু সাংবিধানীক অধিকাৰ সাব্যস্ত কৰা। এইটো ঠিক যে এই ক্ষেত্ৰত নগালেণ্ড আৰু অসম চৰকাৰৰ মাজত হোৱা বিভিন্ন আলোচনা আৰু সিদ্ধান্ত বিলাক শান্তি সম্প্ৰীতিৰ কাৰণে আমি এতিয়াও নীতিগত ভাবে মানি চলিছো। এই ক্ষেত্ৰত অসম আৰু নগালেণ্ডৰ মুখ্যমন্ত্ৰীৰ মাজত হোৱা আলোচনাৰ ১৯৭৯ চনৰ সিদ্ধান্ত মানি চলিবলৈ আমি মান্তি হৈছিলো আৰু আশা কৰা হৈছিল যে নগালেণ্ডৰ ফালৰ পৰাও তেনে ধৰণে সেই সিদ্ধান্ত মানি চলিব যদিও এই সিদ্ধান্তই আমাৰ সাংবিধানিক সীমান্ত হেৰফেৰ কৰাৰ প্ৰশ্ন নুঠে। তথাপি অসম চৰকাৰৰ ফালৰ পৰা এনে দৃষ্টি ভঙ্গি লোৱা স্বত্বেও বহুতো সময়ত নগালেণ্ডৰ ৰাইজ বা নগালেণ্ড চৰকাৰে এনে সিদ্ধান্ত উলংঘা কৰি অসমৰ অঞ্চলত বেদখল কৰা বা নানা ধৰণৰ উত্তেজনা সৃষ্টি কৰা আমাৰ দৃষ্টি গোচৰ হৈছে। এই ক্ষেত্ৰত আগৰ দুৰ্ভাগ্যজনক ঘটনাৰ পৰিপ্ৰেক্ষিতত আমি সাধাৰণতে সতৰ্কতা মূলক ব্যৱস্থা লব লগা হয় আৰু প্ৰত্যেক ক্ষেত্ৰতেই আমি নগালেণ্ড চৰকাৰ আৰু ভাৰত চৰকাৰক আমাৰ প্ৰতিবাদ জনায় তেনে ধৰণৰ বেদখল ভঙ্গ কৰাৰ বা সিদ্ধান্তৰ পৰিপন্থী কাম নকৰাৰ কাৰণে ব্যৱস্থা লোৱা হৈছে। যদিও অসম চৰকাৰে পৰীক্ষা মূলক পৰিস্থিতিলৈ আগবাঢ়ি যোৱা নাই তথাপি সকলো ক্ষেত্ৰতে অসমৰ স্বাৰ্থ অক্ষুন্ন ৰখাৰ কাৰণে ব্যৱস্থা লোৱা হৈছে আৰু আগলৈকো লোৱা হব।

ইয়াৰ বাহিৰেও অসম আৰু নগালেণ্ডৰ সীমাত অৱস্থিত জিলা কেইখনৰ উপায়ুক্ত সকল, সীমান্তৰ দণ্ডাধীশ সকল আৰু উজনি অসমৰ

আয়ুক্তই তেখেত সকলৰ সংলিষ্ট বিষয়াৰ লগত অতি সঘনে মিলিত হৈ এনে ধৰণৰ ঘটনা বিলাকৰ প্ৰতিকাৰৰ ব্যৱস্থা লয় আৰু তেনে ঘটনাৰ নগালেণ্ডৰ ফালৰ পৰাও প্ৰতিকাৰ মূলক ব্যৱস্থা নলব বুলি কোৱা কোনো অৱস্থাৰ সৃষ্টি হোৱা নাই। গতিকে এইটো কব পৰা হয় যে সীমান্ত অঞ্চলত অসমৰ স্বাৰ্থ অক্ষুন্ন ৰাখিবৰ কাৰণে চৰকাৰে লোৱা ব্যৱস্থা সমূহত ৰাইজ সদায়েই অবগত নহব পাৰে তথাপি এনে ধৰণৰ ব্যৱস্থা সদায়েই লৈ থকা হয়।

মই সন্মানিত সদনত এইটো কথা জনাবলৈ পায় সুখী হৈছো যে চৰকাৰে সীমামূৰীয়া ৰাইজৰ উন্নয়নৰ কাৰণে আৰু তেওঁলোকৰ নিৰাপত্তাৰ কাৰণে ব্যাপক ব্যৱস্থা লৈছে। মেৰাপানীৰ ঘটনাৰ পিচত এই অঞ্চলত সীমান্ত ৰক্ষী বাহিনীক নিৰাপত্তা বাহিনী হিচাপে নিয়োগ কৰা হৈছে। উন্নয়ন মূলক কামৰ ক্ষেত্ৰত মেৰাপানীৰ ঘটনাৰ পিচত চৰকাৰে লোৱা ব্যৱস্থাৰ কথা আপোনালোক সকলোৱে জানে। ১৬২ কোটি. ১৩ লাখ টকাৰ চৰকাৰী মঞ্জুৰী ইতিমধ্যে বিভিন্ন আচনিৰ অধীনত সেই অঞ্চলত বিতৰণ কৰা হৈছে। তাৰ বাহিৰেও ১৯৮৬ ৮৭ চনত সীমামুৰীয়া অঞ্চলৰ উন্নয়নৰ কাৰণে চৰকাৰে ১৪০ লাখ টকা ধাৰ্য্য কৰিছে। ১৯৮৫ ৮৬ চনৰ ৫০ লাখ টকাৰ তুলনাত ই এটা বলিষ্ঠ পদক্ষেপ বুলি কব লাগিব। এই টকাৰ পৰা এই অঞ্চল বিলাকত অন্যান্য পৰিকল্পনা আচনি বাহিৰেও বিশেষ ভাবে ৰাস্তা আলি পদূলি নিৰ্ম্মাণ, প্ৰাথমিক চিকিৎসা কেন্দ্ৰ স্থাপন, খোৱা পানী যোগান, প্ৰাথমিক বিদ্যালয় নিৰ্ম্মান আৰু কৃষি সামগ্ৰী যোগান আদিৰো ব্যৱস্থা লোৱা হৈছে।

এই সকলোবোৰৰ পৰিপ্ৰেক্ষিতত এইটো কব পৰা যায় যে চৰকাৰ নিৰবে যদিও নিজৰ দায়িত্ব পালন কৰিছে আৰু এই অঞ্চলৰ ৰাইজৰ সমস্যাৰ প্ৰতি নিদ্ৰাত নহয়।

## Statement by Minister

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহমন্ত্ৰী): মাননীয় সদস্য সকলে জানে যে আজি কিছু দিনৰ পৰা বৰাক উপত্যকাত উদ্দেশ্য প্ৰণোদিত ভাবে স্কুলত অসমীয়া ভাষাৰ প্ৰৱৰ্ত্তনৰ বিষয়টোৰ আলম লৈ এটা আন্দোলন গঢ়ি তুলিবলৈ এচাংশ লোকে চেষ্টা কৰি আহিছে। যদিও এখন বিজ্ঞপ্তিৰ বিৰোধীতা কৰি এই

আন্দোলন গঢ়ি তুলিবলৈ চেষ্টা কৰা হৈছে তথাপি সকলোৱে জানে যে এই সিদ্ধান্ত বহু পুৰণি আৰু নীতিগত ভাবে ৰাষ্ট্ৰীয় শিক্ষা আৰু ভাষা নীতিৰ লগত সঙ্গতি ৰাখি কৰা হৈছে। তথাপি গণতান্ত্ৰিক পৰম্পৰা আৰু অসম গণ পৰিষদ চৰকাৰৰ মূল আদৰ্শৰ লগত সঙ্গতি ৰাখি চৰকাৰে বিভিন্ন গোষ্ঠী আৰু শ্ৰেণীৰ লগত আলোচনা কৰি এটা ঐক্যমত উলিয়াবৰ কাৰণে চেষ্টা কৰিছে। বৰাক উপত্যকাৰ বিভিন্ন শ্ৰেণীৰ লোকৰ লগত এই বিষয়টো কেইবাৰো বিতং ভাবে আলোচনা কৰা হৈছে আৰু আনকি যোৱা ২০ জুলাই তাৰিখে এনে এটা আলোচনাৰ দিন ধাৰ্য্য কৰা হৈছিল। আমাৰ এই আদৰ্শৰ প্ৰতি লক্ষ্য ৰাখিয়েই আৰু এই বিষয়টোত ইতিমধ্যে হোৱা আশাপ্ৰদ সহাৰি চকুত ৰাখি বৰাক উপত্যকাৰ বৃহৎ সংখ্যক লোকৰ অনুৰোধ বিবেচনা কৰি মুখ্যমন্ত্ৰীয়ে সেই অঞ্চলৰ ৰাইজৰ মতামত আদি প্ৰত্যক্ষ ভাবে বুজ লোৱাৰ কাৰণে ২১ জুলাইৰ পৰা এই উপত্যকাত ভ্ৰমণৰ সিদ্ধান্ত কৰে। মুখ্যমন্ত্ৰীয়ে তেখেতৰ বিবৃতিত ইতিমধ্যে স্পষ্ট কৰি হৈছে যে তেখেতে মুক্ত মনেৰে অসমৰ সামগ্ৰিক স্বাৰ্থ আৰু ৰাষ্ট্ৰৰ বৃহত্তৰ স্বাৰ্থৰ খাতিৰত বৰাক উপত্যকাত ভ্ৰমণৰ কাৰণে গৈছিল।

কেৱল আন্দোলনৰ নামত আন্দোলন চলাব খোজা আৰু কোনো ঐক্যমতত উপনীত হৈ আন্দোলন বন্ধ হলে ৰাজনৈতিক ভাবে বা ব্যক্তিগত ভাবে অসুবিধাত পৰিব পাৰে বুলি ভবা, ৰাজনৈতিক উদ্দেশ্য প্ৰণোদিত এটা শ্ৰেণীৰ লোকে মুখ্যমন্ত্ৰীৰ এই ভ্ৰমণত তেওঁলোকৰ স্বাৰ্থ ক্ষুণ্ণ হব বুলি আশংকা কৰি অশান্তিৰ সৃষ্টি কৰিবলৈ চেষ্টা কৰে। সেই উদ্দেশ্যেৰে এনে কিছুমান লোক আৰু দলে ততাতৈয়াকৈ গোপন বৈঠকত মিলিত হৈ ২১ জুলাই তাৰিখে কৰিমগঞ্জ বন্ধ আৰু হৰতালৰ সিদ্ধান্ত লয়। এনে আন্দোলন স্বত্তেও ২১ তাৰিখে মাইজদি হেলিপেডৰ পৰা কৰিমগঞ্জ আৰক্ত ভৱনলৈ যোৱা ৰাষ্টাত মূখ্যমন্ত্ৰীক আদৰণি জনাবলৈ যথেষ্ট লোকে শাৰি পাতি ঠিয় হয়। বোধকৰো আন্দোলনকাৰি লোক সকলে এনে অৱস্থাত ৰাইজৰ প্ৰতিক্ৰিয়া তেখেত সকলৰ প্ৰতিকূলে যোৱাৰ প্ৰতি লক্ষ্য ৰাখি কৰিমগঞ্জ আৰক্ত ভৱনৰ ওচৰত গোট খায় আৰু ইতিমধ্যে আৰক্ত ভৱনত কাৰ্য্যসূচী মতে নিজৰ কাম কাজ কৰি থকা মূখ্যমন্ত্ৰীৰ ওচৰত বিক্ষোভ প্ৰদৰ্শন কৰি উত্তেজিত হবলৈ চেষ্টা

কৰে। অতি কম সময়ৰ ভিতৰতে প্ৰায় এক হাজাৰতকৈ বেচি উত্তেজিত বিক্ষোভ কাৰীয়ে কৰিমগঞ্জ ট্ৰেজাৰীৰ ওচৰত কৰ্ত্তব্যৰত পুলিচৰ বান্ধ ভাঙি যাবলৈ চেষ্টা কৰে। আৰক্ষী ভৱনলৈ যোৱা অন্য এটা ৰাস্তাত তেনেকুৱা বিক্ষোভ কাৰীৰ দল গোট খায় পুলিচক হেঁচা দিবলৈ চেষ্টা কৰে। এই প্ৰসঙ্গত কব পাৰি যে কৰিমগঞ্জ জিলাৰ দণ্ডাধীশে আইন আৰু শান্তি শৃংখলা ৰক্ষা কৰিবৰ কাৰণে ১৪ জুলাই ১৯৮৬ তাৰিখে জিলা দণ্ডাধীশৰ কাৰ্য্যালয়ৰ ৩০০ মিটাৰ ব্যাসৰ ভিতৰত নিষেধাজ্ঞা জাৰি কৰাৰ আদেশ দিয়ে। যদিও এই লোক সকলে সেই আদেশ ভঙ্গ কৰি বিক্ষোভ প্ৰদৰ্শন কৰিছিল তথাপি পুলিচৰ লোকে জনতাক শান্ত কৰিবৰ কাৰণে আৰু মূখ্য-মন্ত্ৰীৰ নিৰাপত্তাৰ কাৰণে আৰক্ষী ভৱনলৈ নাযাবৰ কাৰণে চেষ্টা কৰিছিল। অতি দূৰ্ভাগ্য জনক কথা যে উত্তেজিত জনতাই কৰ্ত্তব্যৰত পুলিচৰ বাধা শুনা নাছিল বৰং অধিক উত্তেজিত হৈ কৰ্ত্তব্যৰত আৰক্ষী বাহিনীক আক্ৰমণ কৰিবলৈ চেষ্টা কৰে আৰু ৰাস্তাৰ ওপৰত দম কৰি থোৱা ডাঙৰ ডাঙৰ শিল-গুটি আদি পুলিচৰ দললৈ নিক্ষেপ কৰিবলৈ ধৰে। এনে প্ৰৰোচনাৰ সন্মুখীন হৈ পুলিচৰ লোকে উত্তেজিত জনতাক শান্ত কৰিবলৈ চেষ্টা কৰে কিন্তু জনতা আগতকৈও বেচি হিংস্ৰহে হৈ পৰে। এই দূস্কৃতিকাৰীৰ আক্ৰমণত অঞ্চলটোৰ পুলি-চৰ বাহিৰেও কৰ্ম্মৰত অৱস্থাত থকা উপ-মহাপৰিদৰ্শক জন আহত হয়। ইতিমধ্যে মূখ্যমন্ত্ৰীয়ে তেখেতৰ অন্যান্য কাৰ্য্যসূচীৰ কাৰণে আৰক্ষী ভৱন এৰি প্ৰস্থান কৰে আৰু জনতাই মূখ্যমন্ত্ৰীক বাধা দিব নোৱাৰি কৰ্ত্তব্যৰত পুলিচৰ ওপৰত অধিক জোৰে আক্ৰমণ কৰিবলৈ লয় আৰু কিছুমান লোকে চৰকাৰী গাড়ী আৰু সা সম্পত্তি নষ্ট কৰিবলৈ চেষ্টা কৰে। আৰক্ষী বাহিনী আৰু দণ্ডাধীশ সকলৰ সতৰ্ক বাণী হিংস্ৰ জনতাই উপেক্ষা কৰাৰ ফলত আৰু হিংসাত্মক কাৰ্য্যত ব্যাপক ভাবে লিপ্ত হোৱাৰ সম্ভাৱনা দেখি পুলিচে লাঠি চালনা কৰিব লগা হয়। কিন্তু এনে লাঠি চালনা ফলপ্ৰসূ নোহোৱাত পুলিচে জীৱন আৰু সম্পত্তি ৰক্ষা কৰিবৰ কাৰণে ৰাজহুৱা স্বাৰ্থত আৰক্ষী ভৱনৰ ওচৰত ট্ৰেজাৰী কাৰ্য্যালয়ৰ কাষত আৰু অন্যফালে ৰেডক্ৰছ চিকিৎসালয়ৰ ওচৰত পুৱা ১০ বাজি ১৫ মিনিটত গুলি চালনা কৰিব লগা হয়। মুঠতে পুলিচে ১১ জাই গুলি চালনা কৰিব লগা হয়। ইয়াৰ ফলত জনতাৰ ফালৰ পৰা ২ জন লোকৰ মৃত্যু হয় আৰু গোটেই ঘটনাচোৱাত ৩২ জন লোক

আহত হয় আৰু গুলি চালনা অৱস্থাত উপায়ুক্তৰ কাৰ্য্যালয়ত কৰ্ত্তব্যৰত অৱস্থাত থকা চিপাহী গুৰুপদ দাসৰ গুলিৰ আঘাটত মৃত্যু হয়। প্ৰাথমিক তদন্তৰ পৰা দেখা যায় যে তেওঁৰ মৃত্যু হোৱা স্থানলৈ পুলিচৰ গুলি চালনাৰ গুলি অহাটো সম্ভৱপৰ নহয়। গতিকে ধাৰণা কৰা হৈছে যে হয়তো অন্য কোনো ফালৰ পৰা হোৱা গুলি চালনাৰ ফলতহে তেওঁৰ মৃত্যু হব পাৰে। গোটেই বিষয়টো এতিয়া তদন্তাধীন হৈ আছে। এই ঘটনাৰ ফলত যি সকল লোকে মৃত্যু বৰণ কৰিছে তেওঁলোকৰ পৰিয়াল বৰ্গ লৈ চৰকাৰী নিৰিখ মতে সাহায্য মঞ্জুৰী দিয়াৰ ব্যৱস্থা কৰা হৈছে আৰু আহত লোক সকললৈ উপযুক্ত বিনা-মূলীয়া চিকিৎসাৰ ওপৰিও আঘাটৰ গুৰুত্ব বিবেচনা কৰি চৰকাৰী সাহায্য দিয়াৰ ব্যৱস্থা কৰা হৈছে।

আৰৰ্ত্ত ভৱনৰ ওচৰত মুখ্যমন্ত্ৰীৰ ওচৰলৈ হিংস্ৰ জনতাই পূণৰ বিক্ষোভ প্ৰদৰ্শন কৰিবলৈ যাবলৈ চেষ্টা কৰাত এই লোকসকলৰ ওপৰত পুলিচে লোৱা ব্যৱস্থাৰ সময়ত এনে হিংস্ৰ জনতাই বিভিন্ন অঞ্চলত কৰ্ত্তব্যৰত পুলিচ আৰু 'অসম স্পেচিয়েল ৰিজাৰ্ভ ফোৰ্চ'ৰ চিপাহীক নিৰ্ম্মমভাবে আক্ৰমণ কৰে। ইয়াৰ ফলত আৰৰ্ত্ত ভৱনৰ পৰা ডেৰ কিলোমিটাৰ দূৰত এ, ও, চিৰ ওচৰত ৩জন চিপাহীৰ মৃত্যু হয় আৰু ৩জন গুৰুতৰভাবে আহত হয়। এনে উত্তেজিত আৰু হিংস্ৰ জনতাৰ দলে বিভিন্ন অঞ্চলত চৰকাৰী গাড়ী আৰু কেইটামান বিশেষ গোষ্ঠীৰ লোকৰ ঘৰত আক্ৰমণ কৰে আৰু কৰিমগঞ্জ চেচন আদালতৰ কাগজ পত্ৰ জুই লগাই দিবলৈ চেষ্টা কৰে। পৰিস্থিতিৰ অৱনতি হোৱা দেখি শান্তি-শৃংখলা ৰক্ষাৰ কাৰণে কৰিমগঞ্জ জিলাৰ দণ্ডাধীশে দুপৰীয়া ১২ বজাত সান্ধ্য আইন জাৰি কৰিব লগা হয়। এই সান্ধ্য আইন পৰিস্থিতি উন্নত হোৱাৰ পিচত পৰ্য্যায়ক্ৰমে প্ৰত্যাহাৰ কৰা হয়।

উত্তেজিত জনতাৰ দলে বিভিন্ন অঞ্চলত কৰা হিংসাত্মক কাৰ্য্যৰ থুলমুল বিৱৰণ তলত দিয়া হল:—

(১) শম্ভুসাগৰ উদ্যান অঞ্চলত ডি, টি, অ'ৰ কাৰ্য্যালয় আক্ৰমণ আৰু তাৰ দুৱাৰ খিৰিকি নষ্ট কৰাৰ বাহিৰেও নথিপত্ৰত জুই জলাই দিয়া হয়।

(২) চিভিল কোৰ্টৰ ঘৰ দুৱাৰ নষ্ট কৰা হয় আৰু জিলা চেচন জাজৰ নথিপত্ৰ জুই জলাই দিয়া হয় আৰু আচবাব পত্ৰও ভাঙি চুৰমাৰ কৰা হয়।

(৩) ই, এ, চি, আৰ, জামানৰ ঘৰত শিলগুটি দলিয়াই, ঘৰৰ দুৱাৰ খিড়িকি ভাঙি পেলোৱা হয় আৰু তেখেতৰ ব্যক্তিগত সা-সম্পত্তি জুই লগাই দিবলৈ চেষ্টা কৰা হয়। তেখেতৰ ব্যক্তিগত মটৰ চাইকেলখন জুই লগাই দিয়া হয়।

(৪) ডাক বাংলা আক্রমণ কৰি চি, আৰ, পি, এফৰ এজন বিষয়াৰ বস্তু বাহিনী জুইত পেলাই দিয়া হয়। তেনে ধৰণে তথ্য আৰু প্ৰচাৰ বিষয়া শ্ৰীকে, দাসৰ ন্যায়িক দণ্ডাধীশ শ্ৰীএম, এচ, হকৰ বস্তু-বাহিনীবোৰ উলিয়াই জুইত পেলাই দিয়া হয়। শ্ৰীহকক শাৰীৰিক ভাবেও প্ৰহাৰ কৰা হয়। ডাক বাংলাৰ আচবাব আদিও জুই লগাই দিয়া হয় আৰু গড়কাপ্তানী বিভাগৰ উপ সংমণ্ডল বিষয়াৰ এখন জীপগাড়ী জুই লগাই দিয়া হয়।

(৫) কৰিমগঞ্জৰ উপপ্ৰতি সমাহৰ্তা শ্ৰীএইচ, এন, বৰাৰ ঘৰ আক্রমণ কৰা হয় আৰু তেখেত সকলক আগৰ কৰিমগঞ্জ পৌৰ সভাৰ সভাপতি শ্ৰীদাস বিশ্বাসে ৰক্ষা কৰে। তেখেত সকলৰ ব্যক্তিগত সামগ্ৰী জুই জলাই বা অন্য ধৰণে নষ্ট কৰা হয়।

(৬) ডি, এফ, অ, শ্ৰীথাৰঘৰীয়াৰ গাড়ী থোৱা ঘৰটো ভাঙি তেওঁৰ জীপৰ ট্ৰেলৰখন জুই লগাই দিয়া হয়। তেখেতৰ ঘৰতো আক্রমণ কৰি ব্যক্তি-গত বস্তু বাহিনী নষ্ট কৰা হয়। শ্ৰীথাৰঘৰীয়া,- শ্ৰীকে, হাজৰিকা ডি, টি, অ আৰু শ্ৰীএইচ, দত্তক—পঞ্জিয়ন বিষয়া (ডিৰেক্টৰেট অৱ আৰ্কিঅলজি) জনতাই শাৰীৰিক ভাবে প্ৰহাৰ কৰিবৰ কাৰণে খেদি যায় কিন্তু তেখেত সকল পলাই সাৰে।

(৭) জিলা শ্ৰম বিভাগৰ কাৰ্য্যালয় আক্রমণ কৰে আৰু বস্তু বাহিনী নষ্ট কৰা হয়।

(৮) বিধায়ক শ্ৰীএচ এইচ, চৌধুৰীৰ গাড়ীত শিলগুটি দলিওৱা হয়।

(৯) ডি এফ অৰ কাৰ্য্যালয় আক্রমণ কৰি ঘৰ দুৱাৰ নষ্ট কৰা হয় আৰু কাগজ-পত্ৰ নষ্ট কৰা হয়।

(১০) বান-নিয়ন্ত্ৰণ বিভাগৰ সহকাৰী অভিযন্তাৰ কাৰ্য্যালয় নষ্ট কৰা হয় আৰু কাগজ-পত্ৰ নষ্ট কৰা হয়।

(১১) ষ্টেটফেডৰ খুচুৰা বিক্ৰি কেন্দ্ৰত আক্রমণ কৰি ক্ষতি সাধন কৰা হয়।

(১২) আৰক্ষী বাহিনীৰ চলাচল বন্ধ কৰি দিবৰ কাৰণে ষ্টেচন ৰোড আৰু ডাক বাংলালৈ যোৱা ৰাস্তাত বেৰিকেড দিয়া হয়।

(১৩) ষ্টেচন ৰোডৰ অসম গণ পৰিষদৰ কাৰ্য্যালয় আক্ৰমণ কৰি ক্ষয়ক্ষতি সাধন কৰা হয়।

(১৪) অগ্নি নিৰ্ব্বাপক বাহিনীৰ গাড়ী ঘটনাস্থলীলৈ যোৱাত বাধা দিয়া হয় আৰু গাড়ীৰ আয়না আদি শিলগুটি দলিয়াই ভাঙি দিয়া হয়।

(১৫) দুষ্কৃতিকাৰীয়ে অসম ৰাজ্যিক পৰিবহনবিভাগৰ আস্থান আক্ৰমণ কৰি ৪খন বাছৰ ক্ষয় ক্ষতি সাধন কৰে।

(১৬) চৰ বাজাৰ আৰক্ষী চকী আক্ৰমণ কৰি লণ্ডভণ্ড কৰা হয় আৰু ব্যক্তিগত বস্তু বাহিনীৰ বাহিৰেও চৰকাৰী কাগজপত্ৰ জুইত পেলায় জ্বলাই দিয়া হয়।

ইয়াৰ বাহিৰেও দুষ্কৃতিকাৰীয়ে বিভিন্ন দিশত কৰা সৰু সুৰা ঘটনাৰ বিতং বিৱৰণ বেলেগে দিয়া হোৱা নাই।

উত্তেজিত জনতাই ৰাজহুৱা সম্পত্তি নষ্ট কৰি আৰু এটা বিশেষ গোষ্ঠীৰ লোকৰ ওপৰত আক্ৰমণ কৰি আন্দোলনৰ স্বৰূপ উদঙাই দেখুৱাইছে। এই জনতাই ন্যায়িক আদালতৰ কিছুমান গোচৰৰ কাগজ পত্ৰ জ্বলাই পেলোৱাটো তাৎপৰ্য্যপূৰ্ণ। জনামতে এই সময়ত নগৰৰ কেইটামান চাঞ্চল্যকৰ গোচৰৰ শুনানী চলি আছিল য'ত কিছুমান নেতৃস্থানীয় লোক জড়িত থকাৰ সম্ভাৱনা আছিল। চৰকাৰে বৰাক উপত্যকাৰ এনে প্ৰৰোচনা মূলক কাৰ্য্যৰ বিৰূপ প্ৰতি ক্ৰিয়া যাতে অন্য ঠাইত নহয় তাৰ কাৰণে ব্যৱস্থা লয় আৰু সামগ্ৰীক ভাবে অসমৰ সকলো ঠাইতে শান্তি আৰু সম্প্ৰীতিৰে, সকলো সম্প্ৰদায়ৰ মাজত সদ্ভাৱ ৰজাই ৰখাৰ কাৰণে সমূহ অসমবাসী ৰাইজলৈ আমি অভিনন্দন জনাইছো। চৰকাৰে বিভিন্ন সম্প্ৰদায় আৰু গোষ্ঠীৰ সকলো ধৰণৰ অভিযোগ আৰু দাবী নিশ্চয় অতি সহানুভূতিৰে আৰু গণতান্ত্ৰিক পদ্ধতিৰে বিবেচনা কৰিব। কিন্তু যদি তাৰ আলম লৈ কোনো এটা শ্ৰেণীয়ে আইন আৰু শৃংখলাৰ পৰিস্থিতি সৃষ্টি কৰিব বিচাৰে তেনেহলে চৰকাৰে তাক কঠোৰ হাতে দমন কৰিবলৈ চৰকাৰ পিচপৰি নাথাকিব। বৰাক উপত্যকাৰ বহু সংখ্যক লোকৰে চৰকাৰৰ এই গঠন-মূলক দৃষ্টি ভঙ্গীৰ প্ৰতি সহাৰি আছে, বহু সংখ্যক লোকে মুখ্য মন্ত্ৰীৰ এনে সুভেচ্ছামূলক ভ্ৰমণক নিজৰ দলৰ স্বাৰ্থ আৰু ক্ষুদ্ৰ বিবেচনাৰে বিকৃত পথলৈ নিবলৈ কৰা চেষ্টাৰ গৰিহনা দিয়ে। শান্তি শৃংখলা বজাই ৰাখি কোনো লোকৰে প্ৰৰোচনা মূলক কথাত কান নিদি চৰকাৰৰ গঠনমূলক কামত সহাৰি দি সকলো

সময়তে সকলোৱে শান্তি শৃংখলা অক্ষুন্ন ৰাখিবলৈ আমি কাছাৰবাসী ৰাইজক আহ্বান জনাইছো। এই গোটেই ঘটনাৰ বিষয়টোত এটা উচ্চ পৰ্য্যায়ৰ তদন্তৰ আদেশ ইতিমধ্যে দিয়া হৈছে আৰু তদন্তৰ প্ৰতিবেদন পোৱাৰ অৱশ্যকীয় পিছত ব্যৱস্থা চৰকাৰে বিবেচনা কৰিব।

Shri Dewan Joynal Abedin : Sir, on a point of clarification. I seek 3 clarifications from the Home Minister. He has made a long speech in self defence of the action that was taken by the police personnel that day. Sir, here my first point is that it has been alleged from different sections, even from the hon'ble members of this House that there might be a conspiracy to create trouble at Karimganj that day. On the other side it has been hinted that there might be conspiracy by some political parties. That is why will the Home Minister make a categorical statement that in order to bring to light the whole conspiracy a judicial enquiry will be instituted to deal with those involved in the conspiracy, either political leaders or Government officials or police personnel or anyone so that they may be brought to book.

My second point is, Sir, the situtation is very deplorable which led to the loss of 6 valuable lives of police and civilans. This arose not only from the mis-management on the spot on the eve of the visit of the Chief Minister, but it was the effect of the language circular of SEBA. That was the root cause. Govt has not yet made any annoucement. I want to know whether Government will withdraw that circular.

My third point is, we have seen resorting to firing has become a common thing. Whether Government will make a categorical assurance that this Government will not resort to firing upon the legitimate democratic movements On these 3 points I want clarification from the Hon'ble Home Minister.

কুমাৰ দীপক দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে মাননীয় গৃহমন্ত্ৰীয়ে দিয়া ষ্টেটমেণ্টটো চেলফ ডিফেনচ্‌ত দিয়া বুলি কৈছে। কিন্তু এইটো ডিফেনচ্ অৱ দি ষ্টেটহে দিয়া হৈছে।

শ্ৰীজয়নাথ শৰ্ম্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, আমিও কেইটামান স্পষ্টীকৰণ বিচাৰিছো। মাননীয় সদস্য শ্ৰীহেমেন দাসে কিছুমান মানুহ বাংলাদেশলৈ পলাই যোৱা বুলি কৈছিল—এই মানুহখিনি আচলতে ক'ৰ মানুহ, ক'ৰ পৰা কলৈ গৈছে বা সচাকৈয়ে গৈছেনে নাই এই বিষয়ে চৰকাৰে খবৰ কৰিছেনেকি ? আৰু এটা ঘটনা আমি গম পাইছো কৰিমগঞ্জত থকা অসমীয়া বিষয়া সকলৰ ঘৰৰ মহিলাসকলৰ ওপৰত অশালীন ব্যৱহাৰ কৰিছে আৰু 'চেৰা' চাৰ্কুলাৰ সমৰ্থন কৰা মনিপুৰী, কছাৰী, আৰু খিলঞ্জীয়া অসমীয়া মানুহৰ ওপৰত অত্যাচাৰ কৰাৰ কথাটো গৃহমন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহমন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মই মোৰ বিবৃতিটোত গোটেইখিনি কথা সামৰি দিছো। এই ক্ষেত্ৰত এটা প্ৰশাসনীয় পৰ্য্যায়ৰ তদন্ত চলি আছে। তদন্ত শেষ নোহোৱা পৰ্য্যন্ত সকলোখিনি কথা সদৰি কৰাত অলপ অসুবিধা আছে। মই এটা কথা স্পষ্টভাৱে জনাব খুজিছো যে এই ঘটনাত যিয়েই জড়িত থকা বুলি প্ৰমাণ পোৱা যাব—সি ৰাজনৈতিক দলৰেই হওক বা প্ৰশাসনীক বিষয়াই হওক তেওঁলোকৰ ওপৰত কঠোৰ ব্যৱস্থা লোৱা হব।

( মধ্যাহ্ণ ভোজনৰ কাৰণে সদন স্থগিত )

( Announcement from the chair )

মাননীয় অধ্যক্ষ ঃ অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ২৩০ নং নিয়মৰ অধীনত ১৯৮৬ চনৰ ১১ আগষ্ট তাৰিখে দিনৰ ১২ বাজি ৩০ মিনিটত মোৰ কাৰ্য্যালয়ৰ কক্ষত কাৰ্য্য উপদেষ্টা সমিতিৰ বৈঠক এখন মই আহ্বান কৰিছিলো।

সমিতিয়ে বৈঠকৰ আলোচনাত চৰকাৰী বিধেয়ক সমূহৰ গ্ৰহণ আৰু লগতে দুটা গুৰুত্বপূৰ্ণ বিষয় যথাক্ৰমে আধাঘণ্টা সময় আলোচনাৰ বাবে ৪৯ নং

নিয়মৰ অধীনৰ জাননী আৰু ৫০ নং নিয়মৰ অধীনত ৰাজহুৱা জৰুৰী গুৰুত্বপূৰ্ণ বিষয়ৰ আলোচনাৰ্থে প্ৰয়োজন হোৱা ২ ঘণ্টা ৩০ মিনিট সময়ৰ বিষয়ে বিবেচনা কৰা হয় আৰু লগতে সিদ্ধান্ত লোৱা হয় যে, ইতিমধ্যে সদস্য সকলৰ মাজত বিতৰণ কৰা সংশোধিত দিনপঞ্জী অনুসৰি গোটেই কাৰ্য্যসূচী নিস্পত্তি কৰা হব। সমিতিয়ে এইটো সিদ্ধান্ত কৰে যে, কাৰ্য্যতালিকাত সন্নিবিষ্ট কৰা কাৰ্য্যসূচী সম্পূৰ্ণ কৰিবলৈ অধিক সময় আৱশ্যক হয় তেতিয়া নিৰ্দ্ধাৰিত সময় সূচীতকৈ বেচি সময় বৰ্দ্ধিত কৰি হলেও বিষয়বোৰ নিস্পত্তি কৰা হব। সেই একে ধৰণে সমিতিয়ে সিদ্ধান্ত কৰে যে, যদি চৰকাৰী বিধেয়ক সমূহ গ্ৰহণ কৰা হয়, ৫০ নং নিয়মৰ অধীনৰ জাননী আলোচনাৰ বাবে লোৱা হব আৰু নিৰ্দ্ধাৰিত সময় সূচীতকৈ বেচি সময় বৰ্দ্ধিত কৰি হলেও ১৯৮৬ চনৰ ১২ আগষ্ট তাৰিখে নিস্পত্তি কৰা হব।

মোৰ ইয়াত সদনৰ সন্মতি আছে।

Shri Binai Khungur Basumatari : I hope you are aware that as Gen Vaidya was killed yesterday, Parliament was adjourned. Can we not follow the procedure laid down by the parliament?

মাননীয় অধ্যক্ষ ঃ যদি আপোনালোকে সন্মতি দিয়ে তেনেহলে সদনৰ কাৰ্য্য-সূচী চলোৱাৰ পাচত শোক প্ৰস্তাৱ লোৱা হব।

Shri Binai Khungur Basumatari : The Parliament has been adjourned totally for today as soon as it met.

শ্ৰীহেমেন দাস ঃ এই হত্যাকাণ্ডটো ভাৰতবৰ্ষৰ ভিতৰত এটা উল্লেখযোগ্য ঘটনা। আজি উগ্ৰপন্থিৰ হাতত ভাৰতৰ প্ৰধানমন্ত্ৰীও হেৰুৱাইছো। গতিকে এই ক্ষেত্ৰত আমি আপত্তি নকৰি পাৰ্লিয়ামেণ্টক অনুসৰণ কৰা উচিত হব বুলি আমি ভাবো।

মাননীয় অধ্যক্ষ ঃ মই মাননীয় মুখ্যমন্ত্ৰীক অলপ কবলৈ অনুৰোধ জনাইছো।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই সম্পৰ্কত চৰকাৰৰ তৰফৰ পৰা শোক প্ৰকাশ কৰি শোক পাঠ পঠোৱা হৈছে আৰু মই ভাবো আপুনিয়েই সিদ্ধান্তটো চূড়ান্ত ভাবে লব।

মাননীয় অধ্যক্ষ ঃ জেনেৰেল বৈদ্যক যি ধৰণে হত্যা কৰা হৈছে সেইটো সচাকৈয়ে বৰ দুঃখজনক ঘটনা আৰু এনেধৰণৰ সন্ত্ৰাসমূলক কাৰ্য্যক আমি সকলোৱে গৰিহণা দিয়া উচিত হব। মই এই সদনত এতিয়া ২ মিনিট সময় মৌনতা অৱলম্বন কৰি মৃতকৰ আত্মাৰ প্ৰতি শ্ৰদ্ধা তৰ্পণ কৰিবলৈ জনালো।

(সকলোৱে ২ মিনিট সময় ঠিয় হৈ মৌনতা অৱলম্বন কৰি মৃতকৰ আত্মাৰ প্ৰতি শ্ৰদ্ধাঞ্জলি তৰ্পণ কৰে)

মাননীয় অধ্যক্ষ ঃ মাননীয় সদস্য সকল আমাৰ যিটো পৰম্পৰা সেই পৰম্পৰা অনুসৰি মৃত্যু প্ৰসঙ্গত শোক প্ৰস্তাৱ কৰাৰ পাচত সাধাৰণতে সদন স্থগিত ৰখা হয় আৰু এই পৰম্পৰা অনুযায়ী আজিৰ কাৰ্য্যসূচী ইমানতেই স্থগিত ৰখা হ'ল।

(এতিয়া সদন অহা কালি দিনৰ ১০ বজালৈ স্থগিত ৰ'খা হ'ল)

## ADJOURNMENT

The House stood adjourned till 10 A. M. tomorrow the 12th August, 1986.

P. N. HAZARIKA,
Secretary,
Assam Legislative Assembly.

Dated Dispur,
the 11th August, 1986.